ৰূপালী জয়ন্তী ৯৭

# স্মৃতি গ্ৰন্থ



## নৱজ্যোতি মহাবিদ্যালয়

কলগাছিয়া

# নৱজ্যোতি মহাবিদ্যালয় ৰূপালী জয়ন্তী

১৪, ১৫ আৰু ১৬ ফেব্ৰুৱাৰী '৯৭

মুখ্য সম্পাদক

ড০ ভগীৰথ নাথ

**সম্পাদনা সমিতি**

মূখ্য সম্পাদক - ডঃ ভগিৰথ নাথ
যুটীয়া সম্পাদক - আবশ্বাদ আহমেদ, এম.এ.
সহঃ সম্পাদক - আনোৱাৰ হুচেইন, এম.এ.

**সদস্যসকল**

১। খন্দঃ আব্দুল গফুৰ, এম.এ.
২। আঃ কদ্দুছ খান, বি.এ. বি.টি.
৩। ডাঃ ঠাকুৰ ওজা
৪। ডাঃ কায়েম তালুকদাৰ
৫। শ্ৰী ব্ৰজ কিশোৰ শ্যামল, এম.এ.
৬। মীৰ্জা এ হামিদ, এম.এ.

বেটুপাত ঃ সুৰজিত সিংহ

মুদ্ৰণ ঃ শিল্পী প্ৰিন্টাৰ্স,
এইচ.এম. দাস ৰোড
বিহাবাৰী, গুৱাহাটী -৭৮১০০৮
ফোন ঃ ৫৪৮২০৯

## উচৰ্গা

নৱজ্যোতি মহাবিদ্যালয়ৰ শুভাৰম্ভৰ পৰা বৰ্ত্তমানলৈ জ্ঞান মন্দিৰখনক পূৰ্ণ পৰ্য্যায়লৈ গঢ় দি তোলাত বৃহত্তৰ পিচপৰা অঞ্চলৰ দৰিদ্ৰ জন সাধাৰণৰ অশেষ কষ্ট আৰু আহোপূৰুষাৰ্থক স্মৰণ কৰি বৃহত পবিত্ৰ শিক্ষানুষ্ঠানটিৰ পঁচিশ বছৰীয়া আনন্দমুখৰ ৰূপালী জয়ন্তী উৎসৱ উদ্‌যাপনৰ শুভ সন্ধিক্ষণত 'স্মৃতি গ্ৰন্থ' খনক সমূহ জনগণলৈ উচৰ্গা কৰিলোঁ।



GOVERNOR
ASSAM

RAJ BHAVAN
GUWAHATI

February 03, 1997.

## MESSAGE

I am happy to learn that the Silver Jubilee Celebrations of Nabajyoti College is going to be observed on 16th February, 1997.

On this occasion, I extend my best wishes to the students and teaching community of the College and wish the celebrations all success.

( Loknath Misra )

**CHIEF MINISTER**
**ASSAM**

सत्यमेव जयते



## MESSAGE

I am indeed very happy to learn that the Nabajyoti College, Kalgachia, is celebrating the Silver Jubilee and a souvenir is being brought out to mark this occasion. Twenty five years is a mile stone in the history of an educational institution and believe Nabajyoti College can rightly feel proud of its accomplishment. I feel confident that the future of this college will be very bright.

I send my best wishes to the Silver Jubilee Celebration and also hope the souvenir would be able to reflect the views of the well wishers.

DISPUR
January 22, 1997.

(P. K. Mahanta)

## সম্পাদকীয়....

সময় পৰিৱৰ্ত্তনশীল। ব্যক্তি, সমাজ আৰু দেশ সকলোৰে পৰিৱৰ্ত্তন আৱশ্যাম্ভাৱী। এই চিৰ প্ৰবাহমান ৰীতিৰ লগত খোজ মিলাবলৈ ব্যক্তি, সমাজ, দেশ সকলোৱে সজাগ হ'ব লাগিব। দেশৰ অৰ্থনীতি, ৰাজনীতি, শিক্ষানীতি, সমাজনীতি আদি যি পিনেই চোৱা যায় সেই পিনেই অস্থিৰতা বিৰাজমান। শিক্ষা সভ্যতাৰ মেৰুদণ্ড স্বৰূপ। ইয়াতো ঘূণে ধৰিছে। যি শিক্ষা নীতিত দেশৰ মাটি-পানী, সংস্কৃতি আৰু ঐতিহ্যৰ গোন্ধ নাই সেই শিক্ষা-নীতিয়ে উঠি অহা চামক কি শিক্ষা দিব ? প্ৰতি মুহূৰ্ত্ততে যুৱ সমাজ অনিশ্চয়তাত ভূগিছে। ভৱিষ্যত সম্পৰ্কে তেওঁলোকৰ কোনো স্পষ্ট ধাৰণা নাই। কিয়নো তেওঁলোকে যি শিক্ষা গ্ৰহণ কৰিছে তাৰ উপযুক্ত মূল্য নিৰূপিত হয় ৰাজনীতিৰ হস্তক্ষেপ আৰু টকা-পইচাৰ লেনদেনেৰে। এনে সমস্যাই যুৱ মানসত এখন নতুন সমাজ গঢ়াৰ নতুন স্বপ্নই বাঁহ লৈছে। সেয়েহে এচাম যুৱক যুৱতীয়ে নতুন পথৰ সন্ধান বিচাৰি, এজন প্ৰকৃত মানুহ হিচাবে সমাজত জীয়াই থাকিবলৈ স্থিতাৱস্থাৰ পৰিৱৰ্ত্তন বিচাৰিছে। উত্তম পথ আৰু সংস্কাৰৰ অভাৱত যাতে শিক্ষিত যুৱ সমাজ ভুলপথে চালিত হ'ব নোৱাৰে তাৰ বাবে চিন্তাশীল ব্যক্তি সকল সজাগ হ'ব লগা হ'ল।

কলগাছিয়া এখন পিচ পৰা অঞ্চল। ইয়াৰ প্ৰতিজন ব্যক্তি আলোক সন্ধানী। যি সময়ত চাৰিও পিনে নৈৰাশ্যই আৱৰি ধৰিছে তেনে সময়ত কলগাছিয়া অঞ্চল ব্যতিক্ৰম। ইয়াৰ সমাজ সদা সজাগ। সমাজৰ প্ৰতিজন ব্যক্তিয়ে এখন গতিশীল সুস্থ সমাজ গঢ় দিয়াত ব্যস্ত। প্ৰতিজন অভিভাৱক সচেতন। এই সচেতনাৰ প্ৰভাৱ পৰিছে প্ৰতিজন যুৱক-যুৱতীৰ গাত। তেওঁলোকে প্ৰতিযোগিতাৰ মনোভাৱ একোটা বুকুত বান্ধি লৈছে। তেওঁলোকে জানে এখন সুস্থ আৰু ভ্ৰষ্টাচাৰ হীন সমাজে ভবিষ্যত নাগৰিক গঢ়াত দিগ্ নিৰ্ণয়ৰ সহায়ক। কলগাছিয়া অঞ্চলত একমাত্ৰ উচ্চ শিক্ষাৰ অনুষ্ঠান হ'ল নৱজ্যোতি মহাবিদ্যালয়। এই-অনুষ্ঠানৰ আজি-ৰূপালী জয়ন্তী বৰ্ষ। এই মুহূৰ্ত্তত প্ৰতিজন ব্যক্তি, প্ৰতিজন যুৱক-যুৱতীয়ে সংকল্প লওঁক যাতে ভবিষ্যত উত্তৰ পুৰুষ সকলৰ তেওঁলোক পথ প্ৰদৰ্শন হ'ব পাৰে। এনে কামনাৰে 'ৰূপালী জয়ন্তী'ৰ শুভক্ষণত স্বামী আত্মানন্দৰ এষাৰ উক্তিৰে সম্পাদকীয় সামৰিব বিচাৰিছোঁ- "অহৰহ চেষ্টা, যত্ন আৰু অভ্যাসেই মানুহৰ শক্তি অটুত ৰাখে। সাধন-ভজন, কৰ্ম, লেখা-পঢ়া, বক্তৃতা, ফুৰা-চকা, শাৰীৰিক বা সামাজিক পৰিশ্ৰম আদি যিয়েই নহওক অভ্যাস আৰু অধ্যাৱসায়ৰ দ্বাৰাহে শক্তি ক্ৰমশঃ বৃদ্ধি পায়। অভ্যাস নহলে সকলো ক্ষমতা লুপ্ত হয়।"

ড০ ভগীৰথ নাথ
মুখ্য সম্পাদক

## সূচীপত্ৰ


প্ৰবন্ধ ঃ

| | | | |
|---|---|---|---|
| ১। | ইতিহাসৰ মাজেৰে নৱজ্যোতি মহাবিদ্যালয় | - আব্দুছছাত্তাৰ আহ্‌মেদ | ১ |
| ২। | নৱজ্যোতি মহাবিদ্যালয়ৰ জন্ম-যন্ত্ৰণাৰ ইতিহাস সম্পৰ্কে দুএষাৰ | - এম. মোজাম্মেল হুছেইন | ১৩ |
| ৩। | এটি শৈক্ষিক বিপ্লৱৰ পম খেদি | - আৰশ্বাদ আহমেদ | ২২ |
| ৪। | বৃহত্তৰ পশ্চিম বৰপেটা আৰু পূব অভয়াপুৰী অঞ্চলৰ আৰ্থ-সামাজিক অৱস্থা | - ওমৰ আলী আহ্‌মেদ | ২৫ |
| ৫। | শিক্ষা ব্যৱস্থাৰ সন্ধিক্ষণত শিক্ষকৰ ভূমিকা | - আঃ কদ্দুছ খাঁন | ২৯ |
| ৬। | কষ্টোপাৰ্জিত ৰাইজৰ 'জ্ঞানমন্দিৰ' নৱজ্যোতি মহাবিদ্যালয়-কলগাছিয়া | -খন্দকাৰ আব্দুল গফুৰ | ৩২ |
| ৭। | শিশুৰবিকাশত পৰিবেশৰ ভূমিকা | - আলহাজ সেখ মঃ আবুল হাসেম | ৩৪ |
| ৮। | মানুহ হোৱাৰ বাসনা (গল্প) | - এম. কায়েম তালুকদাৰ | ৩৭ |
| ৯। | বৃহত্তৰ কলগাছিয়াৰ শিক্ষা আন্দোলন ঃ এটি চমু আলোকপাত | - আনোৱাৰ হুছাইন | ৪০ |
| ১০। | নৱজ্যোতি মহাবিদ্যালয়ৰ শৈক্ষিক পৰিবেশ | - এম.কে. জামান | ৪২ |
| ১১। | ৰূপালী জয়ন্তীৰ সোনালী স্মৃতি ঃ- প্ৰসঙ্গ নৱজ্যোতি মহাবিদ্যালয় | - মোঃ ছোৱমান আলী | ৪৫ |
| ১২। | এখন মহাবিদ্যালয়, এটা অঞ্চল আৰু এটা জনগোষ্ঠী | - আব্দুল খালেক | ৪৮ |

কবিতাঃ

| | | | |
|---|---|---|---|
| ১৩। | প্ৰশস্তি | - ঠাকুৰ ওজা | ৫১ |
| ১৪। | মই মোৰ আৰম্ভণি আৰু সামৰণিত | - আহাম্মদ আলী | ৫৩ |
| ১৫। | যাত্ৰী | - নুৰ নেহাৰ খানম | ৫৪ |
| ১৬। | কবি মন | - চানমামুদ | ৫৫ |
| ১৭। | অন্বেষণ | - আব্দুল লতিফ | ৫৬ |
| ১৮। | উপহাৰ | - মিজানুৰ ৰহমান | ৫৭ |
| ১৯। | এটি গীত | - আব্দুল মাজেদ আহমেদ | ৫৮ |
| ২০। | ৰাষ্ট্ৰীয় যুগ্ম আশীৰ্বাদ | - মহঃ শ্বহৰ আলী | ৫৯ |
| ২১। | অপমৃত্যু | - আবু ছাইদ আহমেদ | ০ |
| ২২। | নৱজ্যোতি | - আব্দুছ ছাত্তাৰ আহমেদ | ১ |
| ২৩। | নিশাচৰ | - আকবৰ আলী মোল্লা | ৬২ |
| ২৪। | এটি নিশাৰ [illegible]াহাৰ | - আবুল হোছেন | ৬৩ |
| ২৫। | নৱজ্যোতি | - ছফিউৰ ৰহমান | ৬৪ |

ইংৰাজী ঃ

| | | | |
|---|---|---|---|
| ২৬। | Picture of Education in Assam and her Rural future | - A. S. Ahmed | ৬৫ |
| ২৭। | Glimpses of a Silver Jubilee celebration | - Md. Ismail Hussain | ৬৮ |
| ২৮। | To the son of Desert | - A. H. Mustaque | ৭১ |
| ২৯। | অভ্যৰ্থনা সমিতি | | ৭২ |

# ইতিহাসৰ মাজেৰে নৰজ্যোতি মহাবিদ্যালয়খন

**আব্দুছছাত্তাৰ আহ্‌মেদ এম.এ.**
অধ্যক্ষ, নৰজ্যোতি মহাবিদ্যালয়

বৰপেটা জিলাৰ কলগাছিয়াত প্ৰতিষ্ঠিত অসমৰ লক্ষ লক্ষ সংখ্যালঘু জনসাধাৰণৰ আশাৰ প্ৰদীপ নৰজ্যোতি মহাবিদ্যালয়খনৰ জন্ম বৃত্তান্ত আৰু ইয়াৰ পচিশ বছৰৰ ইতিহাস সম্বলিত ক্ৰম বিকাশৰ সোপান দাঙি ধৰাৰ পূৰ্ব্বে এই বৃহৎ অঞ্চলৰ জনসাধাৰণৰ শিক্ষাৰ প্ৰতি থকা অপৰিসীম ধাউতি সম্পৰ্কে থূল মূল এটা আভাস দিয়া প্ৰয়োজন।

উক্ত অঞ্চলৰ উত্তৰে বহাৰ পৰা দক্ষিণে ৰামাপাৰালৈ আৰু পূৱে বৰপেটাৰ পৰা পশ্চিমে অভয়াপুৰীলৈ এটা বৃহৎ অঞ্চল। এই অঞ্চলত ১৯৩১ চনত বৰ্ত্তমানৰ বঙ্গাইগাঁও জিলাৰ চাক্‌লাত এখন এম.ই. মাদ্ৰাছা স্থাপন হয়। সেই সময়ত পূৱে হাউলী হাইস্কুল আৰু পশ্চিমে অভয়াপুৰী হাইস্কুল আৰম্ভ হয়। এই অঞ্চলৰ অতি উৎসাহী কিছুমান ছাত্ৰই হাউলী আৰু অভয়াপুৰী হাইস্কুলত শিক্ষা অৰ্জন কৰিবলৈ যায় যদিও তেওঁলোক তাত নানা ধৰণৰ সমস্যাৰ সন্মুখীন হয় যাৰ ফলত তেওঁলোক তাৰ পৰা প্ৰত্যাৱৰ্ত্তন কৰিব লগা হয়। ফলত অঞ্চলৰ কিছুমান চিন্তাশীল ব্যক্তিয়ে চাক্‌লাত ১৯৪৫ চনত এখন হাইস্কুল স্থাপন কৰে। চাকলা হাইস্কুল স্থাপনৰ মুখ্য ভূমিকা গ্ৰহণ কৰে চাক্‌লাৰ মৰহুম হাজী আহাম্মদ আলী চাহাব, ধৰ্ম্মপুৰৰ শ্ৰীযুত শান্তিৰাম দাস, দেওঁকুৰা গাওঁৰ মৰহুম আঃ মজিদ দেৱান, মনাকচাৰ মৰহুম হাজী জুবান আলী ও অন্যান্য কিছুমান মহান ব্যক্তিয়ে।

চাক্‌লা হাইস্কুল স্থাপন হোৱাৰ ফলত এই অঞ্চলত শিক্ষাৰ পোহৰ বিয়পিবলৈ ধৰে। বৃটিছ শাসন কালত তেতিয়াৰ পূৰ্ব্ব বঙ্গৰ পৰা খালি হাতেৰে মাথোন অন্য আৰু কৰ্ম্মসংস্থান বিচাৰি অহা এই অঞ্চলৰ সংখ্যা লঘু জনসাধাৰণে হেজাৰ বিঘিনি নেওচি তেওঁলোকৰ সতি-সন্ততি সকলৰ কাৰণে শিক্ষা অৰ্জনৰ সুবিধা কৰি দিয়াত আগভাগ লৈছিল। কিন্তু শিক্ষাৰ এই গতি ৰুদ্ধ কৰিলে ১৯৫০ চনৰ সাম্প্ৰদায়িক সংঘৰ্ষই। ১৯৫০ চনৰ সাম্প্ৰদায়িক সংঘৰ্ষৰ ফলত বহুত মানুহ তেতিয়াৰ পূৱ পাকিস্থানলৈ আশ্ৰয়ৰ বাবে গুচি গৈছিল। ১৯৫০ চনৰ সাম্প্ৰদায়িক সংঘৰ্ষ নহলে ষাঠিৰ দহকতেই হয়তো নৰজ্যোতি মহাবিদ্যালয়খন চাকলাতেই স্থাপন হ'লহেঁতেন। সেই সাম্প্ৰদায়িক সংঘৰ্ষই এই অঞ্চলৰ জনগণক শিক্ষা আৰু আৰ্থিক দিশত ১০ বছৰ পিছুৱাই দিলে।

১৯৬০ৰ দশকত এই অঞ্চলৰ গুনিয়ালগুৰি, বালাগাওঁ লাংলা, বৰভিটা, বালিকুৰি, ময়নবৰি, জনীয়া কাদং আদি ঠাইত হাইস্কুল স্থাপন হয়। সেই দশকতে এই অঞ্চলৰ ৰাইজে উচ্চ শিক্ষাৰ চিন্তা-চৰ্চ্চা কৰিবলৈ আৰম্ভ কৰে। সেই সময়ত টাউন, চহৰত থকা কলেজত গৈ উচ্চশিক্ষা লাভ কৰা বৰ টান কাম আছিল - যাতায়াত আৰু আৰ্থিক দিশত। ১৯৬০ চনলৈকে এই বৃহৎ অঞ্চলত গুনিয়ালগুৰিৰ জনাব আঃ ৰাজ্জাক চাহাব একমাত্ৰ বি.এ. ও এম. এ. পাচ ব্যক্তি আছিল। ১৯৭০ চনৰ ভিতৰত ভালে কেইজনমান এম.এ.পাচ কৰা ব্যাক্তি ওলাল। ৰাইজৰ মাজত কলেজ স্থাপনৰ গুণাগথা আৰম্ভ হ'ল।

১৯৬৬ চনত হাউলী অঞ্চলৰ জনাব ৰোমেজ উদ্দিন চাহাবে কলগাছিয়াত তেওঁৰ আইতাক (দাদীৰ) খৰচ (কাজ) কৰে। তেওঁ নিমন্ত্ৰিত ৰাইজৰ আগত প্ৰস্তাৱ ৰাখেযে কলগাছিয়াত এখন কলেজ হব লাগে। আৰ্থিকতাৰ

ফালৰ পৰা দুখীয়া হ'লেও মানসিকতাৰ ফালৰ পৰা কলগাছিয়া অঞ্চলৰ ৰাইজ ধনী। সেয়ে ইয়াৰ ৰাইজে কলেজ কৰাৰ বাস্তৱ চিন্তা-চৰ্চ্চা কৰিবৰলৈ আৰম্ভ কৰে।

১৯৬৮ চনৰ ১৫ জানুৱাৰীত কলগাছিয়াত কলেজ স্থাপনৰ উদ্দেশ্যে এখন বিৰাট সাধাৰণ সভা অনুষ্ঠিত হয়। সেই সভাত উপস্থিত থাকে তেতিয়াৰ জনীয়া বিধান সভাৰ বিধায়ক মৰহুম আতাউৰ ৰহমান, লাংলাৰ মৰহুম মুছলিম উদ্দিন আহমেদ, তিতাপানী মৌজাৰ মৌজাদাৰ মৰহুম ইন্তাজ আলী চৌধুৰী, মৰহুম জনাব আব্দুল কাদেৰ (বাবু), সাহাবুদ্দিন সৰকাৰ, আলহাজ-বাহাৰুদ্দিন আহ্মেদ, মৰহুম মুজাফৰ আলী ভূঞা, মৰহুম ইমান আলী মাষ্টাৰ, মৰহুম আঃ হামিদখান, মৰহুম ইয়াছিন আলী মণ্ডল, হাকিমুদ্দিন মণ্ডল, আঃ কাদেৰ (দীগজানি), জনাব ইছাহাক আলী, আঃ কৰিম দেৱানী, ডাঃ ছোহৰাব আলী আদি কৰি এই অঞ্চলৰ গন্যমান্য ব্যক্তি। মই তেতিয়া এম. এ. চূড়ান্ত বৰ্ষৰ ছাত্ৰ। ময়ো সভাত উপস্থিত আছিলো। সভাত তেতিয়াৰ বিধায়ক ডাঙৰীয়াই কলেজৰ কাৰণে ১ লাখ টকা তহবিল জমা কৰি কলেজ কৰিবৰলৈ পৰামৰ্শ আগ বঢ়ায় যদিও উপস্থিত ৰাইজে তাৰ বিৰোধিতা কৰে। ৰাইজে নখ জোকাৰিলে নৈ বয়। সেই সভাতেই কলেজ কৰাৰ সিদ্ধান্ত লোৱা হয়, কিন্তু কলেজৰ স্থানলৈ মতভেদ হয়। কলগাছিয়া, গুনিয়ালগুৰি আৰু বালাগাওঁ- এই তিনিখন ঠাইৰ প্ৰস্তাৱ কৰা হয়। স্থান নিৰ্ণয়ৰ মতানৈক্যৰ ওৰ পেলাইছিল মৰহুম আঃ কাদেৰ (বাবু)ৰ এটি বুদ্ধিমত্তা ও কৌশলপূৰ্ণ প্ৰস্তাৱে। প্ৰস্তাৱটো আছিল এনেধৰণৰ - "মৌজাদাৰক আমি সৰু ৰজাবুলি ভাবো। কলগাছিয়া, গুনিয়ালগুৰি আৰু বালাগাঁও- এই তিনিটা ঠাইৰ ভিতৰত উপযুক্ত ঠাইখনক মৌজাদাৰ চাহাবে বাছনি কৰি দি ৰজাৰ দৰে কাম কৰক।" ৰাইজেও কথাটোত হয়ভৰ দিলে। মৌজাদাৰ চাহাবে অলপ চিন্তা কৰি কলগাছিয়া ঠাইখনেই উপযুক্ত বুলি ঘোষণা কৰিলে। পৰম কৰুণাময়েও সম্ভৱত তেতিয়াই কলেজৰ স্থান কলগাছিয়া বুলিয়েই লিপিবদ্ধ কৰিলো। ইয়াৰ পাছৰ অধ্যায় কলেজখনৰ নামকৰণ। তেতিয়াৰ বিধায়ক মৰহুম আতাউৰ ৰহমান চাহাবেই কলেজখনৰ নাম বৰ্ত্তমান নামেৰেই অৰ্থাৎ নৱজ্যোতি কলেজ নামেৰে নামকৰণ কৰিছিল। উপস্থিত ৰাইজে হৰ্ষ উল্লাসেৰে ইয়াক সমৰ্থন জনাইছিল। ইয়াৰ পাছতো আৰু এটা উৎসাব্যঞ্জক অধ্যায় উল্লেখযোগ্য। পূৱ কলগাছিয়াৰ বাগানী বুঢ়াই কলেজলৈ এটা আনাৰস আৰু ৪টা লেবু দান দিয়ে। কলেজৰ স্বাৰ্থত আনাৰসটো ২৫.০০ টকাত আৰু লেবু ৪টা ২০.০০ টকাত বিক্ৰী হয়। অথচ সেই সময়ত আনাৰস এটাৰ দাম আছিল .৫০ পইচা আৰু লেবু টকাত ২০ টাকৈ বজাৰত বিক্ৰী হৈছিল। কলেজ এই অঞ্চলৰ ৰাইজৰ প্ৰাণৰ স্পন্দনত ৰজন্‌জনাই আছিল বুলি ওপৰত উল্লেখ কৰা ঘটনাৰ পৰা বুজিব পাৰি। কলেজখনৰ সভাপতি আৰু সম্পাদক ৰূপে নিৰ্ব্বাচিত হয় ক্ৰমে লাংলাৰ মৰহুম মুছলিম উদ্দিন আহ্মেদ আৰু বিধায়ক (মৰহুম) আতাউৰ ৰহমান।

কলগাছিয়াত কলেজ হব লাগে বুলি যদিও সিদ্ধান্ত হৈছিল, ইয়াৰ কাৰণে লাগি থকা মানুহৰ অভাৱ আছিল আৰু সেয়ে কিছুদিনৰ কাৰণে উৎসা-উদ্দীপনা স্থবিৰ হৈ আছিল। সেই ১৯৬৮ চনতেই চেনিমাৰী, বালাগাওঁ আদি ঠাই অঞ্চলতো কলেজৰ স্থান হব লাগে বুলি দাবী চলি আছিল। গুনিয়ালগুৰিৰ আলহাজ বাহাৰুদ্দিন আহমেদ চাহাবে গুনিয়ালগুৰিত কলেজ হব লাগে বুলি বৰকৈ খাটনি ধৰিছিল। আনকি তেওঁ ১৯৬৮ চনৰ আগষ্ট মাহৰ ১২ তাৰিখৰ কলেজৰ প্ৰথম চাঁদা ১৩৫.০০ টকা বালিকুৰি বজাৰত আদায় কৰিছিল। সেই কালেকশ্বনত ময়ো আছিলো। ইয়াৰ পাছত মোৰ বেলেগ ঠাইত চাকৰি হোৱাত সকলোৰে মতামত স্যাপেক্ষে গুচি যাও।

১৯৬৯ চনত মোঃ মোজাম্মেল হুছাইন চাহাব আইন পৰীক্ষা শেষ কৰি গুনিয়ালগুৰিলৈ আহে আৰু



কলেজ কৰাৰ কাৰণে উঠি পৰি লাগে। কলেজ কৰাৰ কাৰণে তেওঁৰ দৃঢ়তা আছিল অলৰ-অচৰ। তেওঁ এদিন মোক আক্ষেপৰ সুৰত কৈছিল- 'চাওক, শিলচৰৰ কোনো বা এখন কলেজত মই ইন্টাৰভিউ দিছিলো। মোৰ পৰীক্ষাৰ নম্বৰ সকলো প্ৰাৰ্থীতকৈ বেছি থকা সত্বেও তেওঁলোকে মোক চাকৰি নিদিলে সেয়ে মই ভাবিছো যে আমিয়ে বেলেগক চাকৰি দিম।' ওপৰত উল্লেখ কৰা তেওঁৰ উক্তিৰ পৰা সহজে কব পাৰি যে তেওঁৰ দৃঢ়তা কিমান গভীৰ আছিল। নৱজ্যোতি কলেজ স্থাপনৰ আন্দোলনত মোঃ মোজাম্মেল হুছাইন চাহাবে সম্পূৰ্ণ ভাবে আত্মোনিয়োগ কৰিছিল। যদিও তেতিয়াৰ বিধায়ক আতাউৰ ৰহমান চাহাবক ৰাইজে সম্পাদক আৰু মোজাম্মেল চাহাবক যুটীয়া সম্পাদক পাতিছিল, দৰাচলতে মোজাম্মেল চাহাবেই সম্পাদকৰ দায়িত্ব পালন কৰিছিল।

১৯৬৯ আৰু ১৯৭০ চন দুটাত নৱজ্যোতি কলেজৰ স্থান নিৰ্ণয়লৈ মতভেদ গা কৰি উঠিছিল। ১৯৬৯ চনৰ ১৪ ডিচেম্বৰত কলগাছিয়াত বহা সাধাৰণ সভাই তলত দিয়া ব্যাক্তি সকলক সাঙুৰি স্থান নিৰ্ণয় কমিটি গঠন কৰি দিয়ে।

| | |
|---|---|
| ১। মৰহুম আতাউৰ ৰহমান, | উপাধ্যক্ষ, অসম বিধান সভা। |
| ২। মৰহুম মুছলিম উদ্দিন আহ্মেদ, | সভাপতি, নৱজ্যোতি কলেজ। |
| ৩। মৰহুম আঃ কাদেৰ (বাবু), | সদস্য, ৰূঃ আঃ পঞ্চায়ত। |
| ৪। মৰহুম ইন্তাজ আলী চৌধুৰী, | মৌজাদাৰ তিতাপানী। |
| ৫। শ্ৰী ৰাজেন দাস, | মৌজাদাৰ, ৰূপসী। |
| ৬। মৰহুম আঃ হামিদ খান, | বালাৰ পাথাৰ। |
| ৭। মৰহুম আঃ ৰশিদ খান, | নাম্বাৰ পাৰা। |
| ৮। মৰহুম মুজাফৰ আলী ভূঞা, | বলাই পথাৰ। |
| ৯। মৰহুম ওছিমুদ্দিন দেৱানী, | কোকিলা পূৱ পাৰা। |
| ১০। মৰহুম তৰু মিয়া, | মৌলভীপাৰা। |
| ১১। মৰহুম ইসান আলী মাষ্টাৰ, | কলগাছিয়া। |
| ১২। মৰহুম জালাল উদ্দিন আহ্মেদ, | বিধায়ক, বাঘবৰ। |
| ১৩। শ্ৰী কে. এন. বনিক্য, | বিধায়ক, অভয়াপুৰী। |
| ১৪। আলহাজ বাহৰুদ্দিন আহ্মেদ, | গুনিয়ালগুৰি। |
| ১৫। বছিৰউদ্দিন আহ্মেদ, | এম.এ. চাক্লা। |
| ১৬। মঃ মোজাম্মেল হুছাইন, | শ'লমাৰী। |
| ১৭। শ্ৰী মহেন্দ্ৰ নাৰায়ন অধিকাৰী, | ৰাঙ্গাপানী। |
| ১৮। ময়েজুদ্দিন আহ্মেদ, | বালাগাও। |
| ১৯। মৌ গোলাম ছৰোৱাৰ, | লাংলা। |
| ২০। ইছাহাক আলী মুন্সী, | ময়নবৰি। |

২১। মিজানুৰ ৰহমান, শ্বিয়তপুৰ।

২২। ডঃ আবুল হুছাইন, বালিকুৰ।

২৩। আবুল হাশেম, বি.এ. বি.টি. হালধিয়া।

২৪। সাহাবুদ্দিন সৰকাৰ, খাৰবাল্লি।

২৫। আঃ কদ্দুছ খাঁন, বলাইপথাৰ।

১৯৬৯ চনৰ ২০/১২/৬৯ ইং তাৰিখত উক্ত কমিটিৰ বৈঠক বৰভিটা হাইস্কুল প্ৰাঙ্গনত অনুষ্ঠিত হয়। উক্ত বৈঠকত ৩০ বিঘা মাটি কলেজৰ কাৰণে প্ৰয়োজন বুলি সিদ্ধান্তলৈ এই মাটি সংগ্ৰহৰ ওপৰত গুৰুত্ব দিয়া হয়। বলাইপথাৰৰ মৰহুম মুজাফৰ আলী ভূঞাই কলগাছিয়াত কলেজখন হলে ৩০ বিঘা মাটি সংগ্ৰহ কৰি দিয়াৰ প্ৰতিশ্ৰুতি দিয়ে। সেইদৰে বালাগাওঁ আৰু গুণিয়ালগুৰিৰ প্ৰস্তাৱ ক্ৰমে মৰহুম ইন্তাজ আলী চৌধুৰী আৰু গুণিয়ালগুৰিৰ আলহাজ বাহাৰুদ্দিন আহ্‌মেদ চাহাবে আগবঢ়ায়। শেষত সভাই মৰহুম আতাউৰ ৰহমান চাহাবৰ ওপৰত স্থান নিৰ্ণয়ৰ দায়িত্ব অৰ্পন কৰে। মৰহুম আতাউৰ ৰহমান চাহাবে কলগাছিয়া আৰু গুণিয়ালগুৰিৰ মাজৰ এখন ঠাই অৰ্থাৎ নৱজ্যোতি মহাবিদ্যালয়ৰ বৰ্তমান স্থান নিৰ্ণয়কৰি দি স্থান নিৰ্ণয়ক বিৰোধৰ ওৰ পেলায়। ১৯৭০ চনৰ ২৬ জানুৱাৰীৰ কলগাছিয়াত বহা সাধাৰণ সভাই স্থান নিৰ্ণয় বিষয়টো অনুমোদন কৰে। কলগাছিয়াত কলেজ স্থাপনত মাটি সংগ্ৰহৰ গধুৰ দায়িত্ব বহন কৰে -

১। আঃ কাদেৰ (বাবু), স.ৰূ. আঞ্চলিক পঞ্চায়ত।

২। সাহাবুদ্দিন সৰকাৰ

৩। ইমান আলী মাষ্টাৰ

৪। মুজাফৰ আলী ভূঞা

৫। আঃ কদ্দুছ দেৱানী

৬। কুদ্ৰত উল্লাহ তালুকদাৰ

৭। শেখ ইছাহক আলী বি.এ.

৮। আঃ কৰিম দেৱানী

৯। মামুদ আলী বেপাৰী

১৯৭০ চনত কলেজৰ টিউটোৰিয়াল ক্লাচ খোলাৰ সিদ্ধান্ত লোৱা হয়। কলগাছিয়াত ঘৰৰ অসুবিধাৰ কাৰণে গুণিয়ালগুৰি হাইস্কুলত ১৯৭০ চনৰ ৫ আগষ্টত ক্লাচ খোলা হয়। শ্ৰেণীৰ দ্বাৰ মুকলি কৰে সৰভোগৰ জনাব ৰোমেজ উদ্দিন চাহ্‌বে। তাত ছাত্ৰ হিচাপে নাম লগায় তলত দিয়া ব্যক্তি সকলে-

১। আঃ ছাতাৰ (বৰ্তমান চাৰ ৰেজিষ্ট্ৰী কাৰ্যালয়ত)

২। ওমৰ আলী চৰকাৰ।

৩। আঃ গফুৰ তালুকদাৰ।

৪। মহম্মদ আলী মাষ্টাৰ।



গুনিয়ালগুৰি হাইস্কুলত টিউটোৰিয়াল ক্লাচ আৰম্ভ কৰা নৱজ্যোতি কলেজৰ শিক্ষক সকল আছিল-

১। বছিৰুদ্দিন আহমেদ এম.এ. অধ্যক্ষ।

২। মোঃ মোজম্মেল হুছাইন - উপাধ্যক্ষ।

৩। শ্ৰীযুত কন্দৰ্প কুমাৰ গোস্বামী- অসমীয়া।

৪। মঃ খোৰশেদ আলম - ভূগোল।

১৯৭০ চনৰ ২০ অক্টোবৰৰ ষ্টিয়াৰিং কমিটিৰ সিদ্ধান্ত মৰ্ম্মে গুনিয়ালগুৰি হাইস্কুলৰ পৰা কলগাছিয়ালৈ কলেজৰ পাঠদানৰ কাম স্থানান্তৰিত কৰাৰ সিদ্ধান্ত লোৱা হয়। কলেজৰ বৰ্তমানৰ আটাইতকৈ পুৰাণ ঘৰখন ১৯৭০-৭১ চনত নিৰ্ম্মাণ কৰা হয় কলেজখনৰ কাম-কাজ কৰাৰ বাবে।

১৯৭১ চনৰ ২০ জুনৰ বৈঠকত কলেজৰ প্ৰাক্ বিশ্ববিদ্যালয় শ্ৰেণী খোলাৰ অনুমতি বিচাৰিবৰ বাবে তলত দিয়া ব্যক্তি সকলক সাঙুৰি এটা সজাতিদল পঠোৱাৰ সিদ্ধান্ত লোৱা হয়। দলটোত অন্তৰ্ভুক্ত আছিল

১। আঃ কাদেৰ (বাবু) সভাপতি ৰূপসী আঃ পঞ্চায়ত

২। সাহাবুদ্দিন সৰকাৰ

৩। মুজাফৰ আলী ভূঞা

৪। মোজাম্মেল হুছাইন

৫। আঃ কদ্দুছ দেৱানী

৬। আঃ কাদেৰ (দীঘজানি)

৭। ইমান আলী মাষ্টাৰ

৮। জালাল উদ্দিন আহ্‌মেদ (বিধায়ক, বাঘবৰ)

৯। মঃ মাদিম বয়াতী।

উক্ত সজাতি দলটোৱে বিশ্ববিদ্যালয়ৰ তেতিয়াৰ উপাচাৰ্য্য শ্ৰীযুত সুৰেশ ৰাজখোৱাদেৱক ইমানেই কাতৰ অনুৰোধ্ কৰিছিল যে আঃ কাদেৰ (বাবু)ৰ কৌশলপূৰ্ণ অনুৰোধত উপাচাৰ্য্য ডাঙৰীয়াই কলেজখন পৰিদৰ্শন সাপেক্ষে অনুমতি দিব বুলি সজাতি দলটোক জনাই দিয়ে। ইয়াৰ কিছুদিন পিচত বিশ্ববিদ্যালয় কৰ্তৃপক্ষই তেতিয়াৰ বিশ্ববিদ্যালয় শ্ৰেণী সমূহৰ সচিব শ্ৰীযুত এছ. পি. দাস ডাঙৰীয়াক পৰিদৰ্শনৰ বাবে পঠিয়াই দিয়ে। ইফালে কলেজৰ ওৰ্ৱাকিং ফাণ্ডত কমেও ১৫,০০০.০০ হেজাৰ টকা দেখুৱাব লাগে। পৰিদৰ্শনৰ আগতে এই টকা তলত দিয়া ব্যক্তি সকলৰ পৰা ঋণ লোৱা হয়।

| | |
|---|---|
| ১। আঃ কাদেৰ বাবু | ৩০০০.০০ |
| ২। গোপাল (আবুবককাৰ) | ২০০.০০ |
| ৩। খঃ আঃ মান্নান | ৫০০.০০ |
| ৪। আঃ কাদেৰ | ৩০০০.০০ |
| ৫। ময়েজুদ্দিন আহ্‌মেদ | ১০০০.০০ |

৬। মজিবৰ মোল্লা ১০০০.০০

৭। বছিৰ উদ্দিন আহ্‌মেদ ১০০০.০০

৮। আঃ ছামাদ গাওঁবুঢ়া (দীঘজানি) ১০০০.০০

৯। সাহাবুদ্দিন সৰকাৰ ১০০০.০০

১০। সহৰ আলী ১০০০.০০

১১। ইমান আলী মাষ্টাৰ ৩০০০.০০

কলেজৰ নৈমত্তিক তহবিলত মুঠ ১০২০০.০০টকা দেখুৱা হৈছিল। তেতিয়াৰ ১০,২০০.০০ টকাৰ বৰ্ত্তমান মূল্য প্ৰায় ২ লাখ টকা হব।

১৯৭১ চনতেই নৱজ্যোতি মহাবিদ্যালয়ে এই অঞ্চলৰ লক্ষ লক্ষ জনগনক চিৰ দিন পোহৰ বিলাই উন্নতিৰ জখলা বগোৱাৰ প্ৰতিশ্ৰুতিৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অনুমতি লাভ কৰে। সেই চনৰে ১৬ আগস্ট তাৰিখত অনুমতি প্ৰাপ্ত নৱজ্যোতি মহাবিদ্যালয়ৰ প্ৰাক-বিশ্ববিদ্যালয়ৰ শ্ৰেনী মুকলি কৰে বিশ্ববিদ্যালয়ৰ আৰবী বিভাগৰ মূৰব্বী অধ্যাপক জনাব আঃ লতিফ চাহাবে।

১৯৭১ চনত কলেজৰ মুঠ ছাত্ৰৰ সংখ্যা আছিল ৭৫জন। কলেজত সেই চনত তলত দিয়া ব্যক্তিসকল শিক্ষক ও কৰ্ম্মচাৰী হিচাপে নিয়োজিত হৈছিল।

১। বছিৰ উদ্দিন আহ্‌মেদ - অধ্যক্ষ

২। আঃ ছাত্তাৰ আহ্‌মেদ - উপাধ্যক্ষ

৩। শ্ৰীযুত কন্দৰ্প কুমাৰ গোস্বামী - অসমীয়া বিভাগ

৪। ওমৰ আলী আহমেদ - ইতিহাস বিভাগ

৫। আব্দুছ ছালাম - কাৰ্য্যালয় সহায়ক

৬। আঃ বাৰেক - পিয়ন

১৯৭১-৭২ চনৰ আগলৈকে মঃ মোজাম্মেল হুছাইন কলেজখনৰ উপাধ্যক্ষ আছিল।

১৯৭১-৭২ চনতেই কলেজখনে বিশ্ববিদ্যালয়ৰ এফিলিয়েশ্বন পায়। 'এফিলিয়েশ্বন'ৰ কাৰণে স্থায়ী জমা ১০,০০০.০০ টকাৰ প্ৰয়োজন হৈছিল। এই টকা তলত দিয়া ব্যক্তি সকলে দান দিছিল ও বাকী টকা ৰাইজৰ পৰা সংগ্ৰহ কৰা হৈছিল।

১। আবুল হাশেম বি.এ. বি.টি ১০০০.০০

২। দেৱান আঃ হামিদ ১০০০.০০

৩। খন্দকাৰ আঃ মান্নান ১০০০.০০

৪। ময়েজুদ্দিন আহ্‌মেদ ১০০০.০০

৫। বছিৰুদ্দিন আহ্‌মেদ ১০০০.০০

৬। আঃ কাদেৰ (দীপজানি) ৫০০.০০



কলেজখনৰ আৰ্থিক অৱস্থা অতি শোচনীয় আছিল। আমাৰ মাহিলি দৰমহা ৫০/- টকাকৈ আছিল। এৰিয়াৰ বেছি হৈ গলে আমি এৰিয়াৰ টকা বাদ দি নতুনকৈ হিচাপ কৰিব লগা হৈছিল। প্ৰতি মাহে গাওঁ ভূঁই আৰু স্থানীয় বজাৰবোৰৰ পৰা আমি বৰঙনি বিচাৰি ফুৰিব লগা হৈছিল। কলগাছিয়া আৰু গুনিয়ালগুৰি বজাৰ দুখনৰ আয় কলেজ তহবিললৈ আহি আছিল।

১৯৭৩ চনৰ ২ জানুৱাৰীলৈ বছিৰ উদ্দিন চাহাব কলেজখনৰ অধ্যক্ষ হিচাপে আছিল। ১৯৭৩ চনৰ ৩ জানুৱাৰী তাৰিখৰ পৰা মোক অধ্যক্ষ হিচাপে কমিটিয়ে নিয়োগ দিয়ে। তেতিয়া মঃ মোজাম্মেল হুছাইন চাহাব উপাধ্যক্ষ আৰু সম্পাদক। আমি কলেজৰ ডিগ্ৰী ক্লাচ খুলিব পৰা নাই। আটাইতকৈ ডাঙৰ সমস্যা আছিল যে ডিগ্ৰীক্লাচ খুলিবলৈ হলে ৫০,০০০.০০ টকা স্থায়ী জমা হিচাপে থাকিব লাগিছিল তেতিয়াৰ কমিটিৰ সভাপতি মুছলিমউদ্দিন চাহাবৰ সৎপৰামৰ্শ আঃ কাদেৰ চাহাবৰ সক্ৰীয় ভূমিকা আৰু নেতৃস্থানীয় ব্যক্তি আৰু ৰাইজৰ সহযোগত ৰাইজে বৰঙনি দিয়া চেনিৰ কোটাৰ পৰা টকা সংগ্ৰহ কৰি আমি স্থায়ী জমা কলেজ তহবিলত বঢ়াই আছিলো। আনফালে ডিগ্ৰীক্লাচ খোলাৰ বাবে ১৯৭৫ চনৰ পৰাই আমি চেষ্টা চলাইছিলো যদিও সেই চনত সফল হোৱা নাছিলো। চৰকাৰে তেতিয়া ডিগ্ৰীক্লাচ খোলাৰ বাবে প্ৰয়োজনীয় 'কনকাৰেঞ্চ' বন্ধ কৰি থৈ দিছিল। এই প্ৰসঙ্গত এটা কথা ইয়াত উল্লেখ নকৰাকৈ থাকিব নোৱাৰিলো। মই আৰু মোজাম্মেল চাহাব আইন মন্ত্ৰী জনাব ছৈয়দ আহাম্মদ আলী চাহাবক জনতা ভবনত লগ ধৰি সকলো কথা বিৱৰি কলো। মন্ত্ৰীমহোদয়ে কথাটোত ইমানেই গুৰুত্ব দিলে যে তেখেত ৫ ঘন্টা সময় আমাক তেওঁৰ জনতা ভৱনৰ কাৰ্য্যালয়ত বহুৱাই ৰাখি গোটেই অসমৰ কলেজবোৰৰ কাৰণে বন্ধ কৰি ৰখা ফাইলখন খালাচ কৰি আইন বিভাগৰ সচীবৰ ওচৰত পঠিয়াই দিহে আমাক ফাইলৰ পিচে পিচে থাকিবলৈ পৰামৰ্শ দিলে। আইন বিভাগে সেই দিনাই 'কনকাৰেঞ্চ' মুকলাই দিলে। আমি 'কনকাৰেঞ্চ' পালো। সন্তুষ্টিলৈ আমি দুজনে আলোচনা কৰিছিলো যে কষ্ট কৰিলো আমি এতিয়া সুযোগ গ্ৰহণ কৰিব অসমৰ আটাইবোৰ কলেজে। কোনেও নাজানিব যে কেনেকৈ হঠাতে চৰকাৰে 'কনকাৰেঞ্চ'ৰ ফাইলখন মুকলাই দিলে। ইয়াৰ পাচত মন্ত্ৰীমহোদয়ক ধন্যবাদ দিবলৈ যাওঁতে তেখেতে আমাক চাহ খুৱাই বিদায় দিছিল।

১৯৭৫-৭৬ চনত স্নাতক শ্ৰেণীখোলা হয়। ১৯৭৬ চনৰ ভিতৰত প্ৰয়োজনীয় ৫০,০০০.০০ হাজাৰ টকাৰ ভিতৰত ৪১,০০০.০০ টকাহে আমি সংগ্ৰহ কৰিবলৈ সক্ষম হও। সৰভোগৰ শ্ৰী পৰেশ দে নামৰ ব্যক্তিজনৰ এন.এছ.ছি. সংগ্ৰহত কিছুটকাৰ অবদান কলেজখনলৈ আছে।

১৯৭৬ চনৰ ডিচেম্বৰ মাহৰ সাধাৰণ সভাৰ সিদ্ধান্তমতে বালাগাওঁৰ জনাব ময়েজুদ্দিন আহ্‌মেদ চাহাব কমিটিৰ সম্পাদক হয়। মই যুটীয়া সম্পাদক। তেতিয়ালৈ কলেজখনৰ প্ৰধান ঘৰখনৰ দুখন কোঠালি অসম্পূৰ্ণ অৱস্থাত কৰা হৈছিল। শ্ৰেণীৰ কোঠালিৰ অভাৱ, শিক্ষক সকলৰ দৰমহাৰ বাকী পৰি থকা ২৫,০০০.০০ টকা আৰু স্থায়ী জমা ৯০০০.০০ টকা। এই তিনিটা প্ৰধান সমস্যা। ময়েজুদ্দিন আহ্‌মেদ চাহাব ইমানেই নিশ্বাৰ্থভাবে দায়িত্ব পালন কৰিছিল যে তেওঁ ১৯৭৯ চনৰ আগষ্ট মাহলৈকে সম্পাদক হিচাপে থকা কালছোৱাত যেন 'কালেকশ্বন' কৰা আৰু কলেজৰ কাম কৰাই তেওঁৰ কাম আছিল। আমি দুজনে প্লান কৰিছিলো যে প্ৰথমে আমি শিক্ষক সকলৰ বাকী থকা ২৫,০০০.০০ টকা পৰিশোধ কৰিম, স্থায়ী জমা ৯০০০.০০ সংগ্ৰহ কৰিম আৰু বিল্ডিংৰ কাম কৰিম। আমি সেইমতে কাম কৰি সফলও হৈছিলো। এই ক্ষেত্ৰত মৰহুম আতাউৰ ৰহমান চাহাব আৰু বঙ্গাইগাঁও আৰু তিতাপানী মৌজাৰ ৰাইজৰ আকুণ্ঠ সহায় সহযোগিতা পাইছিলো।

১৯৭৯ চনৰ ১ম চেপ্তেম্বৰৰ পৰা কলেজ খনে ক'লা শাখাত ঘাটি মঞ্জুৰি পায়। তেতিয়াও কলেজখনৰ একশ-এবুৰি সমস্যা। ১ টকা দুটকাকৈ চাঁদা সংগ্ৰহ কৰি ইমান ডাঙৰ অনুষ্ঠান গঢ়ি তোলাত যথেষ্ট কায়িক শ্ৰম কৰিব লগা হৈছিল।

১৯৮০ চনৰ অসম আন্দোলনে অঞ্চলৰ ছাত্ৰ আৰু অভিভাৱক সকলৰ কাৰণে নতুন সমস্যাৰ সৃষ্টি কৰে। বিশেষকৈ বিজ্ঞান শাখাত উচ্চশিক্ষা গ্ৰহণত চহৰ-নগৰত গাওঁৰ ছাত্ৰ-ছাত্ৰী সকলে সন্মুখীন হোৱা সমস্যা। সেয়ে নৱজ্যোতি কলেজত অঞ্চলৰ ৰাইজে বিজ্ঞান শাখা খোলাৰ মতামত ব্যক্ত কৰে। কিছুমানে কমাৰ্চ খোলাৰ কথাও কয় যদিও মই ব্যক্তিগতভাবে ভাবো যে শ্ৰমেই যদি কৰিব লাগে তেতিয়াহলে বিজ্ঞান শাখাই খুলিম।

১৯৮০ চনৰ ৭ ডিচেম্বৰত ওপৰত উল্লেখ কৰা কাৰ্য্যসূচীৰে এখন বিৰাট সাধাৰণ সভা অনুষ্ঠিত হয়। তাত বৰপেটাৰ পৰা এড্‌ভোকেট জনাব মুক্তাৰ আলী মৌলবী, জনাব আলী আকবৰ চাহাব, জনাব আঃ লতিফ চাহাবকে আদি কৰি ভালে কেইজনমান অধিবক্তাই চাইকেলেৰে আহি সভাত যোগদান কৰে। বিজ্ঞান শাখা খোলাৰ সিদ্ধান্ত লোৱা হ'ল। অভাব টকা আৰু ঘৰৰ। আল্লাহৰ কৃপাত সেই সময়ত তেতিয়াৰ মন্ত্ৰী শ্ৰীযুত ভূমিধৰ বৰ্ম্মন চাহাবৰ ঐকান্তিক ইচ্ছাত অসম চৰকাৰৰ লটাৰী-ফাণ্ডৰ পৰা একলাখ টকা অনুদান পাও। তিতাপানী মৌজাৰ জনাব আবুল হুছাইন গাওঁবুঢ়া, জনাব ময়েজুদ্দিন আহ্‌মেদ, জনাব আঃ কাদেৰ, আলহাজ বাহাৰুদ্দিন জনাব সহৰ আলী চাহাব, জনাব শহিদুল ইচলাম চাহাবৰ চেষ্টাত তিতাপানী মৌজাৰ ৰাইজে বৰ্ত্তমানৰ উচ্চতৰ মাধ্যমিক স্তৰৰ ৰসায়ন বিভাগৰ লেবৰেটৰী ঘৰখন কৰি দিয়ে। অঞ্চলৰ প্ৰাইমাৰী স্কুলৰ পৰা আৰম্ভ কৰি হাইস্কুল ও মাদ্ৰাছা স্তৰলৈকে সকলো শিক্ষা অনুষ্ঠানে মাহিলি হিচাপে দান বৰঙনি আগ বঢ়াবলৈ ধৰিলে। এই ক্ষেত্ৰত গুনিয়ালগুৰি হাইস্কুল, বালাগাওঁ হাইস্কুল, জি.কে এৰাবিক কলেজ, চাকলা ও লাংলা উচ্চতৰ মাধ্যমিক বিদ্যালয়, জনপ্ৰিয় হাইস্কুল, কলগাছিয়া এম.ই. মোৱামাৰী এম.ই.স্কুল, ডি.এম. বি. এম.ই.স্কুল, গুনিয়াল গুৰি এম.ভি.স্কুল, ময়নকবি উচ্চতৰ বিদ্যালয়, বালিকুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়, কে.কে. পাঠক হাইস্কুল, টি.এন.ডি. ছোৱালী হাইস্কুল, বামুনটাৰী এম.ই.স্কুল, বলাই পথাৰ এম.ভি.স্কুল, কামাৰ পাৰা এম.ই.মাদ্ৰাছা, কাদং হাইস্কুল আদিৰ নাম উল্লেখযোগ্য। অঞ্চলৰ প্ৰাইমাৰী স্কুলৰ শিক্ষকগোটবোৰে বিজ্ঞান শাখাৰ উন্নতিৰ বাবে যথেষ্ট বৰঙনি আগবঢ়াইছিল। বিশেষকৈ ডিমাপুৰৰ আঃ বাৰেক মাষ্টাৰ, দীগজানিৰ সোনামিয়া, আদিতপুৰৰ ইয়াকুব আলী, চাকলাৰ মহম্মদ আলী, চলাকুৰাৰ আঃ জলিল মানাকচাৰৰ আজিজুৰ ৰহমান মাষ্টাৰ আৰু লাংলাৰ হাজী আবু বককাৰ মাষ্টাৰ চাহাবৰ চেষ্টাক শলাগিবই লাগিব।

কলগাছিয়া আৰু খৰিচালা বজাৰ দুখন বহুদিন কলেজৰ উন্নতিৰ কাৰণে ৰাইজে এৰি দিয়ে। স্থায়ী কাৰ্য্যালয় সমূহৰ বিষয়া ও কৰ্ম্মচাৰী সকলে যথেষ্ট পৰিমানে দান বৰঙনি আগ বঢ়াইছিল। বিশেষকৈ কলগাছিয়া পি.এই.চি ও ৰূপমী উন্নয়ন খণ্ড আৰু চাৰেজিষ্ট্ৰি অফিচৰ পৰা আমি দান বৰঙনি অভাব হলেই পাইছিলো। সেয়ে সম্ভৱ হৈ উঠিছে বিজ্ঞানশাখাক বৰ্ত্তমান ৰূপ দিয়াত।

অসমৰ বহু পুৰণি কলেজবোৰে এতিয়ালৈ বিজ্ঞান শাখা খোলাৰ সাহস কৰিব পৰা নাই। কাৰণ ইয়াৰ বাবে অকল্পনীয়ভাবে অৰ্থৰ প্ৰয়োজন হয়। আমাৰ কলেজৰ লেবৰেটৰিৰ পৰিসৰ আৰু বস্তু বাহানিৰ সংখ্যা খুউব এটা ডাঙৰ নহয়। তথাপিও এই খিনি কৰোতে প্ৰায় ৫০ লক্ষ টকাৰ প্ৰয়োজন হৈছে।

নৱজ্যোতি কলেজখনে আৰ্থিক সমস্যাৰ সন্মুখীন বহুতবাৰ হৈছে। কিন্তু সমস্যাৰ বলি ই কেতিয়াও হোৱানাই। যেতিয়াই আৰ্থিক সমস্যাৰ কলা ডাৱৰে ইয়াক গ্ৰাস কৰিবলৈ আগুৱাই আহিছে, তেতিয়াই সমাধানৰ নতুন



পোহৰে ডাৱৰ গুচাই পোহৰ বিলাইছে। ১৯৮৩ চনৰ পৰা বিজ্ঞান শাখাৰ অনুমতি পোৱাৰ পিচৰ পৰা ১৯৯১ চনলৈকে কলেজখনক নিজৰ সংসাৰ বুলি বিবেচনা কৰি তলত দিয়া ব্যক্তি সকলে দিন ৰাতি মোৰ লগত যুদ্ধকালিন তৎপৰতাৰে চাদা সংগ্ৰহত ব্ৰতী হৈছিল। সেই মহান ব্যক্তি সকল হ'ল -

১। আলহাজ বাহাৰুদ্দিন আহ্‌মেদ
২। মঃ সাহাবুদ্দিন সৰকাৰ
৩। আলহাজ ময়েজুদ্দিন আহ্‌মেদ
৪। মৰহুম কুদ্ৰত উল্লাহ তালুকদাৰ
৫। জনাব আঃ কাদেৰ
৬। অধ্যাপক মতিয়াৰ ৰহমান
৭। মৰহুম দেৱান আঃ ওৱাদুদ
৮। আলহাজ আবুল হাশেম
৯। মৰহুম আঃ হামিদ দেৱান
১০। মৰহুম ইয়াছিন আলী মণ্ডল
১১। অধ্যক্ষ মতিয়াৰ ৰহমান এম.এ.বি.টি.

ইয়াৰ ওপৰিও যেতিয়াই চাদা আদায়ৰ কাৰণে মই ওলাইছিলো তেতিয়াই অনুৰোধ কৰাৰ লগে লগে ওলাইছিল প্ৰবক্তা ওমৰ আলী আহ্‌মেদ, প্ৰবক্তা আঃ ছালাম, প্ৰবক্তা শেখ ওমৰ আলী, প্ৰবক্তা ছোলেমান মণ্ডল, প্ৰবক্তা দেৱান আঃ গফুৰ প্ৰবক্তা খঃআঃ গফুৰ আৰু উপাধ্যক্ষ মহাশয়। তদুপৰি আমাৰ কলেজৰ সকলো প্ৰবক্তা ও কৰ্ম্মচাৰী সকলে বিজ্ঞান শাখাৰ উন্নতিৰ কাৰণে একেৰাহে ৭ বছৰ কাল মাহিলি বৰঙনি আগবঢ়াইছিল। তদুপৰি জনীয়া বিধান সভাৰ প্ৰাক্তন বিধায়ক জনাব গোলাম ওছমানী চাহাবৰ চেষ্টাত হোজাইৰ খ্যাতনামা আগৰবাতি ব্যৱসায়ী ও বৰ্ত্তমান অসম মন্ত্ৰীসভাৰ মন্ত্ৰী জনাব হাজী আঃ ৰৌফ চাহাবে নিজে ৩০,০০০.০০ হেজাৰ টকা আৰু কালেকশ্বন কৰি ৯,৫০০.০০ টকা কলেজখনৰ বিজ্ঞান শাখালৈ আগ বঢ়ায়। ইয়াত কেইজনমান মানুহৰ উদাৰতাৰ কথা উল্লেখ নকৰাকৈ থাকিব নোৱাৰিলো। মোৰ লগত ব্যক্তিগত ভাবে সদায় নথকা জনা ৰেফাজ উদ্দিন দেৱানী চাহাবে ১৯৭৩ চনৰ পৰাই কলেজৰ কামত সহায় সহযোগীতা আগবঢ়াই আহিছে। মানুহজন নীতিচ্যুত নহৈ আনকি ৰূপালী জয়ন্তীৰ বাবেও চাঁদা আদায় কৰি সহযোগীতা আগবঢ়াই আছে। চাকলাৰ জনাব বছিৰুদ্দিন আহ্‌মেদ চাহাবৰ উদাৰতা অতুলনীয়। তেওঁ যোৱা ১৮ বছৰ ধৰি কলেজখনৰ উন্নতিত অবিহনা যোগায়েই আছে। আৰ্থিক দিশত সহায় পাইছো জনাব খন্দকাৰ আঃ মান্নান, জনাব ফেৰদুছ আলী (আঞ্চলিক সভাপতি) চাহাবৰ পৰা। শ্ৰমদান পাইছো জনাব আঃ কদ্দুছ খাঁন, মফিজউদ্দিন ভূঞা, মৌজাদাৰ আঃ হামিদ চৌধুৰী মনোৱাৰ হুছাইন (পোঃ মাষ্টাৰ) আৰু বাঙ্গাভাঙ্গাৰ জনাব আঃ গফুৰ ফকিৰ চাহাবৰ পৰা শ্ৰীযুত মহেন্দ্ৰ নাৰায়ণ অধিকাৰী চাহাবৰ অবদান নৱজ্যোতি কলেজলৈ চিৰস্মৰণীয়। সেইদৰে আৰু বহুতো ব্যক্তিয়ে বিনা স্বাৰ্থত নৱজ্যোতি কলেজলৈ অবদান দিছে।

নৱজ্যোতি মহাবিদ্যালয়খন এই অঞ্চলৰ ৰাইজৰ বহুত ত্যাগ আৰু শ্ৰমৰ বিনিময়ত বৰ্ত্তমান ৰূপ লৈছে।

মৰহুম আঃ কাদেৰ (বাবু), মৰহুম মুছলিম উদ্দিন চাহাব, আলহাজ বাহাৰুদ্দিন আহমেদ, মৰহুম আঃ কদ্দুছদেৱানী, সাহাবুদ্দিন সৰকাৰ, আলহাজ ময়েজুদ্দিন আহ্মেদ, শ্ৰীযুত মহেন্দ্ৰ অধিকাৰী, বছিৰুদ্দিন আহ্মেদ, আলহাজ আবুল হাশেম, মৰহুম আঃ হামিদ দেৱান, মৰহুম মুজাফৰ আলী ভূঞা, মৰহুম ইমান আলী মাষ্টাৰ, মৰহুম ইয়াছিন আলী মণ্ডল, মৰহুম আনোৱাৰ হুছাইন (ডেকাৰ বৰী), অধ্যক্ষ আঃ মান্নান, মঃ ছামান আলী গাওঁবুৰা, আঃ ৰশিদখান, মৰহুম আঃ ওৱদুদ দেৱান, মৰহুম কুদ্ৰতুল্লা তালুকদাৰ, মৰহুম আব্দুল হামিদখাঁন, জনাব তৰুমিয়া, আঃ কাদেৰ চাহাব, আৰম্ভনিৰ পৰা লাগি থকা মোঃ মোজাম্মেল হুছাইন (উপাধ্যক্ষ) মৰহুম ইন্তাজ আলী চৌধুৰী মঃ সহৰ আলী (বগুলামাৰী), এই ইতিহাস লেখক, প্ৰবক্তা ওমৰ আলী আহ্মেদ, প্ৰবক্তা ছোলেমান খান হাকিমুদ্দ্ৰিন দেৱানী মঃ ৰেফাজউদ্দিন দেৱানী, আঃ কৰিম দেৱানী আঃ গনিখান, হাজী আঃ কাশেম, মহম্মদ আলী সৰকাৰ, হাজী আমজাদ আলী, আঃ ছাত্তাৰ চাহাব আৰু কিছুমান মহান ব্যক্তিৰ দূৰদৰ্শিতা, পৰিশ্ৰম আৰু ত্যাগে সম্ভৱপৰ কৰি তুলিছে আজি এই উচ্চশিক্ষাৰ প্ৰতিষ্ঠান নৱজ্যোতি মহাবিদ্যালয়খনৰ জ্ঞান বিস্তাৰৰ ব্যাপকতাক।

কৃতজ্ঞতা স্বীকাৰত ভাৰতৰ প্ৰাক্তন ৰাষ্ট্ৰপতি মৰহুম ফকৰুদ্দিন আলী আহ্মেদ, প্ৰাক্তন মন্ত্ৰী মৰহুম আতোৱাৰ ৰহমান চাহাব, গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভূগোল বিভাগৰ প্ৰাক্তন মূৰব্বী অধ্যাপক আবু তাহেৰ চাহাব, আৰু বিজ্ঞান বিভাগৰ অধ্যাপক শ্ৰীযুত চন্দ্ৰমোহন শৰ্ম্মা মহান ব্যক্তি সকলৰ সহায়, পৰামৰ্শ ত্যাগক চিৰদিন পাহৰিব নোৱাৰিম।

কলগাছিয়াত চাকৰি কৰা কেইজনমান বিষয়া ও কৰ্ম্মচাৰীৰ নাম এই প্ৰবন্ধত নুঠিলে তেওঁলোকলৈ অন্যায় কৰা হব। সেই মহান ব্যক্তি সকল হ'ল যি সকলে কলেজৰ সহায়ত কেতিয়াও কাৰ্পন্য কৰা নাই- তেতিয়াৰ খণ্ড উন্নয়ন বিষয়া শ্ৰী বংশীধৰ দাস, শ্ৰীৰাজনে দাস (মৌজাদাৰ), জনাব এ জামান ও আবুল হুছাইন, শ্ৰী উপেন বৰা, জনাব ভজলুল কৰিম চৌধুৰী আৰু ভালেকেইজন বিষয়া ও কৰ্ম্মচাৰী বিশেষ সহায় পাইছিলো, সহায় কলগাছিয়া পি.এইচ.ছিৰ ডঃ জোনাব আলী চাহাবৰ পৰা।

মৰহুম জনাব ফকৰুদ্দিন আলী চাহাবৰ সহায়ত নৱজ্যোতি কলেজখনে আৰ্থিক সাহায্য লাভ কৰিছিল গুৱাহাটীৰ গোৰেস্কা অট'মোবাইলচ্ৰ পৰা ১০,০০০.০০ হেজাৰ টকা, পঞ্জাব ন্যাশ্বনাল বেঙ্কৰ পৰা ৫০০০ টকা আৰু ঔষধ ব্যাৱসায়ী ৰফিওল্যা চাহাবৰ পৰা ৩৫০০.০০ টকা।

নৱজ্যোতি মহাবিদ্যালয়লৈ তলত দিয়া ব্যক্তিসকলে মাটি দান দি মহাবিদ্যালয়খনৰ ইতিহাসত চিৰদিন আসন গ্ৰহণ কৰি থাকিব-

| | |
|---|---|
| ১। মৰহুম আঃ কদ্দুছ দেৱানী, | কলগাছিয়া। |
| ২। মৰহুম নেদুমোল্যা, | কলগাছিয়া |
| ৩। মৰহুম আঃ বাৰেক মণ্ডল, | কলগাছিয়া |
| ৪। মৰহুম বিশু খন্দকাৰ, | কলগাছিয়া |
| ৫। মৰহুম আব্দুল খালেক সৰকাৰ, | কলগাছিয়া |
| ৬। মৰহুম ছমিৰ উদ্দিন মণ্ডল, | কলগাছিয়া |
| ৭। মৰহুম নিজাম উদ্দিন সৰকাৰ, | কলগাছিয়া |



| | |
|---|---|
| ৮। মৰহুম আঃ কৰিম দেৱানী, | কলগাছিয়া |
| ৯। মৰহুম নূৰ হুছাইন মোল্যা, | কলগাছিয়া |
| ১০। মৰহুম ইমান আলী মণ্ডল, | কলগাছিয়া |
| ১১। হাকিমুদ্দিন মণ্ডল, | কলগাছিয়া |
| ১২। নবজেশ আলী, | কলগাছিয়া |
| ১৩। মহৰ আলী, | কলগাছিয়া |
| ১৪। সাহাবুদ্দিন সৰকাৰ, | খাৰবাল্লি |
| ১৫। সাবৰ আলী গাঁওবুৰা, | খাৰবাল্লি |
| ১৬। আবেদ আলী ভূঞা, | খাৰবাল্লি |
| ১৭। মুনছেৰ আলী , | খাৰবাল্লি |
| ১৮। ওছমান আলী, | খাৰবাল্লি |
| ১৯। মুজাফৰ আলী ভূঞা, | বলাই পথাৰ |
| ২০। কছিমুদ্দিন খান, | বলাই পথাৰ |
| ২১। খঃ ছফৰ উদ্দিন, | কাউৰ বাহী |
| ২২। মক্ৰম আলী গাওঁবুৰা, | বলাই পথাৰ |

১৯৯২ চনৰ ১লা এপ্ৰিলৰ পৰা নৱজ্যোতি মহাবিদ্যালয়খনে বিজ্ঞান শাখাত ঘাটি মঞ্জুৰি পায়। তেতিয়াৰ পৰাই কলেজখনে বিশ্ববিদ্যালয় অনুদান আয়োগৰ স্বীকৃতি লাভ কৰে। উপযুক্ত আঁচনি সঠিকভাবে ৰূপায়ন কৰি আৰ্থিক সাহায্যৰ হিচাব নিকাচ ঠিক মতে জমা দিব পাৰিলে বিস্ববিদ্যালয় অনুদান আয়োগে কলেজখনলৈ অনুদান দিয়ে থাকিব। ইতিমধ্যে কলেজখনে ছাত্ৰীবাস, পুঁথি ভৰাল ও লেবৰেটৰী উন্নত কৰাৰ বাবে ৬ লাখৰ অধিক টকা অনুদান হিচাপে লাভ কৰিছে।

ৰাপালী জয়ন্তী বৰ্ষত নৱজ্যোতি মহাবিদ্যালয়ৰ সামগ্ৰিক ৰূপ

(ক) ক'লা আৰু বিজ্ঞান শাখা-ঘাটি মঞ্জুৰি প্ৰাপ্ত।

(খ) কলা ও বিজ্ঞান বিভাগত মেজৰ আছে- ইংৰাজী, অসমীয়া, বুৰঞ্জী, ৰাজনীতি বিজ্ঞান, অৰ্থনীতি, আৰবী, শিক্ষা, অঙ্ক, উদ্ভিদ বিজ্ঞান আৰু জীৱ বিজ্ঞান।

| | |
|---|---|
| (গ) শিক্ষকৰ সংখ্যা- | মুঠ ৫০ জন |
| (ঘ) ৩য় বৰ্গৰ কৰ্ম্মচাৰী- | মুঠ ৮ জন |
| (ঙ) ২য় বৰ্গৰ কৰ্ম্মচাৰী- | মুঠ ১ জন |
| (চ) ৪ৰ্থ বৰ্গৰ - | মুঠ ১২ জন |
| (ছ) হোষ্টেল কৰ্ম্মচাৰী - | ৫ জন |
| (জ) ছাফাই কামত - | ১ জন |

(ঝ) ছাত্ৰ-ছাত্ৰীৰ সংখ্যা - ১৬০০

নৱজ্যোতি মহাবিদ্যালয়খনলৈ এই অঞ্চলৰ ধনী-দুখীয়া সকলোৰে অবদান আছে। বৰ্ত্তমান কলেজত ৭৬ জন শিক্ষক-কৰ্ম্মচাৰী, ইয়াত ইমান দিন শিক্ষা অৰ্জন কৰা ছাত্ৰ-ছাত্ৰী আৰু আজিৰ দৰে ইয়াত কাম কৰিব লগীয়া আৰু অধ্যয়ন কৰিব লগীয়া বহু ৭৬ জন শিক্ষক, কৰ্ম্মচাৰী আৰু হেজাৰ হেজাৰ ছাত্ৰ-ছাত্ৰী সেই সকল মহান ব্যক্তিৰ ওচৰত ঋণী যি সকলে এই পোহৰৰ কেন্দ্ৰ আমাক দি থৈ গ'ল। আহক আমি কৃতজ্ঞতা স্বীকাৰ কৰি সমাজৰ হকে কিবা নহয় কিবা ভাল কাম কৰি ঋণ মুক্ত হবৰ চেষ্টা কৰো।

নৱজ্যোতি কলেজত এতিয়াও কিছু অভাৱ আছে। এইবোৰ সমস্যা অতি সোনকালেই সমাধান হব বুলি এটি আশাৰ সঞ্চাৰ হৈছে। ইতিমধ্যে বৰপেটা লোকসভাৰ সাংসদ শ্ৰী উদ্ধৱ বৰ্মনদেৱে সাংসদ অঞ্চল উন্নয়ন আচঁনিৰ পৰা ডেৰলাখ (১৫০০০০.০০) মঞ্জুৰী দি কলেজৰ উন্নতিত অৰিহণা যোগাইছে। কলেজে তেওঁক সদায় স্মৰণ কৰিব। বৰ্ত্তমানৰ বিধায়ক তথা বিশেষ পৰিচালনা কমিটিৰ সভাপতি জনাব আব্দুৰ ৰৌফ চাহাবেও কলেজখনৰ ঘৰ নিৰ্ম্মাণৰ বাবে ৩ লাখ টকা বিধায়কৰ ফাণ্ডৰ পৰা দিয়া বুলি মোক জনাইছে। বিধায়ক ডাঙৰীয়াই ভৱিষ্যতলৈ কলেজৰ হকে চিন্তা কৰিলে নিশ্চয় নৱজ্যোতি কলেজৰ অভাৱ মোচন কৰিব পৰা যাব।

নৱজ্যোতি মহাবিদ্যালয়খনে যোৱা ২৫টা বছৰ অতিক্ৰম কৰি বৰ্ত্তমানৰ ৰেহ-ৰূব ধাৰণ কৰিছে। ইয়াৰ বাজ্যিক ৰূপ সনাত যিদৰে এই অঞ্চলৰ ৰাইজৰ আকুণ্ঠ সহযোগিতা আছে, ইয়াৰ শৈক্ষিক পৰিৱেশ গঢ়াত যিদৰে শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ দৃঢ় মনোবল আৰু শুশৃঙ্খল অবয়ব আছে সেইদৰে ইয়াৰ কাৰ্য্যালয়ৰ শৃঙ্খলা আৰু কৰ্ম্মপ্ৰেৰণা সৃষ্টিত আছে ইয়াৰ চিৰদিনে পাহৰিব নোৱাৰা আৰু কামৰ হেঁচাৰ লগত-যুঁজি যুঁজি কাম কৰা অত্যান্ত পৰিশ্ৰমী কৰ্ম্মচাৰী সকল। কেইজন মান তেনেকুৱা কৰ্ম্মচাৰীলৈ যি সকলে ঘড়ীৰ কাটা চাই চাই কেতিয়াও কাম কৰা নাই, থাকিল মোৰ হিয়া ভৰা কৃতজ্ঞতা। কাৰণ তেওঁলোকৰ ওপৰত অটল বিশ্বাস স্থাপন কৰি মই কলেজখনৰ বিভিন্ন উন্নয়ণ মূলক কাম কৰি আছো।

যোৱা ২৫ বছৰকালছোৱাত দৰিদ্ৰৰ জনসমুদ্ৰৰ মাজত থিয়হৈ বানপানীৰ কোবাল গ্ৰাসত বাৰে বাৰে লুতুৰি পুতুৰি হৈয়ো মহাবিদ্যালয়খনে যে উন্নত শিৰেৰে অটুট হৈ থাকিব পাৰিছে-তাৰ বাবে ধন্যবাদৰ পাত্ৰ এই অঞ্চলৰ জনসাধাৰণ।





# নৱজ্যোতি মহাবিদ্যালয়ৰ জন্ম-যন্ত্ৰণাৰ ইতিহাস সম্পৰ্কে দুএষাৰ

এম. মোজাম্মেল হুছেইন
উপাধ্যক্ষ

সৃষ্টি অথবা জন্ম-যন্ত্ৰণাৰ কষ্ট ভুক্তভোগীজনে যিমানখিনি অনুভৱ কৰে অইনে সিমান অনুভৱ কৰিব নোৱাৰে। এই বেদনা যন্ত্ৰণাত অৱশ্যে আনন্দ আছে। মাকে দহ মাহ দহদিন অসহ্য বেদনাৰ জ্বালা-যন্ত্ৰণা ভূগি অৱশেষত যেতিয়া সন্তানৰ জন্ম দিয়ে তেতিয়া মাকতকৈ আনন্দিত ব্যক্তি পৃথিবীত বোধহয় দ্বিতীয় জন পাবলৈ নাই। এটি ঐতিহাসিক মুহূৰ্ত্তত জন্ম গ্ৰহণ কৰা সেই নৱজাত শিশু নৱজ্যোতি মহাবিদ্যালয়ৰ পঁচিশ বছৰ বয়স প্ৰাপ্তি উপলক্ষে আজি পালন কৰিবলৈ লোৱা ৰূপালী জয়ন্তী উৎসৱৰ শুভ-মুহূৰ্ত্তত মই সঁচাকৈ অতি আনন্দ উপভোগ কৰিছোঁ। কলেজখনৰ জন্ম-লগ্নৰ আগৰ পৰা অৰ্থাৎ ১৯৬৯ চনৰ ডিচেম্বৰ মাহৰ পৰাই মই উক্ত অনুষ্ঠানটিনৰ লগত ওতপ্ৰোতভাৱে জড়িত হৈ পৰো। ১৯৭৬ চনৰ ডিচেম্বৰ মাহলৈকে এই সুদীৰ্ঘ ৭/৮ বছৰ একেধাৰে প্ৰথমে উদ্যোক্তা সমিতিৰ (sponsoring Committee) আৰু বিশ্ব বিদ্যালয়ৰ অনুমতি প্ৰাপ্তিৰ পৰা পৰিচালনা সমিতিৰ (Governing Body) সম্পাদকৰ দায়িত্ব পালন কৰি থকাৰ সময়ত কলেজখনৰ জন্ম ইতিহাসৰ প্ৰতিটো ঘটনাৰ লগত সক্ৰিয় ভাৱে জড়িত থকাত সেই স্মৃতি পূৰ্ণ দিনবোৰৰ দুই/চাৰিটা ঘটনাৰ কথা 'স্মৃতি গ্ৰন্থ'ত, মই প্ৰকাশ নকৰিলে উক্ত অনুষ্ঠানটিৰ জন্ম-বেদনাৰ ইতিহাসৰ কিছু কথা অসম্পূৰ্ণ হৈ থাকিব।

আইন জগতত নিজকে প্ৰতিষ্টিত কৰাৰ উদ্দেশ্য 'আইন' ডিগ্ৰী লৈছিলো। উকালতি কৰাৰ উদ্দেশ্যে গোৱাল পাৰা কোৰ্টৰ বাৰ কাউন্সিলৰ (Bar Council) সদস্যৰূপে নিজৰ নামো অৰ্ন্তভুক্ত কৰিছিলো। কিন্তু, সেয়া হৈ নুঠিল। "এটি ভাল, স্থায়ী যুগমীয়া সুকীৰ্ত্তিপূৰ্ণ বস্তুৰ লগত অচিৰেই জড়িত হব লাগিব"- এই বুলি এজন গণকে (ভবিষ্যত সম্পৰ্কে কওঁতা) সেই সময়ত মোৰ বিষয়ে এটি ভবিষ্যত বাণী কৰিছিল।

১৯৬৯ চনৰ নবেম্বৰ মাহৰ শেষ সপ্তাহৰ কথা। কলগাছিয়াত অৱস্থিত ৰূপসী উন্নয়ণ খণ্ডৰ 'জিৰণী ঘৰ'ৰ সমুখত ঘটনাক্ৰমে আব্দুল কাদেৰ ও বাবু (সভাপতি, ৰূপসী আঞ্চলিক পঞ্চায়ত), আব্দুল কদ্দুছ দেওয়ানী, মোজাফৰ আলী ভূঞা আৰু কেইজনমান মুখিয়াল ব্যক্তিক লগ পাইছিলোঁ। কিছু কথা আলোচনা কৰাৰ পিছত তেওঁলোকৰ পৰা আশীৰ্ব্বাদ বিছাৰিছিলোঁ যেন উকালতিত সফলতা লাভ কৰিব পাৰোঁ। তেতিয়া আব্দুল কাদেৰ বাবু প্ৰস্তাৱিত কলেজখনৰ কথা উল্লেখ কৰিলে, আৰু কলেজখন কৰাৰ ক্ষেত্ৰত সহায় কৰিব লাগে বুলি মোক আহ্বান জনাই আক্ষেপৰ সুৰত কলে যে উচ্চ শিক্ষিত মানুহ বিলাক অঞ্চলৰ কোনো উন্নয়ণমূলক কামত সহায় নকৰি দূৰলৈ গুচি যায়। উপস্থিত থকা ব্যক্তিকেইজনে একে সুৰতে মোক আহ্বান জনালে। তেওঁলোকৰ কথা শুনি অলপ বেয়ালাগিল। যিমানদূৰ পাৰো সহায় কৰিম বুলি প্ৰতিশ্ৰুতি দিলোঁ। কম শিক্ষিত হলেও সামাজিক অভিজ্ঞতাৰে চহকী আব্দুল কাদেৰ বাবুয়ে তেতিয়া এখনি সাধাৰণ সভা আহ্বান কৰিবলৈ মোক দায়িত্ব লবলৈ কৈ চিঠি ছপা কৰিবলৈ টকা বাহিৰ কৰি দিলে। ১৯৬৯ চনৰ ডিচেম্বৰ মাহৰ ১৪ তাৰিখে দিনৰ ১২ বজাত সভাৰ তাৰিখ ঠিক হ'ল। এইখিনিতে উল্লেখযোগ্য যে কিছুদিন আগৰ পৰা কলেজ স্থাপন সম্পৰ্কে এই অঞ্চলত সভা সমিতি হৈ আছিল। মুছলীম উদ্দিন আহম্মেদ আৰু আতাউৰ ৰহমান (তেতিয়া বিধায়ক) চাহাবক যথাক্ৰমে সভাপতি আৰু সম্পাদক হিচাবে লৈ এখনি কলেজ প্ৰস্তুতি কমিটীও গঠিত হৈছিল। 'নৱজ্যোতি' নামেৰে

কলেজখন নামকৰণও কৰা হৈছিল। কিন্তু স্থান লৈ মত-ভেদ হোৱাত কলেজ সম্পৰ্কে এটা অচলাৱস্থাৰ সৃষ্টি হৈছিল। ঠিক তেনেকুৱা এটা পৰিস্থিতিত উক্ত সভাখন আহ্বান কৰা হৈছিল। উক্ত সভাৰ আহ্বায়ক সকল আছিল, ক্ৰমে (১) মুছলীম উদ্দিন আহম্মেদ (সভাপতি, নৱজ্যোতি কলেজ) (২) মৌঃ ইন্তাজ আলী চৌধুৰী (মৌজাদাৰ) ৩) আব্দুল কাদেৰ (সভাপতি, ৰূপসী আঃ পঃ) (৪) বাহাৰ উদ্দিন আহম্মেদ (৫) বছিৰ আহম্মেদ এম.এ. (৬) এম মোজাম্মেল হুছাইন এম.এ. এ.এল.বি. (৭) এ. হাসেম বি.এ.বি.টি (৮) ময়েজ উদ্দিন আহম্মেদ (৯) মুজাফৰ আলী ভূঞা (১০) আব্দুল কদ্দুছ দেওয়ানী (১১) আব্দুল হামিদ খান (১২) সাহাব উদ্দিন সৰকাৰ। ছপা কৰা চিঠিত অসম বিধান সভাৰ উপাধ্যক্ষ আতাউৰ ৰহমান আৰু বিধায়ক জালালউদ্দিন আহম্মেদ আৰু শ্ৰীযুত কন্দৰ্প বণিক্য সভাত উপস্থিত থাকিব বুলি উল্লেখ কৰা আছিল। কলগাছিয়াত বৰ্ত্তমান প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ স্থানত (তেতিয়া ছয়খন বিছনাযুক্ত হাসপাতাল নিৰ্ম্মিত হোৱা নাছিল ) উক্ত সভাখন অনুষ্ঠিত হয়। সভাই কলেজ-স্থাপন সম্পৰ্কে একমত প্ৰকাশ কৰিলে, কিন্তু স্থান লৈ চলি থকা মত ভেদ মিমাংসা নোহোৱাত সভাৰ শেষত ২৫ (পঁচিশ) জনীয়া এটি স্থান নিদ্ধাৰণ কমিটী (site-selection committee) গঠন কৰি মোক (এই লিখকক) তাৰ আহুবায়ক ৰূপে মনোনীত কৰে। লগতে স্থান নিদ্ধাৰণ কমিটীৰ বৈঠক ডিচেম্বৰ মাহৰ ২০ তাৰিখত (১৯৬৯ চন) বৰভীঠাত অনুষ্ঠিত কৰিবলৈ সভাই সিদ্ধান্ত কৰে। নিদ্ধাৰিত তাৰিখত বৰভীঠা উচ্চ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক-কোঠাত উক্ত কমিটীৰ বৈঠক বহে। দীঘলীয়া আলোচনাৰ পিচত সভাই আতাউৰ ৰহমান চাহাবক সিদ্ধান্ত দিবলৈ দায়িত্ব দিয়ে। ৰহমান চাহাবে কলগাছিয়া-গুনিয়ালগুৰীৰ সীমাত (বৰ্ত্তমান কলেজৰ স্থান) কলেজৰ স্থান হব বুলি ঘোষণা কৰে। কিন্তু, তিতাপানী মৌজাৰ মৌজাদাৰ ইন্তাজ আলী চৌধুৰী চাহাব উক্ত সিদ্ধান্তৰ বিৰোধিতা কৰি সভা-কক্ষ ত্যাগ কৰে। ৰাইজৰ অনুমোদনৰ কাৰণে উক্ত সভাই ১৯৭০ চনৰ জানুৱাৰী মাহৰ ২৬ তাৰিখত এখনি সাধাৰণ সভা মাতিবলৈ সিদ্ধান্ত কৰে। সেই মৰ্ম্মে উক্ত তাৰিখত কলগাছিয়াত সাধাৰণ সভা বহে। সভাত আব্দুল কাদেৰ বাবু অতি বিচক্ষণতাৰে স্থান নিৰ্দ্ধাৰণ কমিটীৰ সিদ্ধান্ত উত্থাপন কৰি এজন দায়িত্বশীল ব্যক্তি হিচাবে মৌজাদাৰ ইন্তাজ আলী চৌধুৰী চাহাবক ৰাইজৰ বৃহত্তৰ স্বাৰ্থত উক্ত সিদ্ধান্তক সমৰ্থন কৰিবলৈ অনুৰোধ কৰে। লগে লগে মৌজাদাৰ চাহাব থিয়হৈ কলগাছিয়া স্থানৰ সপক্ষে সমৰ্থন কৰে। উপস্থিত ৰাইজেও হাত-চাপৰিৰে সমৰ্থন জনায়। সভাই লগতে আতাউৰ ৰহমান চাহাবৰ প্ৰস্তাৱ মৰ্ম্মে মোক (এই লিখক) উদ্বোক্তা (Sponsoring Committee) সমিতিৰ সম্পাদক ৰূপে দায়িত্ব দিয়ে। স্থান সম্পৰ্কে মীমাংসা হোৱাৰ লগে লগে কলেজ ইতিহাসৰ এটি সঙ্কটপূৰ্ণ অধ্যায়ৰ অন্ত পৰিল। উক্ত সভাৰ পিচৰ পৰাই কলেজখনৰ আনুষ্ঠানিক ৰূপ দিয়াৰ কাম পূৰ্ণ গতিত চলিবলৈ ধৰে।

নিৰ্দ্ধাৰিত ঠাইত মাটি সংগ্ৰহ নোহোৱাত ১৯৭০-৭১ চনৰ শিক্ষা বছৰৰ কাৰণে কলেজত শ্ৰেণী খোলাৰ অনুমতি বিচাৰি বিশ্ব-বিদ্যালয় কৰ্ত্তৃপক্ষৰ ওচৰত সময়মতে দৰখাস্ত কৰিব নোৱাৰিলোঁ। ফলত ৰাইজ তথা উদ্বোক্তা সকলৰ মাজত হতাশা ভাৱ পৰিলক্ষিত হয়। মইও কেতিয়াবা হতাশ অনুভৱ কৰিছিলোঁ। তেনে এটি মুহুৰ্তত প্ৰেৰণা বিচাৰি গুৱাহাটী বিশ্ব-বিদ্যালয়ৰ ৰাজনীতি বিজ্ঞানৰ অধ্যাপক মোৰ শিক্ষা-গুৰু ড০ ভি. ভেঙ্কাটাৰাও দেৱলৈ চিঠি লিখিছিলো। উত্তৰত তেখেত লিখিছে,

Gauhati University
Gauhati-14, 4 June '70

Dear Friend,

Thank you for your kind letter. I am glad to note that you are actively engaged



in the establishment of a college in your area. I hope all your efforts will be crowned with success. You have always my good wishes whatever good you propose to do for the benefit of the community. In the selection of teachers for the college you must select honest and hard-working teachers. I believe that the teacher is the king pin of the educatonal system. A good teacher can mould the character of the students by precept and preactice. I hope you are doing well.

With good wishes.

Your sincerely
Sd/ V. Venkata Rao

Md. Mozammel Hussain
Village- Shoulmari
P.O. Chakla
Dist. Goalpara.

উক্ত চিঠিখন পোৱাৰ পিছত মনলৈ প্ৰেৰণা ও শক্তি আহিছিল। ৰাইজৰ মনোবল ধৰি ৰখাৰ উদ্দেশ্যে ১০/৬/৭০ তাৰিখত উদ্বোক্তা সমিতিয়ে টিউটৰিয়েল ক্লাছ খোলাৰ সিদ্ধান্ত গ্ৰহণ কৰে আৰু কলগাছিয়াত তেনেকুৱা সুবিধা নথকাত গুনিয়ালগুৰী হাইস্কুলত ক্লাছ চলাবলৈ সভাই সিদ্ধান্ত কৰে। উক্ত সিদ্ধান্ত লোৱাৰ সময়ত কলেজ-ফাণ্ডত জমা টকা নাছিল বুলিয়েই কব পাৰি। সেই সময়ত দুই/এজন চিন্তাশীল ব্যক্তিয়ে এক লাখ টাক জমা কৰি ক্লাছ খুলিব লাগে বুলি পৰামৰ্শও দিছিল। তদুপৰি টিউটৰিয়েল ক্লাছ খোলালৈ ৰাইজৰ মাজত কিছু মতানৈক্যও দেখা দিছিল। কলেজৰ নিচিনা উচ্চানুষ্ঠান এটি খোলাৰ আগতে শকত পুঁজি সংগ্ৰহ কৰিলৈহে যে খোলা দৰকাৰ তাক পৰৱৰ্ত্তী সময়ত বাস্তৱ ক্ষেত্ৰত আখৰে আখৰে মই উপলব্ধি কৰিছোঁ। কিন্তু, সেইসময়ত আটাইতকৈ ডাঙৰ কথা আছিল ৰাইজৰ মনোবল ধৰি ৰখা। যি নহওক, অৱশেষত ক্লাছ খোলাৰ সিদ্ধান্ত মৰ্ম্মে ছাত্ৰ ভৰ্ত্তি আৰম্ভ হয়। খন্দকাৰ মহম্মদ আলীক প্ৰথম ছাত্ৰ হিচাবে ভৰ্ত্তি কৰোৱা হয়। আব্দুল গফুৰ তালুকদাৰ, আব্দুছ ছাত্তাৰ, ওমৰ আলী সৰকাৰ, আদি কৰি প্ৰায় ২৫ জন ছাত্ৰ ভৰ্ত্তি হয়। ১৯৭০ চনৰ আগষ্ট মাহৰ ৫ তাৰিখে আবেলি ৪-৩০ বজাত বৰনগৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বুৰঞ্জীৰ বিষয়-শিক্ষক ৰমিজ উদ্দিন মিঞা চাহাবে শ্ৰেণীৰ দ্বাৰ উন্মোচন কৰে। উন্মোচনী সভাত সভাপতিত্ব কৰে মৰহুম মৌলানা সাহাব উদ্দিন দেৱান চাহাবে। ৰমিজ উদ্দিন মিঞা চাহাবে এই অঞ্চলত এখন কলেজৰ প্ৰয়োজন সম্পৰ্কে বহুদিন আগতে চিন্তা কৰিছিল। উদ্বোক্তা সমিতিয়ে ইতিমধ্যে বছিৰ উদ্দিন আহম্মেদ এম.এ. চাহাবক নৱজ্যোতি কলেজৰ অধ্যক্ষ আৰু মোক (এই লিখক) উপাধ্যক্ষ হিচাবে নিযুক্তি দিয়ে। শ্ৰীযুত কৰ্ন্দপ গোস্বামী আৰু খোৰশেদ আলীক যথাক্ৰমে অসমীয়া আৰু ভূগোল বিভাগৰ অধ্যাপক ৰূপে নিযুক্তি দিয়া হয়। ৰাতি হেচাক লাইট জ্বলাই ক্লাছ কৰিছিলোঁ। বহুত উৎসুক স্থানীয় ৰাইজে বাহিৰত থিয়হৈ ক্লাছ কৰা চাই অভিভূত হৈছিল। অধ্যক্ষ বচিৰ উদ্দিন আহম্মেদ চাহাবে অৰ্থ-শাস্ত্ৰৰ উপৰিও শিক্ষা বিষয় শিকাইছিল। মই ৰাজনীতি বিজ্ঞানৰ উপৰিও ইংৰাজী আৰু বুৰঞ্জী শিকাইছিলোঁ।

কলেজ খোলা হৈছে বুলি ৰাইজেৰ মাজত ব্যাপক প্ৰচাৰ হৈছিল। গোটেই দিন চাঁদা আদায় কৰিবলৈ বিভিন্ন ঠাই ঘূৰি ফুৰিছিলোঁ, আৰু গধূলি ঘূৰি আহি ক্লাছ কৰিছিলো। গুনিয়ালগুৰি বজাৰত এটি সৰু খেৰি ঘৰত মই থকাৰ ঠাই কৰি লৈছিলো। কেতিয়াবা অনাহাৰে দিন কটাইছিলোঁ। এম.ভি. স্কুলৰ চকিদাৰ সাহাব আলীয়ে কোনো দিন ৰাতি ১২ বজাত তেওঁৰ ঘৰৰ পৰা ভাত বনাই আনি মোক খুৱাইছে। শিক্ষাব্ৰতী (আলহাজ) বাহাৰ

উদ্দিন আহম্মেদ চাহাবৰ ঐকান্তিক সহযোগিতাৰ কথা সদায় স্মৰণীয়। সুপৰামৰ্শ, সৎ সাহাস আৰু উৎসাহ দি আগুৱাই যোৱাত সদায় আমাক প্ৰেৰণা যোগাইছিল।

দিনবোৰ গৈ আছে। এটি অনুষ্ঠান প্ৰতিষ্ঠাৰ কাৰণে সংগ্ৰমপূৰ্ণ দিন। ১৯৭১-৭২ চনৰ শিক্ষা বছৰৰ কাৰণে অনুমতি বিচাৰি বিশ্ব-বিদ্যালয় কৰ্ত্তপক্ষৰ ওচৰত দৰখাস্ত কৰিবলৈ প্ৰস্তুতি চলিছিল। কিন্তু কলগাছিয়াত নিৰ্দ্ধাৰিত স্থানত তেতিয়াও মাটি সংগ্ৰহ নোহোৱাত ২০/৯/৭০ ইং তাৰিখত গুনিয়ালগুৰী আৰু দাবনদীয়া গাৱৰ কেইজন মান ব্যক্তিৰ পৰা দান হিচাবে ৩৫ বিঘা মাটি প্ৰস্তাৱিত নৱজ্যোতি কলেজৰ নামত ৰেজিষ্টাৰ কৰি ললোঁ। উক্ত শিক্ষা বছৰত বিশ্ব-বিদ্যালয়ৰ অনুমতি নেপালে ৰাইজ তথা উদ্যোক্তা সকলৰ মন একেবাৰে ভাঙি পৰিব আৰু মোৰও ধৈৰ্য্য নোহোৱা হব পাৰে বুলি আশঙ্কা কৰিয়েই উক্ত মাটিখিনি কলেজৰ নামত লোৱা হৈছিল। মাটিখিনি লোৱাৰ পিছত একাংশ ৰাইজৰ মাজত বিৰাট প্ৰতিক্ৰিয়া দেখা দিয়ে। ফলত, ৮/১০/৭০ ইং তাৰিখত উদ্যোক্তা সমিতিৰ এখনি জৰুৰী সভা আহ্বান কৰিছিলো। সভাই এসপ্তাহৰ ভিতৰত নিৰ্দ্ধাৰিত স্থানত প্ৰয়োজনীয় মাটি সংগ্ৰহ কৰি কলেজৰ নামত ৰেজিষ্টাৰ কৰি দিবলৈ কলগাছিয়াৰ স্থানীয় ৰাইজক অনুৰোধ কৰে। সভাৰ অনুৰোধ মৰ্ম্মে কলগাছিয়া, বলাইপাথাৰ, খাৰবাল্লী, আমগুৰী আৰু কাউৰজাহী গাঁৱৰ কেইজনমান মহান দানশীল ব্যক্তিয়ে কলেজৰ নামত ত্ৰিশ বিঘা মাটী দান দিয়ে। এই ক্ষেত্ৰত আব্দুল কাদেৰ বাবুৰ প্ৰচেষ্টা অতি প্ৰশংসনীয়। গুনিয়ালগুৰী দাবনদীয়া গাঁৱৰ দাতা সকলক পিছত মাটি খিনি ঘূৰাই দিয়া হয়। গুনিয়াল গুৰীত টিউটৰিয়েল ক্লাছ আৰম্ভ কৰা, মাটি লোৱা, আদি ঘটনাবোৰে প্ৰকান্তৰে কলেজখনক প্ৰতিষ্ঠাৰ পথত আগুৱাই যোৱাত সহায় কৰিছিল।

কলেজৰ বৰ্ত্তমান ঠাইত প্ৰথমে এক বিঘা মাটি কিনি ২৩/১০/৭০ ইং তাৰিখ শুক্ৰবাৰে কলেজৰ প্ৰথম বিল্ডিংৰ প্ৰথম খুটি পোতা হয়। বহু সংখ্যক ৰাইজৰ উপস্থিতিত ঝাৰাধাড়ী নিবাসী পীৰ-এ কামেল মুফতী মৌলানা হাফিজ উদ্দিন চাহাবে তেওঁৰ পবিত্ৰ হাতেৰে প্ৰথম খুটিটো পুতে। কেইদিনমানৰ ভিতৰত দানকৃত মাটিৰ বিনিময়ত উক্ত ঠাইত আৰু এঘাৰ বিঘাত কৈ কিছু বেছি মাটি সংগ্ৰহ কৰি কলেজৰ নামত ৰেজিষ্টাৰ কৰা হয়। লগে লগে কলেজৰ প্ৰতি ৰাইজৰ মাজত প্ৰবল উৎসাহ উদ্দিপনা দেখা দিয়ে। মই স্থানান্তৰিত হৈ কলগাছিয়াত অৱস্থিত ৰূপসী উন্নয়ণ খণ্ডৰ 'জিৰণী ঘৰ'ত থকাৰ ব্যৱস্থা কৰি চাঁদা আদায়ৰ কাম পূৰ্ণ গতিত আৰম্ভ কৰিছেলোঁ। আব্দুল কাদেৰ বাবু, আব্দুল কাদুছ দেওয়ানী, মোজাফৰ আলী ভূঞা, ইমান আলী মাষ্টাৰ, সাহাব উদ্দিন সৰকাৰ, কুদ্ৰত উল্লা তালুকদাৰ, ইয়াছিন আলী মণ্ডল, আব্দুল হামিদ খাঁনৰ উপৰিও ৰেফাজ উদ্দিন আহম্মেদ, আব্দুল কৰিম দেওয়ানী, হাকিম উদ্দিন মণ্ডল আদি ব্যক্তি সকল চাঁদা আদায়ৰ কামত সক্ৰিয় ভাৱে অংশ গ্ৰহণ কৰে। ৰাতি হেচাক লাইট জ্বলাই চাঁদা তোলাৰ ব্যাপক অভিযান আৰম্ভ কৰা হৈছিল। এদিনৰ কথা। ৰাতি চাঁদা তুলিবলৈ বলাই পাথাৰ গাৱৰ এজন মানুহৰ ঘৰত সোমালোঁ। দুখীয়া মানুহ। মাছ বিক্ৰি কৰি জীৱন নিৰ্ব্বাহ কৰিছিল। মাছ বিক্ৰি কৰি পিচ দিনা ৰাতি পুৱা পৰিয়ালৰ খোৱা বস্তু কিনাৰ কাৰণে দুটা টকা হাতত ৰাখিছিল। কলেজৰ বিষয়ে শুনি তেওঁ আনন্দমনে টকা দুটা দান কৰি দিলে। আৰু এদিনৰ কথা দাৱন দিয়া গাৱত কলেজৰ কাৰণে ধান তুলি আছিলো। এজন মানুহৰ ঘৰত সোমালো। মানুহজনে সেইবাৰ মুঠ পাচ পাল্লা (পঁচিশ কেজি) ধান পাইছিল। কলেজৰ কথা শুনি গোটেই খিনি ধান দান কৰি দিলে। এই অঞ্চলৰ দুখীয়া শ্ৰেণীৰ ৰাইজৰও যে কলেজখন প্ৰতিষ্ঠা কৰাত যথেষ্ট অৱদান আছে তাৰ দৃষ্টান্ত স্বৰূপে উপৰোক্ত ঘটনা দুটা উল্লেখ কৰিলোঁ। অতি কম দিনৰ ভিতৰত ৰাইজৰ পৰা চাঁদা তুলি কলেজৰ প্ৰথম বিল্ডিংটো নিৰ্ম্মাণ কৰা হয়। সৰভোগৰ শ্ৰী নন্দেশ্বৰ দাস (ঠিকাদাৰ) ডাঙৰীয়াই উক্ত প্ৰথম বিল্ডিংৰ গোটেই কেইটা কাঠৰ খুটি দান হিচাবে আগবঢ়ায়।



এই খিনিতে উল্লেখযোগ্য যে ১৯৭০-৭১ চনৰ নৱজ্যোতি কলেজৰ টিউটৰিয়েল ক্লাছৰ ছাত্ৰ ওমৰ আলী সৰকাৰ কলেজখনৰ প্ৰথম ছাত্ৰ-যিজনে অইন এখন কলেজৰ জৰিয়তে প্ৰাক্‌বিশ্ববিদ্যালয় পৰীক্ষাত উত্তীৰ্ণ হয়।

২৭/১/৭১ ইং তাৰিখৰ উদ্যোক্তা সমিতিৰ সিদ্ধান্তমৰ্ম্মে ২৯/১/৭১ ইং তাৰিখ শুক্ৰবাৰৰ দিনা মই গুৱাহাটীলৈ গৈ বিশ্ব-বিদ্যালয় কৰ্ত্তৃপক্ষৰ ওচৰত প্ৰস্তাবিত কলেজত প্ৰাক-বিশ্ববিদ্যালয় শ্ৰেণী খোলাৰ অনুমতি বিচাৰি দৰখাস্ত দাখিল কৰোঁ। কিন্তু, পিচত ১৮/৫/৭১ ইং তাৰিখৰ G/AFF/715116 নং চিঠিৰে গুৱাহাটী বিশ্ব-বিদ্যালয় পঞ্জীয়কে ১৯৭১-৭২ শিক্ষা বছৰত আমাৰ দৰখাস্ত মৰ্ম্মে নৱজ্যোতি কলেজত শ্ৰেণী খোলাৰ অনুমতি দিয়া নহয় বুলি আমাক জনায়। চিঠিখন পোৱাৰ লগে লগে ৰাইজ তথা উদ্যোক্তা সকল হতাশাত ভাগি পৰে। সেইটো আছিল মোৰ জীৱনৰ অতি হতাশাপূৰ্ণ মুহূৰ্ত্ত। বিলম্ব নকৰি মই তৎক্ষণাত গুৱাহাটী লৈ গৈ গুৱাহাটী বিশ্ব-বিদ্যালয়ৰ পঞ্জীয়ক শ্ৰী চিদা দাস ডাঙৰীয়াক দেখা কৰিলো। তেওঁৰ পৰা কোনো সঁহাৰি নেপাই উক্ত বিশ্ব-বিদ্যালয়ৰ ভূগোল বিভাগৰ অধ্যাপক ড০ মহম্মদ তাহেৰ চাহাবক লগ কৰিলোঁ। সঁজাতি দললৈ দেখা কৰা লগতে পাৰিলে ৰাজনৈতিক হেঁচা দিবলৈ তাহেৰ চাহাবে মোক পৰামৰ্শ দিলে আৰু পোন্ধৰ হাজাৰ টকা কলেজৰ নামত বেঙ্কত জমা দিবলৈ পৰামৰ্শ দিলে। মই লগে লগে তেতিয়াৰ কেন্দ্ৰীয় কৃষি আৰু খাদ্য মন্ত্ৰী (পিচত ৰাষ্ট্ৰপতিও হৈছিল) মৰহুম ফকৰুদ্দিন আলী আহম্মেদ চাহাবলৈ তাৰবাৰ্ত্ত পঠালো। অসমৰ তেতিয়াৰ কৃষি মন্ত্ৰী আতাউৰ ৰহমান চাহাবক টেলিফোন যোগে জনালো (অসমৰ ৰাজধানী তেতিয়া চিলং আছিল)। উক্ত ব্যক্তিদুজনে বিশ্ব-বিদ্যালয় কৰ্ত্তৃপক্ষক আমাৰ কলেজত শ্ৰেণী খোলাৰ অনুমতি বিষয়টো বিবেচনা কৰিবলৈ অনুৰোধ কৰিছিল। মই কলগাছিয়ালৈ ঘূৰি আহি পোন্ধৰ হাজাৰ টকা সংগ্ৰহ কৰাৰ কথা আলোচনা কৰিলো উদ্যোক্তা সমিতিৰ সদস্য সকলৰ লগত। তেতিয়াৰ দিনত ১৫০০০.০০ টকা এটা ডাঙৰ অঙ্ক আছিল। সময় কম হোৱাৰ কাৰণে অৱশেষত ধাৰলৈ উক্ত টকাখিনি জমা দিবলৈ সিদ্ধান্ত কৰিলো। তলত উল্লেখিত মহান ব্যক্তিসকলৰ পৰা মুঠ ১৫৭০০.০০ টকা ধাৰ কৰি ১৭/৭/৭১ সোতৰ জুলাই ইং, তাৰিখত সৰভোগ স্টেট বেঙ্কত জমা দিলোঁ। ব্যক্তিসকল হ'ল ঃ-

| | |
|---|---|
| ১। আব্দুল কাদেৰ (দীঘজানী) | ৩০০০.০০ |
| ২। আব্দুল কাদেৰ বাবু আৰু শ্ৰী বংশী ধৰ দাস | ২৬০০.০০ |
| ৩। ময়েজউদ্দিন আহম্মেদ (বালাগাওঁ) | ২৫০০.০০ |
| ৪। এবাদত খাঁন (দেওকুৰা) | ১৫০০.০০ |
| ৫। ইয়াছিন আলী মণ্ডল | ১৫০০.০০ |
| ৬। আব্দুছ ছামাদ গাঁওবুঢ়া | ১০০০.০০ |
| ৭। মজিবৰ ৰহমান (মোল্লা)দীঘজানী | ১০০০.০০ |
| ৮। ইমান আলী মাষ্টাৰ আৰু সাহাব উদ্দিন সৰকাৰ | ১৫০০.০০ |
| ৯। খন্দকাৰ আব্দুল মান্নান (চাকলা) | ২০০.০০ |
| ১০। আবুল হাসেম (হেড মাষ্টাৰ লাংলা হাইস্কুল) | ৩০০.০০ |

| | |
|---|---|
| ১১। আবু বক্কৰ (বলাই পাথাৰ) | ২০০.০০ |
| ১২। কাজী জাছিম উদ্দিন (ভেৰা) | ৩০০.০০ |
| ১৩। শহৰ আলী আকন্দ (বগুলামাৰী) | ১০০.০০ |

অৱশেষত ১৯/৭/৭১ ইং তাৰিখে দিনৰ ১২ বজাত তলত উল্লিখিত ব্যক্তি কেইজনে গুৱাহাটী বিশ্ববিদ্যালয়ৰ মাননীয় উপাচাৰ্য্য শ্ৰীযুত সুৰেশ ৰাজখোৱা ডাঙৰীয়াক তেওঁৰ কাৰ্য্যালয় কোঠাত (আগতে ধাৰ্য্য কৰা মতে) সাক্ষাৎ কৰে। বিশ্ব-বিদ্যালয়ৰ পঞ্জীয়ক ডাঙৰীয়াও তাত উপস্থি আছিল। সঁজাতি দলৰ সদস্য কেইজন আছিল-

১. আব্দুল কাদেৰ বাবু ২। আব্দুল কদ্দুছ দেওয়ানী ৩। মোজাফৰ আলী ভূএগ ৪। ইমান আলী মাষ্টাৰ ৫। সাহাবুদ্দিন সৰকাৰ (এছ. সৰকাৰ) ৬। আবুল হাসেম (হেড মাষ্টাৰ লাংলা হাইস্কুল) ৭। আব্দুল কাদেৰ (দীঘজানী) ৮। এম. মোজাম্মেল হুছেইন (লিখক), (সম্পাদক, উদ্বোক্তা সমিতি, নৱজ্যোতি কলেজ)

সঁজাতি দলৰ সদস্য কেইজনক মই প্ৰথমে পৰিচয় কৰাই দিলোঁ। সঁজাতি দলৰ সদস্য কেইজন একে ধৰ্ম্মৰ মানুহ হোৱা বাবে মই অলপ দুৰ্ব্বলতা অনুভৱ কৰিছিলোঁ। তেতিয়া দাড়ি নৰখা সাহাব উদ্দিন সৰকাৰ চাহাবক 'এছ সৰকাৰ' বুলি পৰিচয় কৰাই দিছিলোঁ, যাতে কৰ্ত্তৃপক্ষই অন্য ধৰ্ম্মৰ মানুহ সঁজাতি দলত আছে বুলি ভাবে। কাতৰ অনুনয় বিনয় কৰি আব্দুল কাদেৰ বাবু শেষত নৱজ্যোতি কলেজত শ্ৰেণী খোলাৰ অনুমতিক 'ভিক্ষা স্বৰূপ' হিচাবে দিবলৈ উপাচাৰ্য্যক কাতৰ অনুৰোধ কৰে। বিবেচনা কৰা হব বুলি উপাচাৰ্য্য ডাঙৰীয়াই কোৱাত আমি ওলাই আহিলো। (বাঘবৰ সমষ্টিৰ বিধায়ক জালাল উদ্দিন আহম্মেদ চাহাব মাছিম বয়াতী নামৰ এজন ভদ্ৰলোকক লগত লৈ আহি উপস্থিত হ'ল। উক্ত বিধায়ক চাহাবক আমাৰ লগত থাকিবলৈ অনুৰোধ কৰিছিলোঁ। তেওঁলোক দুয়োজন উপাচাৰ্য্যক লগ ধৰি অনুৰোধ কৰিছিল।)

কেইদিনমান পিচত গুৱাহাটী বিশ্ব-বিদ্যালয়ৰ ভূগোল বিভাগৰ মুৰব্বী অধ্যাপক ড০ এইচ. পি. দাস ডাঙৰীয়া কৰ্ত্তৃপক্ষৰ নিৰ্দ্দেশ ক্ৰমে ২৪/৭/৭১ ইং (চব্বিশ জুলাই) তাৰিখত নৱজ্যোতি কলেজ পৰিদৰ্শন কৰে। উক্ত পৰিদৰ্শন উপলক্ষে বহু ছাত্ৰ-ছাত্ৰী তথা ৰাইজ উপস্থিত আছিল। বৰপেটাৰ উকিল (প্ৰাক্তন মন্ত্ৰী) মোৰ বন্ধু আব্দুল লতিফ চাহাবক ড০ দাস ডাঙৰীয়াৰ লগত কলগাছিয়ালৈ আহিবলৈ অনুৰোধ কৰিছিলো। মোৰ অনুৰোধ ৰক্ষা কৰি এটা মহান কামৰ কাৰণে তেওঁ কৰা কষ্টৰ কথা আজি এই শুভক্ষণত মোৰ মনলৈ আহিছে। ৰাইজৰ উৎসাহ উদ্দিপনা দেখি পৰিদৰ্শক ডাঙৰীয়া অভিভূত হৈছিল। তেওঁৰ প্ৰতিবেদনৰ ওপৰত ভিত্তি কৰি গুৱাহাটী বিশ্ব বিদ্যালয় কৰ্ত্তৃপক্ষই নৱজ্যোতি কলেজত প্ৰাক-বিশ্ব বিদ্যালয় শ্ৰেণীৰ (ক'লা) শাখা খুলিবলৈ ১৯৭১ চনৰ আগষ্ট মাহৰ প্ৰথম সপ্তাহত অনুমতি আদেশ দিয়ে। অনুমতিৰ আদেশ (Permission Order)। লৈ মই কলগাছিয়াত উপস্থিত হোৱাৰ লগে লগে এই অঞ্চলৰ ৰাইজ আনন্দত আত্মহাৰা হৈ পৰে। আতস বাজি ফুটাই মনৰ আনন্দ প্ৰকাশ কৰে। কলেজত ছাত্ৰ ভৰ্ত্তি আৰম্ভ হ'ল। কিন্তু, সেই বছৰ এজনী ছাত্ৰীও ভৰ্ত্তি হোৱা নাছিল। ১৬/৮/৭১ ইং তাৰিখত গুৱাহাটী বিশ্ব-বিদ্যালয়ৰ আৰবী বিভাগৰ মুৰব্বী অধ্যাপক মৌলানা আব্দুল লতিফ চাহাবে কলেজৰ শ্ৰেণীৰ দ্বাৰ আনুষ্ঠানিক ভাবে উন্মোচন কৰে। উদ্বোধনী সভাত সভাপতিত্ব কৰে মুসলীম উদ্দিন আহম্মেদ চাহাব (সভাপতি, নৱজ্যোতি কলেজ)। এই অঞ্চলৰ ৰাইজৰ অফুৰন্ত চেষ্টা আৰু ত্যাগৰ বিনিময়ত তেওঁলোকৰ বহুদিনীয়া সপোন নৱজ্যোতি মহাবিদ্যালয়ৰ ঐতিহাসিক জন্ম, সচাঁকৈ এটি ঐতিহাসিক ঘটনা, যি চিৰদিন কলগাছিয়াৰ ইতিহাসৰ পাতত সোণাৰ আখৰেৰে লিখা থাকিব।



কলেজৰ কাৰ্য্যালয় সহকাৰী হিচাবে আব্দুছ ছালামক আৰু চকিদাৰ হিচাবে আবু বাৰেকক নিযুক্তি দিয়া হয়। ইংৰাজী, বুৰঞ্জী, আৰবী, শিক্ষা আদি বিভাগৰ অধ্যাপকৰ প্ৰয়োজন। বৰভাগ কলেজত সেই সময়ত কাম কৰি থকা ইংৰাজী বিভাগৰ অধ্যাপক আব্দুছ ছাত্তাৰ আহম্মেদ (বৰ্ত্তমান অধ্যক্ষ) চাহাবলৈ মই চিঠি লিখিলো। চাকৰি এৰি আমাৰ কলেজলৈ আহিবলৈ চিঠিত অনুৰোধ ও কৰিলো। তেওঁ উপাধ্যক্ষ পদ বিচাৰিলে। উল্লেখযোগ্য যে সেই সময়ত মই (লিখক) কলেজৰ উপাধ্যক্ষ আৰু পৰিচালনা সমিতিৰ (Governing Body) সম্পাদকও। ইংৰাজী অধ্যাপক পোৱাও নেযায়। অবশেষত, মই উপাধ্যক্ষ পদ ইস্তাফাদি উক্ত পদত তেওঁক নিযুক্তি দিলো। তেওঁ আহি কলেজত যোগদান কৰিলে। খুব আনন্দিত হলো। বালিকুৰী হাইস্কুলত সেই সময়ত শিক্ষকতা কাম কৰি থকা ওমৰ আলী আহম্মেদ চাহাবলৈ চিঠি লিখিলো। শিক্ষক-পদ এৰি কলজেত যোগদান কৰিব লাগে। মান্তি হোৱাত ইতিহাস বিভাগৰ প্ৰৱক্তা হিচাবে তেওঁক নিযুক্তি দিলো। এই দুজন ব্যক্তি কলেজত যোগদান কৰাত আমি যথেষ্ট শক্তি পালো। যাত্ৰাপথৰ সাৰথি হিচাবে তেওঁলোকক পোৱাত আমাৰ উৎসাহ আৰু প্ৰেৰণা দুগুণে বাঢ়িল।

প্ৰাক বিশ্ব-বিদ্যালয় (ক'লা) শাখাৰ Affiliation ৰ কাৰণে বৰপেটাৰ মাধব-চৌধুৰী কলেজৰ অধ্যক্ষ মাননীয় শ্ৰীযুত প্ৰাণজিত কুমাৰ তালুকদাৰ ডাঙৰীয়া ৩০/১০/৭১ ইং তাৰিখত কলেজ পৰিদৰ্শন কৰে। উক্ত পৰিদৰ্শনৰ আগতে (স্থায়ী জমা) দহ হাজাৰ টকাৰ N.S.C. (National savings certificate) কিনাৰ প্ৰয়োজন হৈছিল। তলত উল্লেখিত মহান ব্যক্তি কেইজনে প্ৰত্যেকে এটাকৈ এহাজাৰ টকাৰ মূল্যৰ N.S.C. কলেজৰ নামত কিনি দি এই মহান অনুষ্ঠানটিৰ প্ৰতিষ্ঠাত সহায় কৰিছিল। ব্যক্তি কেইজন হ'ল ঃ-

১। দেৱান আব্দুল হামিদ
(হেডমাষ্টাৰ, চাকলা হাইস্কুল)
২। খন্দকাৰ আব্দুল মান্নান
(সহকাৰী প্ৰধান শিক্ষক, চাকলা হাইস্কুল)
৩। ময়েজ উদ্দিন আহম্মেদ, বালাগাঁও
৪। বছিৰ উদ্দিন আহম্মেদ,
(অধ্যক্ষ, নৱজ্যোতি কলেজ)
৫। আবুল হাসেম
(হেডমাষ্টাৰ, লাংলা হাইস্কুল)
৬। আব্দুল কাদেৰ (দিগজানী)
(তেওঁ পাঁচ টকা দান কৰিছিল)

ইয়াৰ উপৰি, ৰূপসী তিতাপানী মৌজা, চাকলা-নম্বৰ পাৰা, জপেয়া-বালাৰচৰ আদি অঞ্চলৰ ৰাইজে তেওঁলোকৰ চেনীৰ অংশ কলেজৰ নামত দান দি বাকী ৪৫০০ (চাৰি হাজাৰ পাঁচশ) টকা মূল্যৰ N.S.C. কিনাত সহায় কৰে। কলেজৰ 'Working Fund' ত পাঁচ হাজাৰ টকা জমা কৰাৰ সময়ত ডেকাৰবাড়ী গাঁওৰ মৰহুম খন্দকাৰ মজিবৰ ৰহমান চাহাবে এটা বুজন পৰিমানৰ টকা ধাৰ দি এই প্ৰতিষ্ঠানটোক সহায় কৰিছে। ডাঃ আবুল হুছেইন আৰু মাইন উদ্দিন মুন্সী (বালীকুৰী), আঃগনিখান (দীঘজানী), ডাঃ কৃপানাথ সৰকাৰ (জনতা), বাদল খান (শেওৰাৰ চৰা), ছলিম উদ্দিন মাষ্টাৰ (লাংলা) শ্বহিদুল ইছলাম (ৰামপুৰ), মহম্মদ আলী সৰকাৰ (বালাৰচৰ), আব্দুৰ ৰশিদ খান আৰু ছামান আলী গাওঁবুঢ়া, (নম্বৰ পাৰা) তৰু মিয়া আৰু মৌলানা আবু সাবুদ

দেৱান,(কোকিলা) আবুবক্কৰ মণ্ডল (কলগাছিয়া) শ্বেখ ইছাহাক আলী মিঞা (গুণিয়ালগুৰী) আলহাজ আমজেদ হুছেইন (বালাৰ পাতাৰ) ইয়াছিন আলী তালুকদাৰ (বনঘুঘি) আদি ব্যক্তি সকলেৰ উপৰিও নৱজ্যোতি কলেজৰ শিক্ষক সকলে কলেজখনৰ ক'লা আৰু বিজ্ঞান শাখা পূৰ্ণ পৰ্য্যায়'লৈ নিয়াত এক বুজন পৰিমানৰ যি আৰ্থিক সাহায্য আগবঢ়ালে, সি কলেজখন স্থাপনত এক উল্লেখযোগ্য বৰঙনি তদুপৰি এই অঞ্চলৰ বিভিন্ন স্তৰৰ শিক্ষক তথা চৰকাৰী বিষয়া কৰ্ম্মচাৰী সকল কলেজখনক বিভিন্ন ধৰনে সহায় কৰিছে। অবশেষত কলেজখনৰ প্ৰাক্ বিশ্ব-বিদ্যালয়ৰ (ক'লা) শাখাঁলৈ যথাসময়ত কৰ্তৃপক্ষই Affiliation আগবঢ়ায়।

১৯৭৩ চনৰ জানুৱাৰী মাহত বছিৰ উদ্দিন আহম্মেদ চাহাব কলেজৰ অধ্যক্ষ পদ ইস্তাফা দিয়ে। প্ৰতিষ্ঠাপক অধ্যক্ষ (Founder Principal) হিচাবে কলেজখনৰ অতি সঙ্কটপূৰ্ণ দুৰ্দ্দিনত অনুষ্ঠানটো প্ৰতিষ্ঠা কৰাৰ কাৰণে তেওঁ কৰা ত্যাগ, কষ্ট আৰু চেষ্টাৰ কথা কলেজৰ ইতিহাসে সদায় মনত ৰাখিব। কলেজখনৰ প্ৰতিষ্ঠাৰ অন্যতম অগ্ৰণী ব্যক্তি সকলৰ ভিতৰত তেৰো এজন। ইয়াৰ পিছত আব্দুছ ছাত্তাৰ আহম্মেদ অধ্যক্ষ পদত নিযুক্তি দিলো। মই উপাধ্যক্ষ পদ গ্ৰহণ কৰিলো।

আজিৰ এই শুভক্ষণত মোৰ আৰু দুজন ব্যক্তিৰ কথা মনত পৰিছে। ইজাব উদ্দিন বেপাৰী ভাই, (চাহৰ দোকানৰ মালীক, কলগাছিয়া বজাৰ)। প্ৰৱক্তা, অধ্যাপক সকলক (তাৰ ভিতৰত ময়ো আছোঁ) ভাত খুৱাইছে, বহুদিনলৈকে ভাতৰ দাম বাকী, ইজাব উদ্দিন ভাইৰ মুখত বেজাৰ নাই, ভাত খুজিলে বাকী থকা সত্ত্বেও বাকী পইচাত ভাত যোগান ধৰে হাঁহিমুখে, এটাই আশা নৱজ্যোতি কলেজখন প্ৰতিষ্ঠা হব লাগে। দুই হাত তুলি মোনাজাত কৰিছো, আল্লাহ তায়ালা তেওঁক বেহেস্ত নসীব কৰক। আমিন। দ্বিতীয় ব্যক্তিজন হ'ল কিসানদী 'মুচি'। কলগাছিয়া বজাৰৰ পুৱত অবস্থিত খন্দকাৰ আব্দুল মান্নান চাহাবৰ ঘৰটোত মই থাকি কলজেৰ যাবতীয় কাম কাজ কৰো। মোৰ ওচৰতেই তেওঁ এটা ঘৰত থাকে। কলেজৰ কাৰণে বহু সময়ত টকা ধাৰ দিছে, কেতিয়াবা অনুদান হিচাবেও আগবঢ়াইছে- এই অঞ্চলৰ ৰাইজৰ প্ৰাণস্বৰূপ নৱজ্যোতি কলেজখন প্ৰতিষ্ঠা হব লাগে, এই আশাঁলৈ। বহু দাতা ব্যক্তিৰ নাম ইচ্ছা থকা সত্ত্বেও এই প্ৰবন্ধত উল্লেখ কৰিব নোৱাৰিলোঁ ঠাইৰ অভাৱত। তাৰ কাৰণে মই ক্ষমা প্ৰাৰ্থী।

নৱজ্যোতি মহাবিদ্যালয়ৰ প্ৰতি ভাৰতৰ ভূতপূৰ্ব্ব ৰাষ্ট্ৰপতি মৰহুম ফকৰুদ্দিন আলী আহম্মদ চাহাবৰ বিশেষ সুদৃষ্টি আছিল। কেন্দ্ৰীয় কৃষি মন্ত্ৰী থকা সময়ত অসমৰ মুখ্য মন্ত্ৰী শ্ৰী শৰৎ চন্দ্ৰ সিন্‌হা ডাঙৰীয়ালৈ তেওঁ লিখা তলৰ চিঠিৰ পৰাই উক্ত কথাৰ প্ৰমান প্ৰতিপন্ন হয়।

Dear Shri Sinha,

I have already sent a telegram to you requesting for Ad-hoc recurring and non-recurring grants to Nabajyoti College, Kalgachia. In the meantime S/Shri Abdul Kuddus Dewani, Abdul Kader, Ramada Prosad Roy and Md. Mozammel Hussain met the Education Minister at Dispur, Gauhati and made the same request. I shall be glad if you will look into the matter personally and see that a suitable grant is given for this college which, as you know, is located in one of the most backward areas of Assam.

With best wishes.

Yours sincerely,
(F.A. Ahmed)



Shri S.C. Sinha,
Chief Minister of Assam.
Dispur, Gauhati.
Assam.

Copy for information to Shri Abdul Kaddus Dewani, Kalgachia, Barpeta, Assam.
(F.A. Ahmed)

অসমৰ প্ৰাক্তন কৃষিমন্ত্ৰী মৰহুম আতাউৰ ৰহমান চাহাবৰ ও কলেজ খনৰ প্ৰতি সুদৃষ্টি আছিল। তেওঁ মোলৈ লিখা তলৰ চিঠি তাৰ সাক্ষ্য।

My dear Mozammel,

You have my affections.

You may have my subscription of Rs. 1,000/- any moment you like. If you want me to send it in your address, please let me know by return of post. Also please send me as early as possible one or two books for collection of subscription, so that I too can do something in the matter. Abdul Kadir had some instructions for me on a particular point. Please consult him.

Yours sincerely,
(A. Rahman)

To
Shri Muzamil Hussain, M.A. LLB.
P.O. Kalgasia, Via Sorbhog.
Dist. Kamrup (Assam)

শেষত এটা কথা উল্লেখ কৰি মোৰ এই লিখা সামৰিব খুজিছো। কলগাছিয়াৰ সামগ্ৰীক উন্নতিৰ লগত কলেজখনৰ ভবিষ্যত জড়িত বুলি চিন্তা কৰি সত্তৰ আৰু আসীৰ দশকত কলগাছিয়াত এটি আৰক্ষী চকী, ৰাজহ চক্ৰ, বেঙ্ক, কে.কে পাঠক হাইস্কুল, হাইস্কুল শেহান্ত পৰীক্ষা কেন্দ্ৰ, ত্ৰিশখন বিছনাযুক্ত হাসপাতালৰ উপৰিও কিছুদিন আগতে এটি টেলিফোন সংযোগ কেন্দ্ৰ আদি চৰকাৰী বে-চৰকাৰী অনুষ্ঠান প্ৰতিষ্ঠান স্থাপনৰ কাৰণে উদ্দোগ (Initiative) লৈছিলো মই নিজেই। অৱশেষত ৰাইজ তথা চৰকাৰৰ সহযোগত উক্ত অনুষ্ঠান সমূহ স্থাপন কৰিবলৈ সক্ষম হব পাৰিছোঁ। তাৰ কাৰণে গৌৰব অনুভব কৰিছো।

নৱজ্যোতিৰ পোহৰে এই অঞ্চল আলোকিত হৈ থাকক, এই আশাঁলৈ সামৰিলো।

# এটি শৈক্ষিক বিপ্লৱৰ পম খেদি

আৰশ্বাদ আহমেদ
প্ৰাক্তন ছাত্ৰ

প্ৰাক ঐতিহাসিক যুগৰ ভাৰতবৰ্ষ ভয়াবহ যুদ্ধ বিগ্ৰহ ৰাজনৈতিক পটুতা, নাইবা শিল্পক'লা, চিত্ৰক'লাত ঐতিহ্যমণ্ডিত ও উচ্চখাপৰ বুলি জানিলেও উপমহাদেশীয় শৈক্ষিক মানদণ্ডৰ মাপকাঠি কিন্তু নালন্দা বিশ্ব বিদ্যালয়েহে নিৰ্দ্ধাৰণ কৰিছিল। ৰজা হৰ্ষবৰ্ধনৰ ৰাজত্ব কালত চীনা পৰিব্ৰাজক হিউ-য়েন-চাংয়ে কেইবা বছৰ নালন্দা বিশ্ববিদ্যালয়ত দিন কটোৱাত ভাৰতীয় শিক্ষাব্যৱস্থাই চীনা পৰিব্ৰাজকক দৃষ্টি আকৰ্ষণ কৰাটো ধ্ৰুপ। তেনেদৰে মধ্যপ্ৰাচ্যৰ কাইৰো বিশ্ববিদ্যালয় আৰু ইউৰোপৰ অক্সফোৰ্ড, হাৰৱাৰ্ড, কেম্ব্ৰিজ ইত্যাদি বিশ্ববিদ্যালয়ে উক্ত মহাদেশৰ শৈক্ষিক মানদণ্ডৰ চিনাকি দিয়ে।

স্বাধীনোত্তৰ কালছোৱাত অসমৰ উচ্চ শিক্ষাৰ দায়িত্ব বিশেষকৈ গুৱাহাটী বিশ্ববিদ্যালয় ও যোৰহাটৰ কৃষিবিশ্ববিদ্যালয় আৰু অসম মেডিকেল কলেজ, গুৱাহাটী মেডিকেল কলেজ ও স্বনাম ধন্য কটন কলেজ লগতে কিছুমান নগৰ চহৰত অৱস্থিত মহাবিদ্যালয় সমূহে শৈক্ষিক দায়িত্ব বহন কৰি আহিলেও গ্ৰাম্য শিক্ষাৰ্থী সকলৰ বাবে উচ্চ শিক্ষাৰ ব্যৱস্থা খুৱ কমেই আছিল। গাওঁৰ দৰিদ্ৰ জনগনৰ বাবে নগৰ চহৰীয়া শিক্ষানুষ্ঠানত শিক্ষা গ্ৰহণ কৰাটো আছিল দূৰূহ বিষয়। সময়ত আকৌ অসমৰ চুকেকোনে বৈছিল অন্য কিছুমান আনুসাংগিক হেতু। যি হেতুবোৰে বৃহত অসমীয়াৰ ঐতিহ্য বহনকাৰী ভালপোৱা, মৰম, স্নেহ ও ভ্ৰাতৃত্ববোধ লাহে লাহে খহাই লৈ গৈ হিংসাত পৰিণত কৰিছিল। ফলত গাওঁ সমূহেও মহাবিদ্যালয় পৰ্য্যায়ৰ শিক্ষানুষ্ঠান স্থাপন কৰিবলৈ নিৰক্ষৰ জনসাধাৰণৰ মনত দৃঢ়তাৰ জন্ম হৈছিল।

সত্তৰৰ দহকৰ আগৰ পৰাই অসমৰ বুকুত এটি ভাৱাদৰ্শৰ জন্ম হৈছিল। তেতিয়াৰ দিনত সেই ভাৱাদৰ্শই বাৰুকৈ জনপ্ৰিয়তা লভিবলৈ সমৰ্থ হলেও আজিৰ কুৰি শতিকাৰ শেষৰ দিন কেইটাত উক্ত ভাৱাদৰ্শই যে অসমক গ্ৰাস কৰিছে সেই কথাটো প্ৰত্যেকেই একমূখে স্বীকাৰ কৰিবলৈ বাধ্য। বহিৰাগত বিদেশী ও অসমীয়া কৰণৰ মৃদুবেটিংয়ে অসমক এটি শ্মশানলৈ লৈ যাবলৈ বাধ্য কৰালে। জনগোষ্ঠীয় আন্দোলনত ব্ৰতী হৈ অসমীয়াকৰণক প্ৰতাহ্বান জনাবলৈ গৈ অসমত জ্বলি উঠিছে লেলিহান জুই। কেতিয়া, কিভাবে এই প্ৰজ্জ্বলিত অগ্নিশিখা নুমাব সেয়া ভৱিষ্যৎৰ গৰ্ভত। যিকেই নহঁক, এই মাৰাত্মক ও বিভিষিকাময় ভাৱাদৰ্শৰ উমান পায়েই খুৱ সম্ভৱ পশ্চিম বৰপেটা পূৱ অভয়াপূৰীৰ সমূহ জনগনে বেঁকী, ব্ৰহ্মপুত্ৰ ও মানাহৰ মোহনাত 'নৱজ্যোতি মহাবিদ্যালয়' নামৰ বৃহত শিক্ষানুষ্ঠানটো গঢ়ি তুলিবলৈ প্ৰতিজ্ঞাৱদ্ধ হৈছিল।

আৰ্থিক দৈন্যতাই যুগে যুগে পিহি আহিছিল বৃহত চাপৰি বাসী ৰাইজক। নদী সমূহৰ খহনীয়াত অৰ্থনৈতিক কাঠামো ভাঙি চুৰমাৰ কৰাত উশাহ নোপোৱা সাধাৰণ শ্ৰেণীৰ জনগনে বৃহত শিক্ষানুষ্ঠানৰ কথা ভৱাটো ধন্যবাদৰ পাত্ৰ। ব্যৱসায়ী ৰাজনীতিৰ নামত কিছুমান ৰাজনৈতিক নেতাই সময়ত ভোট কেইটা লৈ গৈ উন্নয়নৰ ক্ষেত্ৰত ফাঁকি মাৰি চলাটোই আছিল তেওঁলোকৰ অভ্যাস। কিন্তু উক্ত সময়ত এটি শুভ সন্ধিক্ষণ উপস্থিত হৈছিল। ১৯৬৭ চনত জনিয়া সমষ্টিত কংগ্ৰেছৰহৈ বিধায়ক হিচাপে প্ৰতিনিধিত্ব কৰিছিল মাননীয় আতোৱাৰ ৰহমানে। লগতে মাননীয় ফকৰুদ্দিন আলি আহমেদ দিল্লীৰ ৰাজনীতিলৈ ব্যস্ত থাকিলেও তেখেতেই আছিল জনিয়া সমষ্টিৰ



প্ৰথম বিধায়ক। ১৯৫২ চনত সৰভোগ সমষ্টিৰ পৰা জনিয়া সমষ্টি জন্ম লোৱাত উক্ত চনতে ফকৰুদ্দিন আলি আহমেদে জনিয়া সমষ্টিৰ প্ৰথম বিধায়ক হিচাপে নিৰ্ব্বাচিত হৈ প্ৰতিনিধিত্ব কৰে। গতিকে মাননীয় ফকৰুদ্দিন আলি আহমেদ চাহাৱ ও আতোৱাৰ ৰহমান চাহাৱৰ সদয় মনোভাৱ লগতে সমূহ ৰাইজৰ একান্ত প্ৰচেষ্টাত চাপৰি বাসীয়ে এটি বৃহত শিক্ষানুষ্ঠানৰ মূখ দেখিবলৈ পায়।

মোগলৰ ৰাজত্বৰ বেলি মাৰ যোৱাৰ লগে লগে ভাৰতীয় শাসন-দণ্ডৰ ধ্বজা কব্জা কৰিছিল বৃটিছ সকলে। বৃটিছ সকলে মুছলমান সকলৰ পৰা শাসন ক্ষমতা কাঢ়ি লোৱাৰ মুহূৰ্ততেই বৃটিছৰ প্ৰত্যক্ষশোষণৰ বলি হৈছিল ভাৰতীয় মুছলমান সকল। মুছলমান সকলক শত্ৰুজ্ঞান কৰাটো বৃটিছৰ বাবে প্ৰধান কাৰণ আছিল যে সময়ত হয়তো মুছলমান সকলেই বৃটিছ খেদাৰ ব্যৱস্থা কৰিব পাৰে। অৰ্থৎ ফ্ৰান্সৰ বিপৰীতে জাৰ্মান.চেন্সেলাৰ বিচমাৰ্কে যি নীতিৰে ফ্ৰান্সক অৱশেষত এঘৰীয়া কৰি পেলাইছিল। ভাৰতীয় মুছলমানৰ ৰাজনীতি ও অৰ্থনৈতিক কাঠামো ভাঙি গুৰি কৰি দিয়াৰ পাছত অৱশ্য এটা সময়ত বৃটিছৰ মনোভাৱ পৰিবৰ্ত্তন হৈছিল। সেয়াও আছিল অন্য এক ৰাজনীতি। যেতিয়া ভাৰতীয় হিন্দু সকলে শিক্ষাদীক্ষা, ৰাজনীতি, অৰ্থনীতি ও সাংস্কৃতিক দিশত মানদণ্ড সম্পন্য পৰ্য্যায় উন্নিত হৈ বৃটিছ বিৰোধী মনোভাৱ পোষণ কৰিছিল তেতিয়াহে। একেবাৰে শেষ মুহূৰ্ত্তত বৃটিছৰ মনোভাৱ পৰিবৰ্ত্তনহৈ (Divide and Rule Policy) বুলি কলে কব পৰি) মুছলমান সকলক আগুৱাই লৈ যোৱাৰ পথত আকৌ ভাৰতীয় মোল্লা মোছল্লি সকলৰ কবলত পৰি মুছলমান সকলে দ্বিতীয়বাৰ থেকেছা খাইছিল। যিকেই নহঁক উক্ত সময়ৰ সমূহ গোড়ামি ও এক গেয়ামীক আওকান কৰি মাননীয় চাৰ চৈয়দ আহমেদ ১৮৬৪ চনত গাজী পুৰত ইংৰাজী শিক্ষাৰ বিদ্যালয় আৰু ১৮৭৭ চনত আলিড়ত মেহমেদান এংলো অৰিয়েন্টেল্ কলেজ প্ৰতিষ্ঠা কৰিছিল। উক্ত কলেজখনেই অৱশেষত আলিগড় বিশ্ববিদ্যালয়লৈ ৰূপান্তৰিত হৈছিল। আজিৰ এই শুভ ''নৱজ্যোতি মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তী'' উপলক্ষে স্মৃতি গ্ৰন্থত দিয়াৰ বাবে এটি লিখনি লিখাৰ মুহূৰ্তত মনত পৰিছে তেতিয়াৰ মহাবিদ্যালয়ৰ আঁদৰনি সভাৰ(আমি ছাত্ৰ থকা সময়ৰ) এটি ভাষনলৈ। আদৰণি সভাৰ মুকলি সভাৰ কাৰ্য্যসূচীত 'ছাত্ৰ ছাত্ৰীৰ বক্তব্য' শিতানত তাইজুদ্দিন আহমেদে (তেতিয়াৰ স্নাতক মহলাৰ ছাত্ৰ) নৱজ্যোতি মহাবিদ্যালয়খনক দ্বিতীয় আলিগড় বিশ্ববিদ্যালয় বুলি মন্তব্য কৰাত সভাখনত অৱশ্যই বহুতেই বক্তব্যটোৰ বিৰুদ্ধে মাত মাতিবলৈ সাহস কৰিছিল। তাহানিত যদিও প্ৰত্যেকজন ছাত্ৰ-ছাত্ৰীয়ে ভাৰতীয় নিৰপেক্ষতা ও গণতন্ত্ৰ লগতে জাতি ধৰ্ম বৰ্ণ নিৰ্ব্বিশেষে কথাটো বিশ্বাস কৰি আহিছিল কিন্তু সময়ৰ সোঁতত বিশেষকৈ বহিৰাগত, বিদেশী আন্দোলনে বংগীয় মূলৰ মুছলমানক ন্যায় অন্যায় বিচাৰ নকৰি বিদেশী সজাই অত্যাচাৰ কৰা আৰু নগৰ চহৰীয়া শিক্ষানুষ্ঠানত উক্ত পৰিস্থিতিৰ প্ৰতিফলন ঘটাত বৰ্ত্তমানৰ অসমৰ পৰিস্থিতিৰ পৰ্য্যালোচনা কৰিলে, খুৱ সম্ভৱ তাইজুদ্দিন আহমেদৰ সেই বক্তব্যটো একেবাৰে উৰুৱাই দিয়া বিধৰ নাছিল বুলিব পাৰি। অৱশ্যে সৰ্ব্বশেষৰ ভয়াবহ পৰিস্থিতিয়ে অসমৰ সমূহ জনগোষ্ঠীয়ে ভ্ৰাতৃবোধৰ ওপৰত বিশ্বাস আনি সুস্থ সৱল অসম গঢ়াৰ বাস্তৱতা খিনি বাছি লব বুলি আশা।

নৱজ্যোতি মহাবিদ্যালয় স্থাপন মানে বৃহত অঞ্চলৰ নৱউদ্দীপনাহে আছিল। বিগত দিনৰ পৰা আজি পৰ্য্যন্ত লক্ষ্য কৰিলে দেখা যায় কেৱল নৱউদ্দীপনাই নাছিল সময়ত সেয়া হৈ পৰিছে নৱজাগৰণ হিচাপে। শিক্ষাদীক্ষাৰ ক্ষেত্ৰত অঞ্চলটো আছিল প্ৰায় শূন্য। কেৱল বৰপেটা জিলা সংলগ্ন বঙাইগাঁও জিলাৰ সীমামূৰীয়া ঠাই চাক্‌লাত থকা প্ৰাথমিক বিদ্যালয়ৰ পৰা উচ্চ মাধ্যমিক বিদ্যালয়লৈ থকা শিক্ষানুষ্ঠানেহে বিস্তৃত অঞ্চলৰ দৰিদ্ৰ জনসাধাৰণৰ বাবে অ, আ, A,B ইত্যাদি শিকিবলৈ সুযোগ পাইছিল।

বিগত দিনৰ নৱজ্যোতি মহাবিদ্যালয়ৰ সমসাময়িক শৈক্ষিক অৱস্থালৈ লক্ষ্য কৰিলে নিশ্চয় মনলৈ তৃপ্তি আহে। ঘৰে ঘৰে শিক্ষিতৰ ভীৰ। পশ্চিম বৰপেটা পূব অভয়াপুৰীৰ বিস্তৃত অঞ্চলত গঢ়ি উঠা নিম্ন পৰ্য্যায়ৰ পৰা মহাবিদ্যালয় পৰ্য্যায়ৰ সমূহ শিক্ষানুষ্ঠানৰ শতকৰা নৱৈ জনেই নৱজ্যোতি মহাবিদ্যালয়ৰ দান বুলি কলেও বঢ়াই কোৱা নহব। গতিকে চাপৰি বাসী ৰাইজৰ বাবে মহাবিদ্যালয়খনৰ জন্ম আছিল এটি আৰ্শীবাদ স্বৰূপ। শিক্ষানুষ্ঠানক কেন্দ্ৰ কৰি বিশ্বত বহুত সৰু ডাঙৰ নগৰ চহৰৰ জন্ম হোৱাৰ দৰে নৱজ্যোতি মহাবিদ্যালয়েও এটি অৰ্থনৈতিক কাঠামো সৃষ্টিত কম কৰি হলেও অৱদান যোগাইছে। চাকৰি পোৱা সকলৰ বাহিৰেও কিছুমান শিক্ষিত যুৱকে খেতিবাতি কৰি আত্মনিৰ্ভৰশীল হোৱাৰ চেষ্টা চলাইছে। একমাত্ৰ শিক্ষাৰ ওপৰত নিৰ্ভৰ কৰিয়েই বিভিন্ন ধৰণৰ কৰ্মলৈ ধাউতি হোৱা পৰিলক্ষিত হৈছে।

সকলোতকৈ ডাঙৰ বিষয় হৈছে, নৱজ্যেতি মহাবিদ্যালয় কেন্দ্ৰিক শিক্ষাৱস্থাই জনসাধাৰনলৈ নাইবা শিক্ষাৰ্থী সকললৈ মানসিক দিশত কিমানখিনি আগুৱাই লৈ যোৱাত ফলৱতী হৈছে। নে কেৱল চাকৰি মুখী মানসিকতাৰ সৃষ্টিৰ সহায়তা বা দিকভ্ৰান্ততাত ভূগিছে ? দেশত বৰ্ত্তমানে শিক্ষিতৰ হাৰ বৃদ্ধি পোৱাত অৱশ্যই চৰকাৰ তৰফৰ পৰা নিয়োগৰ চেষ্টাত ব্যৰ্থ হোৱা পৰিলক্ষিত হৈছে। কিন্তু খেতিবাতি, চাকৰি-বাকৰি বা গতানুগতিক বৃত্তিৰ বাহিৰেও বৰ্ত্তমানৰ অত্যাধুনিক যুগত অন্যান্য আনুসাংগিক বিষয়তও শিক্ষিত চামে নিজক প্ৰতিষ্ঠা লাভ কৰাব পাৰে। সাহিত্য-সংস্কৃতি, সংগতি, খেলধেমালি ইত্যাদি অৰ্থাৎ extra carricular activities ৰ ওপৰত অত্যাধুনিক পৃথিবীয়ে বৰকৈ মনকান দিয়াত শিক্ষিত চামে কেৱল পৰম্পৰাগত ভাৱে চলি অহা জীৱিকাৰ ওপৰত বিশ্বাস নাৰাখি বৰ্ত্তমানৰ লগত খাব খুৱাই চলা উচিত। এইক্ষেত্ৰত নৱজ্যোতি অঞ্চলৰ বৃহত উচ্চ পৰ্য্যাৰ শিক্ষানুষ্ঠান হিচাপে মহাবিদ্যালয় খনৰ প্ৰৱক্তা সকলে সাহিত্য, সমাজসেৱা মূলক কামত যথেষ্ট অৱিহনা যোগব পাৰে। বৃহত অঞ্চলৰ অশিক্ষিত নিৰক্ষৰ জনগনে মহাবিদ্যালয়খন স্থাপন কৰি কেৱল আজাদিত খাই বই জীৱন নিৰ্ব্বাহৰ বাবে প্ৰৱক্তা সকলৰ পৰা আশা কৰা নাছিল। সমস্যা বহুল দেশ ও দহৰ হিত চিন্তাৰ বাবেই শিক্ষাৰ প্ৰয়োজন অনুভৱ কৰিছিল সেই নিৰক্ষৰ সকলে। কিন্তু সেই আশা ফুলিব নে ? তুলনা কৰিলে বৰ্তমানৰ শিক্ষিততকৈ তাহানিৰ নিৰক্ষৰ সকলেই বেছি শিক্ষাৰ প্ৰতি ধাউতি আছিল।

কুৰি শতিকাৰ যৱনিকা আৰু একবিংশ শতিকাৰ প্ৰাক মুহূৰ্তত অসমৰ বুকুত যি জনগোষ্ঠীয় আন্দোলনে গা কৰি উঠিছে সেই আন্দোলনৰ লগত খোজ মিলাই চলিব গলে অসমত চৰম নিপিড়িত জনগোষ্ঠী "মিঞা জনগোষ্ঠী"ৰ বাবে নৱজ্যোতি মহাবিদ্যালয় হৈছে এক প্ৰকাৰৰ "শিক্ষাৰ প্ৰদীপ"। নকৈ জন্মলোৱা মিঞা সাংস্কৃতিক আন্দোলন, যি আন্দোলনক অসমৰ বুকুত সৰ্ব্ব প্ৰথমে কলগাছিয়াৰ 'স্বৰগম সংগীত পৰিষদ' নামক সাংস্কৃতিক গোষ্ঠী ও অন্যান্য সাংস্কৃতিক গোষ্ঠীয়ে পৰিচালনা কৰি আছে সেই সাংস্কৃতিক বিপ্লৱৰ ধ্বজা উৰুৱাবলৈ গলেও নৱজ্যোতি মহাবিদ্যালয়েই প্ৰথমে ত্যাগ স্বীকাৰ কৰিব লাগিব। সাহিত্য চৰ্চাৰ ক্ষেত্ৰতো মহাবিদ্যালয়ৰ মনকান নথকা পৰিলক্ষিত হৈছে। সাহিত্য সংস্কৃতি, ক'লা কৃষ্টি ইত্যাদিয়েই যিহেতু মানুহৰ জীৱন প্ৰণালীৰ মানদণ্ড জোখাৰ মাফকাঠি। সেয়েহে তেখেত সকলে উন্নত মানবিক দিশ সমূহলৈ আগবাঢ়ি আহি মানৱ সমাজৰ বাবে অৱিহনা যোগোৱা উচিত। নৱজ্যোতি মহাবিদ্যালয়ৰ "ৰূপালী জয়ন্তী"য়ে বৃহত্তৰ অসমীয়া জাতি শিক্ষা সংস্কৃতিৰ পতাকা বহন কৰাৰ উপৰিও বিশেষকৈ বংগীয় মূলৰ "মিঞা জনগোষ্ঠী"ৰ মানদণ্ডও তুলাচনীৰে জুখিবা গতিকে নৱজ্যোতি মহাবিদ্যালয় মানে কেৱল এটি শৈক্ষিক বিপ্লৱেই নহয় ই হৈছে সৰ্ব্ব দিশৰ "জাতীয় বিপ্লৱ"।



## উদ্যোক্তা সকল



আলহাজ বহিৰউদ্দিন আহমেদ



সাহাবুদ্দিন চৰকাৰ



কুদ্ৰত উল্লাহ তালুকদাৰ



আব্দুল কাদেৰ

যিসকল ব্যক্তিৰ অনুপ্ৰেৰণা আৰু উদ্যোগ অবিহনে কলগাছিয়াৰ
বুকুত নৱজোতি মহাবিদ্যালয় স্থাপন নহলহেতেন

# উদ্যোক্তা সকল



মোজাম্মিল হুচেইন



আঃ কাদেৰ (বাবু)



আব্দুল . হামিদ



আঃ কদ্দুছ দেৱানী

যি সকল ব্যক্তিৰ অনুপ্ৰেৰনা আৰু উদ্যোগ অবিহনে কলগাছিয়াৰ বুকুত নৰজ্যোতি মহাবিদ্যালয় স্থাপন নহলহেতেন



বছিৰ উদ্দিন আহমেদ
নৰজ্যোতি মহাবিদ্যালয়ৰ ১ম অধ্যক্ষ ।
১৯৭১-১৯৭৩, ২ জানুৱাৰী



আব্দছ ছাত্তাৰ আহমেদ
উপাধ্যক্ষ (১৯৭২-১৯৭৩)
অধ্যক্ষ (১৯৭৩ চনৰ পৰা বৰ্ত্তমানলৈ)




মোজাম্মেল হুচেইন
১৯৭০ চনৰ পৰা ৭৬ চনলৈ প্ৰতিষ্ঠাপক সম্পাদক আৰু ১৯৭০ চনৰ পৰা ১৯৭২ চনলৈ উপাধ্যক্ষ, পুনৰায় ১৯৭৩ চনৰ পৰা বৰ্ত্তমানলৈ উপাধ্যক্ষ ।



আধাৰশিলা স্থাপন
ফকৰুদ্দিন আলি আহমেদ
প্ৰাক্তন ৰাষ্ট্ৰপতি



শ্ৰেণী উদ্বোধন
এড্‌ভোকেট আব্দুল লতিফ চাহাব

## কৰ্মৰত অধ্যক্ষ



কৰ্মৰত অৱস্থাত মহাবিদ্যালয়ৰ পৰম শ্ৰদ্ধাভাজন অধ্যক্ষ আব্দুছ ছাত্তাৰ আহমেদ । যিজন মহানব্যক্তিৰ অক্লান্ত প্ৰচেষ্টাত নৱজ্যোতি মহাবিদ্যালয়খন প্ৰগতিৰ শিখৰলৈ দোপত্ দোপে আগুৱাই গৈ আছে



**১৯৭১ চনৰ শিক্ষক ও কৰ্মচাৰী**

সোঁফালৰ পৰা- বচিৰ উদ্দিন আহমেদ, আব্দুচ চাত্তাৰ আহমেদ,
মোজম্মিল হুচেইন, ওমৰ আলি আহমেদ, আব্দুচ চালাম (কৰ্মচাৰী)



মহাবিদ্যালয় পৰিচালনা সমিতি (বিশেষ)



আব্দুল ৰৌফ, এম.এল.এ.
কলেজ পৰিচালনা (বিঃ) আৰু ৰূপালী জয়ন্তী
উদ্‌যাপন সমিতিৰ সভাপতি



কলেজ পৰিচালনা সমিতিৰ
দ্বিতীয়জন সভাপতি



ৰূপালী জয়ন্তী উদযাপন সমিতি



স্মৃতিগ্ৰন্থ উপ সমিতি



গ্ৰন্থাগাৰ ভৱন



বৰ্তমানৰ শিক্ষক-শিক্ষয়ত্ৰী সকল



মহাবিদ্যালয়ৰ কাৰ্য্যালয় সহায়ক সকল



মহাবিদ্যালয়ৰ প্ৰথমৰ পৰা বৰ্ত্তমানলৈ
ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক সকল



ছাত্ৰ একতা সভা




মহাবিদ্যালয়ৰ প্ৰৱেশ দ্বাৰ



১৯৭১ চনৰ ২৪ জুলাইৰ গুৱাহাটি বিঃ বিদ্যালয়ৰ পৰা নৱজ্যোতি মহাবিদ্যায়লৈ সৰ্ব্বপ্ৰথম পাঠ্যক্ৰম খোলাৰ বাবে অনুমতি দিবলৈ মহাপৰিদৰ্শক এইচ. পি. দাস



মহাবিদ্যালয় ছাত্ৰাবাস



মহাবিদ্যালয়ৰ ছাত্ৰী নিবাস

# বৃহত্তৰ পশ্চিম বৰপেটা আৰু পূব অভয়াপুৰী অঞ্চলৰ আৰ্থ-সামাজিক অৱস্থা

ওমৰ আলী আহমেদ
মুৰব্বী অধ্যাপক
ইতিহাস বিভাগ। এন. জে.ছি।

উত্তৰে-সৰভোগ, দক্ষিণে বাঘৰ, পূবে-পশ্চিম বৰপেটা আৰু পশ্চিমে পূব অভয়াপুৰীৰ এই চাৰিসীমাৰ ভিতৰত থকা বৃহৎ অঞ্চলেই বৃহত্তৰ পশ্চিম বৰপেটা আৰু পূব অভয়াপূৰী। অসমৰ একেবাৰে নামনি অঞ্চল বোৰৰ ভিতৰত এই ঠাইখিনিও অন্যতম। ইয়াত বসবাস কৰা জনসংখ্যা ৪ লাখতকৈ অধিক। প্ৰকৃতি প্ৰেমী এই জনগণৰ বাসস্থানক পৰিচিত চাৰিখন নদী 'বেকী, ব্ৰহ্মপুত্ৰ, 'আই আৰু মানহে চাৰিও ফালৰ পৰা আগুৰি আছে। ইয়াত মূলত 'হিন্দু' আৰু ইছলাম ধৰ্মাৱলম্বীৰ মানুহে বসবাস কৰে। হিন্দু ধৰ্মৰ মানুহবোৰক সাধাৰণতে প্ৰধান তিনিটা ভাগত ভাগ কৰিব পাৰি; যেনে - 'অসমীয়া হিন্দু', 'বঙালী হিন্দু' আৰু 'কচাৰী' সকল। মিলা-প্ৰীতিৰ মাজত বসবাস কৰা অধিকাংশ মানুহেই কৃষি জীৱিকাৰ ওপৰত নিৰ্ভৰশীল।

এই বৃহৎ অঞ্চলটোৰ ঐতিহাসিক গুৰুত্বও অতি তাৎপৰ্য্যপূৰ্ণ। এই বৃহৎ অঞ্চলটোৰ ঐতিহাসিক দিশ অধ্যয়ন নকৰিলে হয়তো অসম বুৰঞ্জীয়েই আধৰুৱা হৈ থাকিব। ঐতিহাসিক দিশৰ আটাইতকৈ গুৰুত্বপূৰ্ণ ঠাই বোৰ হ'ল মন্দিয়া ব্লকৰ অন্তৰ্গত 'হাদিৰা চকী, ফুলৰা চতলা সত্ৰ কনৰা আদি; ৰূপসী ব্লকৰ অন্তৰ্গত 'চক্‌চকা', 'ভেৰাগ্ৰাম', 'ময়নবড়ী', ছনপুৰা জনিয়া আদি। অসমত ম্লানৰ আক্ৰমণৰ অন্তিম দৃশ্যৰ সামৰণি পৰিছিল অসম বুৰঞ্জী প্ৰসিদ্ধ ঠাই হাদিৰা চকীত। মহাৰাজ নৰনাৰায়ণ চিলাৰায়ৰ দিনত তেওঁৰ ভায়েক গোঁসাই কমলে নিৰ্মাণ কৰা 'গোঁসাই কমল আলি' চকচকাৰ মাজেৰে পাৰ হৈ গৈছে। ভেৰাৰ গ্ৰামত স্থাপিত অসমৰ প্ৰথম গদ্য লিখক ভট্টদেৱৰ সত্ৰ এতিয়াও জিলিকি আছে। ময়নবড়ী, ছনপুৰা আদি ঠাইত বৈষ্ণৱ ধৰ্মৰ প্ৰৱৰ্তক মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে সত্ৰ স্থাপন কৰিছিল। এইদৰে বিভিন্ন বুৰঞ্জী প্ৰসিদ্ধ ঘটনাই এই ঠাইবোৰক অসম বুৰঞ্জীত উজ্জ্বল কৰি ৰাখিছে। এই ঠাইবোৰৰ ঐতিহাসিক ঘটনাৰ আলম লৈয়ে ঔপন্যাসিক শ্ৰীৰজনী কান্ত বৰদলৈ দেৱে তেখেতৰ বিখ্যাত উপন্যাস "মনোমতী" ৰচনা কৰিছে। সেয়ে এই বিশাল অঞ্চলৰ ঐতিহাসকি গুৰুত্বক আমি কোনো পধ্যেই নুই কৰিব নোৱাৰো।

কিন্তু অতি দুখৰ বিষয় যে বুৰঞ্জী প্ৰসিদ্ধ ঠাই খিনিৰ স্বাধীনতাৰ প্ৰায় অৰ্দ্ধ শতিকা পাৰহৈ যোৱাৰ ৫০ বছৰ পিছতো বৰ্ত্তমান অৱস্থা অতি লজ্জাজনক। মানুহৰ আৰ্থ-সামাজিক অৱস্থা অতি শোকলগা চৰকাৰেও বৃহৎ অঞ্চলৰ প্ৰতি কোনো গুৰুত্ব নিদিয়াত জনগণৰ অৱস্থা চৰম বিপৰ্যায়লৈ গতি কৰিছে। গৰাখহনীয়াৰ অভিশাপ, বানপানীৰ তাণ্ডৱ আৰু চৰকাৰৰ চৰম অমনযোগীতাৰ বাবে আজি মানুহ বোৰৰ অৱস্থা পানীত হাঁহ নচৰাৰ দৰে হৈছে। এই বৃহৎ অঞ্চলবাসী মানুহৰ আৰ্থ-সামাজিক অৱস্থাৰ এটি সংক্ষিপ্ত বিৱৰণ তলত উল্লেখ কৰাৰ দৰে অংকিত কৰিব পাৰি।

বৃহৎ অঞ্চলৰ শতকৰা ৯০ ভাগ মানুহেই কৃষি জীৱিকাৰ ওপৰত নিৰ্ভৰশীল। কৃষিজীৱি মানুহৰ হাড় ভঙা পৰিশ্ৰমেই হল জীৱন নিৰ্বাহৰ একমাত্ৰ উপায়। এওঁলোকে বিভিন্ন ধৰণৰ খেতি কৰে যেনে মৰাপাট, ধান, গম

সৰিয়হ, মাটিমাহ, বিভিন্ন মানুহৰ উৎপাদিত মৰাপাট অসমৰ বাবে এক লেখত লবলগীয়া অৱদান। ধান খেতিৰ ভিতৰত এওঁলোকে বিশেষকৈ শালি আৰু আহু ধানৰ খেতি কৰে। কিন্তু বান পানীৰ প্ৰৱল প্ৰকোপৰ বাবে কেতিয়াবা কেতিয়াবা আহু ধানৰ খেতি সম্পূৰ্ণ নষ্ট হয়। তথাপিও এই প্ৰকৃতি প্ৰেমী কৃষক সকলে ভাগি নপৰি বছৰৰ পিছত বছৰ ধৰি একে খেতিৰেই পুনৰাবৃত্তি কৰে। সৰিয়হ, মাটিমাহ, গম আদিৰ খেতিৰ ক্ষেত্ৰতো এওঁলোকৰ পাৰদৰ্শিতা অপৰিসীম। শাক পাঁচলিৰ খেতিৰ ক্ষেত্ৰত বিশেষকৈ লাংলা, বালিকুৰী, জনতা বজাৰ, গৰৈমাৰী বানিয়াৰপাৰা, জনীয়া শ্বৰিয়তপূৰ আদিৰ কৃষক সকলে এক অভূতপূৰ্ব পাৰদৰ্শিতা দেখুৱাই আহিছে। এওঁলোকে বিশেষকৈ আলু, কবি, বিলাহী বেঙেনা, গাজৰ, জলকীয়া আদিৰ খেতি কৰি নিজৰ অৰ্থনৈতিক সমস্যাৰ কিছুপৰিমানে হলেও সমাধান কৰিবলৈ সক্ষম হয়। কিন্তু উল্লেখ যোগ্য যে সম্পৰ্ণ বৈজ্ঞানীক ভিত্তিত কৃষি কৰিবলৈ এওঁলোকে চৰকাৰৰ ফালৰ পৰা কোনো ধৰণৰ অৰ্থৰ সাহাৰ্য্য পোৱা নাই। আনকি সাৰ সমূহও তেওঁলোকে বজাৰৰ পৰা অধিক মূল্যত কিনিবলগীয়া হয়। চৰকাৰৰ চৰম পক্ষপাত দৃষ্টিৰ কবলত ভুগি থকা এই কৃষক সকলে আনকি জলসিঞ্চনৰ নুন্যতম ব্যৱস্থাখিনিও লাভ কৰিবলৈ সক্ষম হোৱা নাই। সেয়ে সম্পূৰ্ণ আত্ম নিৰ্ভৰ শীল কৃষক সকলে নিজৰ উৎপাদিত শস্যৰে বছৰৰ চাৰি পাঁচ মাহতকৈ অধিক দিন চলিব নোৱাৰে। সেয়ে শেষত বাহিৰৰ পৰা অহা খাদ্যবস্তু অধিক মূল্যত আমদানী কৰিবলগীয়া হয়। তদুপৰি কৃষক সকলৰ উৎপাদিত শস্য আৰু শাক পাঁচলি বিক্ৰী- কৰিবৰ বাবে এই অঞ্চলৰ কিছুমান সৰু সুৰা বজাৰ যেনে কলগাছিয়া, লাংলা, খৰিচালা, জনীয়া আদিৰ ওপৰত নিৰ্ভৰ কৰিলগীয়া হয়। যাৰ বাবে এওঁলোকে সদায় উচিত মূল্য পোৱাৰ পৰা বঞ্চিত হয়। শস্য, মৰাপাট, শাক পাচলি আদি উৎপাদন কৰে এই নিৰ্য্যাতিত, নীপিড়ীত কৃষক সকলে, কিন্তু লাভ্যাংশৰ অধিকাংশেই আহৰণ কৰে চহৰৰ ব্যৱসায়ী সকলে। মুঠতে কৃষক সকলৰ সামগ্ৰিক জীৱন নিৰ্বাহৰ প্ৰণালী অতি নিম্নমানৰ আৰু দেশৰ ধৰণী স্বৰূপ এই কৃষক সকল চাৰিও ফালৰ পৰা অৱহেলিত। বাকী ১০ শতাংশ মানুহ শিক্ষক, কেৰাণী, মহুৰী আদিতকৈ ডাঙৰ চাকৰি (দুই এজনৰ বাহিৰে) পোৱা নাই। এওঁলোকৰ জীৱন নিৰ্বাহৰ মান দণ্ড কৃষক সকলতকৈ অলপ উন্নত।

এই নামনি অঞ্চলৰ মানুহবোৰৰ আন এক ডাঙৰ অভিশাপ হ'ল বান পানীৰ নিৰ্য্যাতন আৰু গৰাখহনীয়াৰ অত্যাচাৰ। বানপানীৰ প্ৰকোপৰ বাবে খেতি বাতি নষ্ট হোৱাৰ উপৰিও ৰাস্তা ঘাটবোৰ সমূলঞ্চে ধ্বংস কৰি পেলায়। আন এক, অটাইতকৈ ডাঙৰ সমস্যা হ'ল বেকী, আৰু ব্ৰহ্মপুত্ৰৰ ভয়ানক গৰাখহনীয়া। কিছুমান অঞ্চল বিশেষকৈ কামাৰ চৰ, বেছিমাৰী, খাৰবাল্লি, কাদং, মজিদ বিটা, বিস্তৃত ময়নবড়ী অঞ্চল আদি বেঁকী আৰু ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়াৰ কৱলত। ফলত দিনে দিনে মানুহ গৃহহীন হবলগীয়া হৈছে। উপায় নাপাই এই গৃহহীন মানুহবোৰে নিজৰ জীৱন নিৰ্বাহৰ বাৱে গুৱাহাটীৰ নিচিনা বিভিন্ন চহৰলৈ যায় কাম বিচাৰি। এই গৃহহীন মানুহবোৰ চহৰবাসী মানুহবোৰৰ লজ্জাজনক দৃষ্টিৰ বলি হবলগীয়া হয়। অথচ চৰকাৰ সদায় নীৰৱ।

অসমৰ অনুন্নত যোগাযোগ ব্যৱস্থা অঞ্চলবোৰৰ ভিতৰত পশ্চিম বৰপেটা আৰু পূব অভয়াপুৰীৰ অন্তৰ্গত বৃহৎ এলেকাটোৱেই এতিয়াও প্ৰথম স্থান অধিকাৰ কৰি আছে। এই বৃহৎ অঞ্চলটোৰ মাজেৰে বাছ চলাচল কৰা একমাত্ৰ ৰাস্তাটো হ'ল সৰভোগৰ পৰা কলাগাছিয়াহৈ ময়নবৰ্ড়ীলৈ। তাকো যোৱা সাত বছৰমান ধৰি কলগাছিয়াৰ পৰা ময়নবড়ীলৈ বাছ চলাচল কৰাটো বন্ধ হৈ আছে। কাৰণ বান পানীয়ে ৰাস্তাটোৰ মাজে মাজে উচুৱাই নিছে। এই ৰাস্তা মেৰামতি কৰিবলৈ চৰকাৰৰ আহৰি নাই। তদুপৰি অধিক বৰষুণ দিলেও সৰভোগৰ পৰা কলগাছিয়ালৈ বাছ চলাচল বিঘ্নিত হয়। যোৱা বছৰ (১৯৯৬ ইং) ৰ প্ৰৱল বানপানীয়ে এই বৃহৎ অঞ্চলৰ আলি পদুলি বোৰকো



ভাঙি চূৰমাৰ কৰিছে। ইয়াৰ উপৰিও সৰভোগৰ পৰা কলগাছিয়াহৈ ময়নবৰ্ড়ীলৈ যোৱা মূল ৰাস্তাটোৰ খৰিচালাত, বৃহৎ অঞ্চলৰ একমাত্ৰ উচ্চ শিক্ষাৰ অনুষ্ঠান নৱজ্যোতি মহাবিদ্যালয়ৰ সন্মূখত আদি কৰি কমেও ৩০ খন ঠাইৰ মাটি সম্পূৰ্ণৰূপে খহাই নি এক বিৰাট সমস্যাৰ সৃষ্টি কৰিছে। মাথাউৰি বিহীন এই বৃহৎ অঞ্চলৰ মানুহবোৰৰ যোগাযোগ ব্যৱস্থা যে কেতিয়াবা হব সেয়া সন্দেহৰ বিষয়।

সমস্যা জৰ্জৰিত এলেকাটোৰ উন্নতিৰ বাৱে অসম চৰকাৰে কেতিয়াও কোনো ধৰণৰ পদক্ষেপ হাতত লোৱা নাই। প্ৰায় ৪ লাখৰো অধিক জন সাধাৰনে বসবাস কৰা এই বিশাল এলেকাটোত এতিয়ালৈ কোনো ধৰণৰ উদ্যোগ গঢ়ি উঠা নাই। চৰকাৰী উদ্যোগ দূৰৰ কথা, এতিয়ালৈ কোনো ধৰণৰ ব্যক্তিগত উদ্যোগো গঢ়ি উঠা নাই। অৱশ্যে সমস্যা জৰ্জৰিত এই অঞ্চলৰ কোনো এজন লোকেই নিজাববীয়াকৈ উদ্যোগ গঢ়ি তোলাৰ বাবে স্বাৱলম্বী নহয়। চৰকাৰৰ এই অৱহেলাৰ বাবে জনসাধাৰণ বাৰুকৈয়ে ভুক্তভোগী। অৱশ্যে ইয়াৰে দুই এজন মানুহে নিজা ববীয়াকৈ যদিও বাহ বেতৰ উদ্যোগ গঢ়ি তুলিবলৈ চেষ্টা কৰিছে। তথাপিও অৰ্থনৈতিক সংকটৰ বাবে কৃতকাৰ্য্য হব পৰা নাই।

এই বৃহৎ এলেকাৰ মানুহবোৰ সচাঁকৈ চাৰিওফালৰ পৰা বঞ্চিত তথাপিও এই সৰল চেতীয়া মানুহবোৰৰ আছে এক কোমল মন। তেওঁলোক কেতিয়াও ভাগি পৰা নাই। বিভিন্ন সমস্যাৰ লগত যুজ দিয়াটো যেন এওঁলোকৰ এক বিৰাম বিহীন সংগ্ৰাম। যদিও এওঁলোক সমস্যাৰে জৰ্জৰিত তথাপিও এওঁলোকৰ আছে শিক্ষাৰ প্ৰতি অগাধ ভালপোৱা। নানা কষ্টৰ মাজেৰেও শিক্ষা লাভ কৰি বাহিৰৰ জগতখনৰ লগত পৰিচয় হবলৈ ঢাপলি মেলিছে। শিক্ষাপ্ৰেমী ৰাইজৰ প্ৰচেষ্টাত গঢ়ি উঠিছে বিভিন্ন শিক্ষানুষ্ঠান। এই শিক্ষানুষ্ঠানবোৰৰ ভিতৰত চাক্‌লা হায়াৰ ছেকেণ্ডাৰী স্কুল, খৰিচালা হায়াৰ চেকেণ্ডাৰী স্কুল, গুণীয়াল গুৰী হায়াৰ ছেকেণ্ডাৰী স্কুল, লাংলা হায়াৰ ছেকেণ্ডাৰী স্কুল, ময়নবড়ী হায়াৰ ছেকেণ্ডাৰী স্কুল, বালিকুৰী হায়াৰ ছেকেণ্ডাৰী স্কুল, জনীয়া হায়াৰ ছেকেণ্ডাৰী স্কুল, কৃষ্ণ কান্ত পাঠক হাই স্কুল কলগাছিয়া, জি.কে. এৰাবিক কলেজ, গুণীয়ালগুৰী ইত্যাদিৰ লগতে আন বহুতো এম.ই. আৰু এল পি স্কুল। মহিলা সকলোকো শিক্ষা জগতৰ লগত আগবঢ়াই নিবলৈ গঢ়ি উঠিছে কেইবাখনো ছোৱালী হাই স্কুল।

গৌৰৱৰ বিষয় যে এই শিক্ষা প্ৰেমী ৰাইজৰ অশেষ প্ৰচেষ্টাত ১৯৭১ চনত কলগ.ছিয়াত গঢ়ি উঠিছে উচ্চশিক্ষাৰ এক অনুষ্ঠান 'নৱজ্যোতি মহা বিদ্যালয়।' পশ্চিম বৰপেটা আৰু পূব অভয়াপূৰীৰ এই বৃহৎ এলেকাৰ 'নৱজ্যোতি মহাবিদ্যালয়' খনেই হ'ল দৰিদ্ৰতাৰ সীমা ৰেখাৰ তলত বসবাস কৰা জনসাধাৰণৰ উচ্চ শিক্ষাৰ এক মাত্ৰ অনুষ্ঠান। আজি এই অঞ্চলৰ ৰাইজৰ বাবে অতি সুখৰ দিন যে তেওঁলোকৰ প্ৰচেষ্টা... গা-কৰি উঠা 'নৱজ্যোতি মহাবিদ্যালয়ে এইবাৰ ৰূপালী জয়ন্তী উৎসৱ আয়োজন কৰিবলৈ সক্ষম হৈছে। ই সঁচাকৈয়ে নীপিড়িত জন সাধাৰণৰ বাবে গৌৰৱৰ বিষয় অৱশ্যে এতিয়া আৰু দুখন মহাবিদ্যালয় (লাংলা আৰু গৰৈমাৰীত) প্ৰতিষ্ঠিত হোৱাৰ পথত। কিন্তু এতিয়ালৈ পোনপটীয়াভাৱে চৰকাৰৰ অনুগ্ৰহত কোনো ধৰণৰ আন উচ্চ শিক্ষানুষ্ঠান ইয়াত গঢ়ি উঠা নাই। চৰকাৰৰ দৃষ্টিৰ বাহিৰত থকা এই বৃহৎ এলেকাটোত, Computer ৰ যুগতো কোনো কাৰীকৰি দিশৰ শিক্ষানুষ্ঠান গঢ়ি উঠা নাই।

এইদৰে বান বানীৰ প্ৰকোপ, গৰাখহনীয়াৰ অত্যাচাৰ, জলসিঞ্চন ব্যৱস্থাৰ অভাৱ, দুৰ্দসাগ্ৰস্থ যোগাযোগ ব্যৱস্থা, উদ্যোগ বিহীনতা কাৰীকৰি শিক্ষানুষ্ঠানৰ অভাৱ আৰু চৰকাৰৰ চৰম গাফিলতিৰ বাবে এই বৃহৎ এলেকাৰ জনসাধাৰণৰ আৰ্থ-সামাজিক অৱস্থাৰ অৱনতি ঘটিছে। সেয়ে অশেষ কষ্টতৰ মাজেৰে নৱজ্যোতি মহাবিদ্যালয়

আদিকে ধৰি কিছুমান অনুষ্ঠানৰ পৰা উচ্চ শিক্ষা লাভ কৰিও শ শ ডেকা গাভৰুৱে নিৱনুৱা সমস্যাত ভুগিব লগীয়া হৈছে। ইয়াৰ বাবে দায়ী কোন ? চৰকাৰ নে এই নীৰিহ জনসাধাৰণ ? অৱশ্যে এতিয়াও যদি এই বৃহৎ এলেকাৰ ওপৰত চৰকাৰৰ সুদৃষ্টি পৰে তেতিয়াহলে হয়তো ওপৰত উল্লেখিত সমস্যাৰ কিছু পৰিমাণে শাম কাটিব। তাৰ বাবে কৰিবলগীয়া কাম খিনি হ'ল ঃ-

১। বান পানীৰ প্ৰকোপৰ পৰা খেতি-বাতি, ঘৰ দুৱাৰ তথা ৰাস্তা-ঘাট আদি নষ্ট নহবৰ বাবে উপযুক্ত মথাউৰি নিৰ্মাণৰ ব্যৱস্থা কৰা।

২। নৈ পৰীয়া খেতি মাটি আৰু শ শ পৰিয়ালক গৃহহীনতাৰ পৰা ৰক্ষা কৰিবলৈ গৰাখহনীয়া ৰোধ কৰা। নহলে ই হয়তো এদিন এই বৃহৎ অঞ্চলৰ মনিকেন্দ্ৰঠাই কলগাছিয়াত নদীৰ বুকুত জাহ যাব।

৩। কৃষি উন্নয়নৰ বাবে জলসিঞ্চনৰ ব্যৱস্থা কৰা।

৪। বহিৰ্জগতৰ লগত সুবিধা জনক যোগাযোগ ৰাখিবলৈ এই বৃহৎ অঞ্চলৰ মূল পথবোৰ সৰভোগৰ পৰা কলগছিয়া হৈ ময়নবড়ী লৈ, শ্বৰিয়ত পুৰৰ পৰা সাওঁৰাচৰালৈ আৰু হাউলীৰ পৰা খন্দকাৰ পাৰা (সাইলটা) বজাৰ হৈ জনীয়ালৈ পকী কৰা। লগতে অভয়াপুৰীৰ পৰা লেংটি ছিঙা ও বৰপেটাহৈ গুৱাহাটীলৈ ৰাষ্ট্ৰীয় পথৰ ব্যৱস্থা কৰা।

৫। বৃহৎ অঞ্চলৰ উন্নতিৰ লগতে নিবনুৱা সমস্যাৰ দূৰ কৰিবলৈ উদ্যোগ গঢ়ি তোলা আৰু কলগাছিয়াক বৰপেটা জিলাৰ ২য়খন মহকুমা হিচাপে ঘোষণা কৰা।

৬। কাৰীকৰি দিশৰ শিক্ষানুষ্ঠান গঢ়ি তোলা ইত্যাদি।

এই সমস্যাবোৰৰ সমাধান হলে পশ্চিম বৰপেটা আৰু পূব অভয়াপুৰীৰ অন্তৰ্গত এই বৃহৎ পিছ পৰা এলেকাৰ আৰ্থ-সামাজিক অৱস্থাৰ বহুলাংশে উন্নতি হব।

"নিজে কথা কৈ থাকিলে একো শিকিব নোৱাৰি।
আনৰ কথা যথেষ্ট পৰিমানে শুনা উচিত।"

কট্‌ন



# শিক্ষা ব্যৱস্থাৰ সম্প্ৰিক্ষণত শিক্ষকৰ ভূমিকা

আঃ কদ্দুছ খাঁন
চাক্‌লা উচ্চতৰ মাঃ বিঃ

শিক্ষাৰ প্ৰকৃত উদ্দেশ্য হৈছে ছাত্ৰ-ছাত্ৰীক এটি সুন্দৰ আৰু সুযোগ্য জীৱনৰ বাবে প্ৰস্তুত কৰি গঢ়ি তোলা। এই সুন্দৰ আৰু সুযোগ্য জীৱন গঢ়িবলৈ যাওঁতে বিদ্যালয়ত শিক্ষকে ছাত্ৰ-ছাত্ৰীক পাঠ্যক্ৰমৰ বিভিন্ন বিষয়ৰ বাছনিৰ ওপৰত গুৰুত্ব প্ৰদান কৰে যাতে তেওঁলোকৰ চিন্তাধাৰা আৰু কামৰ বাবে ৰুচি আৰু আগ্ৰহৰ মাজত অভ্যাসৰ উন্নতি সাধন হয় আৰু সেই চিন্তাধাৰাৰ উন্নতিয়ে ছাত্ৰ-ছাত্ৰীক বৰ্তমানৰ জটিল বাস্তৱ জীৱনত খাপ খুৱাই আগবঢ়াই লৈ যাব পাৰে। কিন্তু বৰ্ত্তমান সৰ্ব্বস্তৰতে আজিৰ শিক্ষা ব্যৱস্থাই ইস্পিত লক্ষ্যত উপনীত নোহোৱাৰ বাবে শিক্ষাৰ এক আমূল পৰিৱৰ্ত্তন বাঞ্ছিত বুলি পৰামৰ্শ দিয়া হৈছে। বৰ্ত্তমান পৰিস্থিতিত জনসংখ্যাবৃদ্ধি, ঔদ্যোগিক বিকাশ নানাধৰণৰ প্ৰশাসনিক আৰু সামাজিক জটিলতাৰ বাবে দেশৰ শিক্ষা ব্যৱস্থাৰ পৰিৱৰ্ত্তন নিতান্তই প্ৰয়োজন। আনহাতে সৰ্ব্বসাধাৰণৰ দৈনন্দিন জীৱন বৃত্তিত সহায় কৰিব পৰা বিষয়ৰ শিক্ষা ব্যৱস্থা নথকাটো বৰ্ত্তমান শিক্ষাৰ আটাইতকৈ ডাঙৰ দুৰ্ব্বলতা। সামাজিক আৰু অৰ্থনৈতিক পৰিৱৰ্ত্তনৰ সৈতে শিক্ষা ব্যৱস্তাৰ দ্ৰুত পৰিৱৰ্ত্তন হোৱা সম্ভৱ নহয়। সেয়ে দেশৰ আৰ্থ-সামাজিক পৰিৱৰ্ত্তনৰ প্ৰতি লক্ষ্য ৰাখিয়েই বিভিন্ন সময়ত শিক্ষা আয়োগ গঠন কৰি শিক্ষা সময়োপযোগী আৰু বাস্তৱধৰ্ম্মী কৰিবলৈ প্ৰচেষ্টা লোৱা হৈছে। কিন্তু বৰ্ত্তমান ছাত্ৰসমাজত দেখা দিয়া হতাশা, নিৰাশা আৰু অৰাজকতাৰ প্ৰতি লক্ষ্য কৰিলে প্ৰতীয়মান হয় যে শিক্ষাৰ প্ৰকৃত উদ্দেশ্য সকলোতে বিফল হৈছে। বৰ্ত্তমান উচ্চ শিক্ষাৰে শিক্ষিত হৈ ছাত্ৰ-ছাত্ৰীৰ জীৱন যেন দুৰ্ব্বিসহ এক বোজাত পৰিণত হৈছে।

গভীৰ দৃষ্টিকোণতৰ পৰা লক্ষ্য কৰিলে সকলোৱে উপলব্ধি কৰিব পাৰিব যে শিক্ষা জগতৰ এই নৈৰাশ্যজনক অৱস্থা মূলত তিনিটা বিস্ফোৰণৰ ফলত উদ্ভৱ হৈছে। যেনে ১। জ্ঞানৰ বিস্ফোৰণ ২। জনসংখ্যা বিস্ফোৰণ আৰু ৩। আশা আকাঙ্খাৰ বিস্ফোৰণ

জ্ঞানৰ প্ৰসাৰ আৰু সম্প্ৰসাৰণ ইমান দ্ৰুত গতিত বৃদ্ধি পাইছে যে আজিৰ পাঠ্যক্ৰম আৰু পাঠ্যতালিকা পৰৱৰ্ত্তী দিনৰ বাবে খাপ নোখোৱা হৈছে। কিন্তু পাঠ্যক্ৰম আৰু পাঠ্যতালিকাৰ ইমান সঘনে পৰিৱৰ্ত্তন আৰু সংশোধন বাস্তৱ ক্ষেত্ৰত সম্ভৱ নহয়। আনহাতে ছাত্ৰ-ছাত্ৰীসকলে সীমিত জীৱন কালত পাঠ্যতালিকাৰ অপৰিসীম জ্ঞান লাভ কৰি পৰিপক্ক হোৱাটো সম্ভৱ নহয়। সেয়ে যি সীমিত জ্ঞান ছাত্ৰ-ছাত্ৰীয়ে অৰ্জ্জন কৰে তাৰ কাৰ্য্যকাৰিতা আৰু সাৰ্থকতা নিৰ্ভৰ কৰে শিক্ষক সকলৰ শিক্ষন প্ৰণালীৰ ওপৰত।

শিক্ষা জগতত দেখা দিয়া হতাশাৰ আন এটা উল্লেখযোগ্য কাৰণ হ'ল জনসংখ্যা বিস্ফোৰণ। প্ৰাথমিক স্তৰৰ পৰা বিশ্ববিদ্যালয় পৰ্য্যালৈলৈকে ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ভয়াবহৰূপে বৃদ্ধি পোৱাৰ ফলত শিক্ষাদান পদ্ধতিও বাৰুকৈয়ে বাধাগ্ৰস্থ হৈছে। বিশাল শ্ৰেণীত শিক্ষক সকলে ছাত্ৰৰ ৰুচি, অভিৰুচি আৰু ইচ্ছা-অনিচ্ছাৰ ক্ৰমভেদে পাঠদান কৰিব নোৱাৰাটো সৰ্ব্বজনবিদিত। বৰ্ত্তমান ছাত্ৰ-ছাত্ৰীৰ মাজত এটা অস্থিৰ আৰু অনিশ্চয়তা বিৰাজ কৰিছে আৰু তেওঁলোকে সৰ্ব্বস্তৰতে শিক্ষক সকলৰ ওপৰতে অসহায় ভাৱে নিৰ্ভৰ কৰে। সেয়ে নিৰ্দেশনা আৰু শিক্ষা

প্ৰণালীৰ দ্ৰুত পৰিৱৰ্ত্তন অতি প্ৰয়োজন হৈ পৰিছে।

বৰ্ত্তমান ছাত্ৰ-ছাত্ৰীৰ মাজত দেখা দিয়া অইন এটা ক্ৰমৱৰ্দ্ধমান বিস্ফোৰণ হৈছে আশা আকাঙ্খা আৰু চাকৰিৰ প্ৰতি দুৰ্ব্বাৰ প্ৰয়াস। সৎ-অসৎ যি কোনো উপায়ে অৰ্হতা লাভ কৰি যাতে নিয়োগৰ সুবিধা পাব পাৰে তাৰ প্ৰতি অবাধ প্ৰচেষ্টা। এনে পৰিস্থিতিত শিক্ষক সকলে ছাত্ৰ-ছাত্ৰীৰ মানবীয় প্ৰমূল্য বোধৰ প্ৰতি দৃষ্টি ৰাখি তাৰ বিকাশ সাধন কৰিবলৈ সমৰ্থ নহয়। ছাত্ৰ-ছাত্ৰীয়ে বাস্তৱ জীৱনত প্ৰতিষ্ঠিত হব পৰাকৈ গুণগত শিক্ষা প্ৰদান কৰি সমাজ সচেতন কৰি তুলিবলৈ আজিৰ শিক্ষক যেন ব্যৰ্থ-হতাশগ্ৰস্থ। শিক্ষা জগতত দেখা দিয়া এনে নিৰাশজনক পৰিস্থিতিৰ মূলতে হৈছে বিদ্যালয়ত পাঠ গ্ৰহণৰ প্ৰতি ছাত্ৰ-ছাত্ৰীৰ চূড়ান্ত অনিহা আৰু অমনোযোগীতা।

ছাত্ৰ সমাজত উদ্ভৱ হোৱা এই অস্থিৰ পৰিবেশৰ মাজত শিক্ষক আৰু শিক্ষাবিদ সকলে ত্যাগ আৰু উৎসৰ্গাৰ মনোভাৱেৰে নিজৰ দায়িত্ব পালন কৰিবলগীয়া হৈছে। এষাৰ কথা আছে 'No one is good for everything, but everyone is good for something'. সীমিত সা-সুবিধাৰ মাজেদি শিক্ষাদানত ব্ৰতী শিক্ষক সকলে ছাত্ৰ-ছাত্ৰীৰ প্ৰতিভা আৰু স্পৃহাৰ উৎকৰ্ষ সাধন কৰিবলৈ নিজক নিয়োজিত কৰিব লাগিব। আদৰ্শ আৰু ত্যাগৰ মনোভাৱেৰে ঐকান্তিক ভাৱে শিক্ষাদান কৰা শিক্ষকসকল আজিও ছাত্ৰ-ছাত্ৰীৰ গভীৰ শ্ৰদ্ধাৰ পাত্ৰ। ইংৰাজীত এষাৰ কথা আছে- 'a bad teacher tells, an average teacher explasins, a good teacher demonstrates and a very good teacher inspires'. সেয়ে ছাত্ৰ-ছাত্ৰীক অনুপ্ৰেৰণা যোগাব পৰা আদৰ্শ আৰু মহান শিক্ষক হবলৈ হলে শিক্ষক সকল মহান গুণৰ অধিকাৰী হোৱা বাঞ্ছনীয়। শিক্ষাদানত ব্ৰতী প্ৰতিজন ব্যক্তিয়েই প্ৰগতিশীল আৰু পৰিৱৰ্ত্তনশীল শিক্ষা ব্যৱস্থাৰ প্ৰতি নিজক সচেতন ৰাখিব লাগিব। বিষয় বস্তুৰ ওপৰত জ্ঞান আৰু দক্ষতা থকাটো শিক্ষকৰ এটা অপৰিহাৰ্য্য দায়িত্ব।

সমস্যাবহুল সংসাৰত মানুহৰ জীৱনলৈ স্ব-চিন্তাৰ দ্বাৰা সমাধান কৰিব নোৱাৰা অলেখ সমস্যা আহে। তেনেবোৰ সমস্যাৰ চাকনৈয়াত পৰি যেতিয়া ছাত্ৰ-ছাত্ৰী বিপদৰ সন্মুখীন হয় তেতিয়াই উপায়হীন হৈ সমস্যাৰ মেৰপাকৰ পৰা নিজক উদ্ধাৰ কৰিবলৈ অভিভাৱক নাইবা শিক্ষকৰ উপদেশ প্ৰাৰ্থনা কৰে। সেই সমস্যাবোৰৰ কোনো সুপৰিকল্পিত উপায়েৰে প্ৰতিকাৰৰ ব্যৱস্থা নকৰিলে ছাত্ৰ-ছাত্ৰীৰ জীৱন বিপথগামী হয় আৰু অকালতে নষ্ট হোৱাৰ সম্ভাৱনা থাকে। সেয়ে ফলপ্ৰসু শিক্ষা প্ৰদান কৰি শিক্ষাৰ বিভিন্ন উদ্দেশ্যত সিদ্ধিলাভ কৰিবলৈ হলে ছাত্ৰ-ছাত্ৰীৰ আগ্ৰহ ৰুচি আৰু অৰ্হতা অনুযায়ী শিক্ষা প্ৰদান কৰিব পাৰিলে নিশ্চয় সুফল পোৱা যাব।

প্ৰকৃত শিক্ষাৰ লক্ষ্যত উপনীত হবলৈ হলে শিক্ষকসকলে ছাত্ৰ-ছাত্ৰীক পৰ্য্যায়ক্ৰমে শিক্ষাৰ উদ্দেশ্যসমূহ পূৰণ কৰি যোৱাত সহায় আগবঢ়াব লাগিব। এজন সুদক্ষ শিক্ষকে নিজৰ বৃত্তিটোক গভীৰভাৱে বুজি পাবলৈ হলে কিছুমান কথা নিজে বুজি পাব লাগিব। প্ৰথমতে তেওঁ ভাৱিব লাগিব কি শিকোৱা হব, কিয় শিকোৱা হব আৰু কোনে শিখাব ? নিজে শিকাতকৈ অইনক শিকোৱাটো বেছি জটিল। কোনো কথা নিজে শিকাৰ লগতে সেই কথা ছাত্ৰ-ছাত্ৰীক কেনেকৈ শিকাব পাৰি তাৰ ফলপ্ৰসু উপায় জানিব লাগিব। কিছুমান শিক্ষক আছে যি সকলে কঠিন কথা এটাও অইনক সহজে বুজাই দিব পাৰে। সেয়ে কোৱা হয়- 'Teachers are born, not made'. আনহাতে শিক্ষাৰ প্ৰতি আগ্ৰহ নাথাকিলে শিক্ষাদান ফলৱতী নহয়। ইংৰাজীত এষাৰ কথা আছে- 'one can draw a horse to water but can not make it drink'. সেইকাৰণে শিক্ষকৰ প্ৰথম কাম হ'ল ছাত্ৰ-ছাত্ৰীক শিকাৰ কাৰণে আগ্ৰহী কৰি তোলা। ইয়াৰ ভিতৰত কৌতুহল হৈছে এটা শক্তিশালী স্পৃহা। গতিকে কোনো কথা শিকোৱাৰ আগতে শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ মনত কৌতুহল সৃষ্টি কৰি লব পাৰিলে



মনোযোগ আকৰ্ষণ কৰাত সফল হব পাৰে। ত্যাগ আৰু সহযোগীতৰ মনোভাৱ লৈ শিক্ষাদানত ব্ৰতী হব পাৰিলে শিক্ষকসকলে কিছুপৰিমানে হলেও ছাত্ৰ-ছাত্ৰীৰ জীৱন গঢ়াত অৰিহনা যোগাব পাৰিব সেইটো সুনিশ্চিত। বিষয়-বস্তুৰ ওপৰত জ্ঞান আৰু পৰিৱৰ্তীত শিক্ষা ব্যৱস্থাৰ প্ৰতি সচেতন থকাটো প্ৰতিজন শিক্ষকৰ একান্ত কৰ্ত্তব্য। ছাত্ৰ-ছাত্ৰীক পাঠ্যক্ৰম শিকাবলৈ যাওঁতে শিক্ষক-শিক্ষয়ত্ৰীয়ে নিজক প্ৰস্তুত কৰিবলৈ ভালেমান কথা নতুনকৈ শিকিবলগীয়া হৈছে। সেয়ে শিক্ষক প্ৰশিক্ষণ অতি প্ৰয়োজন বুলি সৰ্ব্বস্তৰতে দাবী উত্থাপিত হৈছে। আনহাতে শিক্ষাদানৰ পৰিৱেশ বিদ্যালয় সমূহত ভয়ানকভাৱে বিঘ্নিত হৈছে। বিদ্যালয় সমূহৰ বৰ্ত্তমানৰ এই অবক্ষয় দূৰ কৰি শৈক্ষিক পৰিবেশ ঘূৰাই আনিব নোৱাৰিলে যি কোনো প্ৰচেষ্টাই বিফল হব। এইক্ষেত্ৰত শিক্ষক, অভিভাৱক আৰু ছাত্ৰ-ছাত্ৰীৰ যৌথ আৰু সমন্বিত প্ৰচেষ্টাৰ প্ৰয়োজন।

ছাত্ৰ-ছাত্ৰীয়ে নিজৰ বৌদ্ধিক বিকাশৰ ওপৰি শিক্ষাৰ আন এটা উদ্দেশ্য হৈছে প্ৰতিজন ছাত্ৰক সমাজৰ এজন উপযুক্ত ব্যক্তি হিচাপে গঢ় দিয়া। সেয়ে প্ৰতিজন ছাত্ৰই ব্যক্তিগত, সামাজিক, জাতীয় জীৱনত মূখামুখি হোৱা প্ৰতিটো সমস্যা, প্ৰতিটো প্ৰত্যাহ্বানৰ উপযুক্ত সিদ্ধান্ত লব পৰাকৈ জ্ঞান প্ৰদান কৰিব লাগিব। এই গভীৰ দায়িত্বৰ সাৰ্থকতা নিৰ্ভৰ কৰিব শিক্ষকৰ সততা, সহযোগীতা আৰু উৎসৰ্গাৰ মনোভাৱৰ ওপৰত।

"অইনে মোৰ বিষয়ে কি কয় সেইটো ডাঙৰ কথা নহয়
কিন্তু মই কি কয় তাক কৰিম সেয়াহে গুৰুত্ব পূৰ্ণ।"
ৰবীন্দ্ৰ নাথ ঠাকুৰ।

# কষ্টোপার্জিত ৰাইজৰ 'জ্ঞানমন্দিৰ'
# নবজ্যোতি মহাবিদ্যালয় - কলগাছিয়া

অধ্যাপক খন্দকাৰ আব্দুল গফ্‌ৰ
(মূৰব্বী ৰাজনীতি বিজ্ঞান বিভাগ )

বৃটিচ সকলৰ ৰাজত্ব কালত আমি শোষন-বঞ্চনাত অশান্ত সমাজত উচ্চশিক্ষাৰ চৰকাৰী অনুষ্ঠান একমাত্র কটন কলেজখনেই গুৱাহাটীৰ মাজ মজিয়াত স্থাপিত হৈছিল। ১৯০১ চনত আৰু ১৯৩০ চনত ৰাইজে বেচৰকাৰী কলেজ উজনিত যোৰহাটৰ জগন্নাথ বৰুৱা কলেজ খনেই প্রতিষ্ঠিত আছিল যদিও অতি দুঃখ লগা। ১৯৪৮ চনৰ ২৬ জানুৱাৰীত গুৱাহাটী বিশ্ববিদ্যালয় স্থাপন হোৱাৰ পিছত অসমৰ বিভিন্ন অঞ্চলত উচ্চশিক্ষাৰ বিস্তাৰ আৰু সম্প্রসাৰন হব ধৰে। ১৯৪৯ চনলৈকে অসমৰ বিভিন্ন জিলাত কেবল মাত্র ১৪ খন বেচৰকাৰী মহাবিদ্যালয় স্থাপন হৈছিল। আনকি উচ্চ শিক্ষাৰ বাবে কোনো নীতি নির্দ্ধাৰণ কৰা নাছিল আৰু চৰকাৰী ভাবে আর্থিক সাহার্য্যও আগবঢ়োৱা নাছিল। তেতিয়াৰ পৰা অসমৰ শিক্ষাজগতত উচ্চ শিক্ষাৰ অনুষ্ঠান মহাবিদ্যালয় সমূহৰ ঘৰ দুৱাৰ পৰিচালনাৰ নিয়ম নানা দিশত অনিশ্চয়তাৰ ফালে গতি কৰি আছে। সেইসময়ত শিক্ষকৰ দৰ্মহাৰ নিৰিখ আছিল মাত্র ৫০ টকা।

ক্রমান্বয়ে স্বাধীনতাৰ পিছত এখনৰ পিছত এখনকৈ উচ্চ শিক্ষাৰ অনগ্রসৰ অঞ্চলত শিক্ষাৰ প্রতি ধাউতি থকা ব্যক্তিসকলে জিলাৰ ঘাইসূঁতিৰ বাহিৰে অসমৰ উন্নতমানৰ গাওঁ সমূহৰ প্রায়বোৰ অঞ্চলত বেচৰকাৰী মহাবিদ্যালয় কৰিবলৈ ধৰে। ইয়াৰ মূল কাৰণ হ'ল- শিক্ষাপ্রেমিক ৰাইজৰ উচ্চশিক্ষাৰ প্রতি থকা চেতনা, তথা ল'ৰাছোৱালী সকলক উচ্চশিক্ষিত কৰিবলৈ অভিভাৱক সকলৰ আগ্রহ, মাধ্যমিক শিক্ষাৰ দ্রুত উন্নতিৰ প্রতিফলন, উচ্চশিক্ষাৰ জৰিয়তে দুখীয়া জনজীৱনৰ লগত সম্পর্ক স্থাপন আৰু শিক্ষাৰ বহল বিস্তাৰ আৰু সম্প্রসাৰণ ইত্যাদি।

ভিখাৰিৰ পৰা আৰম্ভ কৰি ধনী, দুখীয়া সৰ্ব্বস্তৰৰ জনগনৰ শাৰীৰিক, মানসিক, কায়িক, আর্থিক কষ্টোপার্জিত ধন ব্যয়ৰ জৰিয়তে কলগাছিয়াৰ নিচিনা, দুখীয়া আর্থিকভাৱে জুৰুলা ৰাস্তাঘাট নথকা যাতায়াত পিছপৰা চৰকাৰৰ সুদৃষ্টিৰ পৰা অবহেলিত গাওঁ এখনত উচ্চশিক্ষাৰ অনুষ্ঠান হব পাৰে কেবল ইয়াৰ ৰাইজৰ ঐকান্তিকতা মনোবলৰ বাবেহে। সুস্থ চিন্তাৰ এক ঐক্য শক্তিৰ বলত ইয়াৰ ৰাইজৰ অন্তৰত সাহসীকতাৰ প্রতিফলত নবজ্যোতি মহাবিদ্যালয়" সকলোৰে "জ্ঞান মন্দিৰ" ভৱিষ্যতৰ অস্তিত্বৰ আচনি যুগুত কৰিবলৈ সক্ষম হৈছে। স্বাধীনতাৰ পিছত কলগাছিয়া গাওঁৰ মানচিত্র চালে ইয়াৰ চাৰিওফালে মৰাসূতি, বেকী নৈৰ পৰাখহনীয়া আৰু মানাহ নৈৰ প্রতিবছৰৰ বানপানীৰ প্রৱল হেচাত অঞ্চলটোৰ ৰাইজৰ দৰে এই গাওঁখনৰ খেতিয়ক ৰাইজৰ কোনো উন্নতি পৰিলক্ষিত হোৱা নাই। ব্যৱসায় বানিজ্যত কোনো এজন ব্যক্তিয়েই উন্নতমানৰ প্রতিষ্ঠিত নহয়। ই জন সংখ্যাৰ ফালৰ পৰা এখন দুখীয়া মানুহৰ ঘনবসতি গাওঁ। Rural Primary census Abstract 1990 ৰমতে কলগাছিয়া গাওঁত জনসংখ্যা ৩৪২৩ জন দেখা যায়। ইয়াৰে ১৭৬১ জন মতা আৰু ১৬৬২ জন মহিলা। এনে শোচনীয় অর্থনৈতিক পৰিস্থিতিৰ মাজত কলেজ কতৃপক্ষৰ আৰু ৰাইজৰ লগত এক গভীৰ সহযোগিতাৰ একান্ত প্রচেষ্টাই উচ্চশিক্ষাৰ



জৰিয়তে অঞ্চলটোৰ দুখীয়া জনজীৱনৰ লগত সম্পর্ক স্থাপন কৰিবলৈ সক্ষম হৈ উঠিছে। ১৯৬৯/৭০ চনত অঞ্চলৰ বিশিষ্ট সমাজকর্মী সকলৰ উচ্চশিক্ষাৰ সচেতনতাই আজিৰ এই স্তৰত সকলোৰে কাৰনে আনন্দদায়ক পৰিবেশৰ সৃষ্টি হৈছে। বাস্তব অভিজ্ঞতাৰ পৰা কব পাৰি যে আমাৰ প্রতিবেশী সমাজে আমাৰ সংখ্যালঘু অধ্যুষিত সকলক অবজ্ঞাৰ চকুৰে চায়- নানা কথা কয় তাৰ কাৰণ হ'ল আমাৰ নৈতিক চৰিত্রৰ অভাৱ, বিশেষকৈ মুছলমান সকলৰ মাজত শিক্ষা আৰু পৰিস্কাৰ পৰিচ্ছনতাৰ অভাৱ আৰু অপৈনত বয়সত ল'ৰাছোৱালীক নিৰক্ষৰ ৰাখি বিয়া বাৰু দিয়াৰ ব্যৱস্থা। অসমৰ মুছলমান সকলৰ বাহন জ্ঞান, বুদ্ধি বা শিক্ষাৰ স্বাৱলম্বিতা হেৰুৱাই পৰমুখাপেক্ষী হব লগীয়া হোৱাত অর্থনৈতিক, সামাজিক আৰু আধ্যাত্মিক মান উন্নয়নত অঞ্চলটোৰ জনজীৱন স্থবিৰ হোৱাৰ পথত উপনিত হৈছিল -। আদিম সমাজৰ পুৰুষৰ দৰে নাৰীৰ যি অৱস্থা বা মর্য্যদা আছিল- স্বাধীনতাৰ কালত অসমৰ মুছলিম সমাজত উচ্চশিক্ষাৰ পৰিবেশ তাতকৈ ভাল নহয় বুলি কব পাৰি। আজি পুৰুষৰ দৰে নাৰীয়েও খোজত খোজ মিলাই আগবাঢ়িবলৈ সক্ষম হোৱাটো গাওলীয়া উচ্চশিক্ষা বিশিষ্ট মানদণ্ড উপনীত হোৱা এক শুভ লক্ষন। আমাৰ মহাবিদ্যালয়ত ১৯৭৫/৭৬ চনলৈকে মাত্র আঙুলিত লেখিব পৰা দুই চাৰিজন ছোৱালী উচ্চশিক্ষা লবলৈ আহিছিল- কিন্তু আজি তাৰ বিপৰীত প্রায় দুহেজাৰ ল'ৰা ছোৱালীৰ ভিতৰত শতকৰা ৫০% ভাগেই ছোৱালী। এয়া গাওঁ অঞ্চলত এক উল্লেখনীয় ঘটনা। নাৰীৰ উচ্চশিক্ষাৰ আগ্রহৰ কাৰণেই আমাৰ মহাবিদ্যালয়ৰ ক'লা আৰু বিজ্ঞানৰ ছাত্রীসকলৰ বাবে ছাত্রী নিবাস নির্মাণ উচ্চশিক্ষা বিস্তাৰত গাৱলীয়া শিক্ষাৰ গুৰুত্ব বাঢ়িছে লগতে ভৱিষ্যত সকলৰ কাৰণে মহাবিদ্যালয়ৰ কতৃপক্ষই "ব্যৱসায় মাকিটৰ"দৰে "শিক্ষা মার্কেটত" ঘৰে ঘৰে নাৰী উচ্চশিক্ষাৰ উন্নতিৰ বাট প্রকট কৰিছে।

কলগাছিয়া মহাবিদ্যালয়খনে দুখীয়া গাৱলীয়া জনজীৱন সমৃদ্ধ কৰি অনাক্ষৰী জীৱন বিলুপ্ত কৰি ৰাইজৰ আশা আকাঙ্খা পূৰণ কৰি গাৱলীয়া সমাজৰ ধনী দুখীয়া প্রতিটো বর্গৰেই সমান্তৰাল বিকাশ সাধন কৰিবলৈ সক্ষম হব লগতে গনমুখী উচ্চশিক্ষাত গ্রামীন জীৱনৰ সৰ্ব্বাঙ্গীন উন্নতিৰ বাহক হিচাবে সাহিত্য সংস্কৃতি সমন্বয়, ভাষা, শিষ্টাচাৰ, ক'লা বিজ্ঞান আদি কঢ়িয়াই লৈ যাব। মহাবিদ্যালয়ৰ "ৰূপালী জয়ন্তী" মহাবিদ্যালয়ৰ পচিশ বছৰীয়া ভৰ যৌবন কালে তাৰে ইঙ্গিত দিছে। যি সমাজে এনে শৃঙ্খলাৰ ভিত্তিত গনতান্ত্রিক চিন্তা চৰ্চ্চাৰে উচ্চশিক্ষাৰ গাওঁলৈ সম্প্রসাৰণ কৰিলে ভাৰতৰ প্রতিটো গাৱে এই আদর্শৰে অনুপ্রাণিত হওঁক। সমাজৰ নিৰক্ষৰ, অনভিজ্ঞ, নিস্পেষিত নিপীড়িত আৰু গৰীব তেঁলোকে উচ্চশিক্ষা পালে জ্ঞানৰ বৈষম্য দূৰহব আৰু তেতিয়াহে উচ্চশিক্ষাৰ গৱেষণাৰ ফলশ্রুতিয়েই সমাজত সকলোৰে কাৰণে আনন্দদায়ক অৱস্থা হব। গতিকে গাওঁ সমূহ যদি উচ্চ শিক্ষিত উন্নতমানৰ নহয় তেন্তে সামগ্রীকভাৱে দেশৰ উন্নতি ৰুদ্ধ হব। ছাত্রছাত্রী আৰু শিক্ষক সকলে - ৰাজনৈতিক বাতাবৰণ মুক্ত, আৰু কেৱল অধ্যয়ন সুখী সময়ৰ সৎ ব্যৱহাৰ নহলে শিক্ষা ব্যৱস্থা অধোমুখী হব আৰু গুণগত শিক্ষাৰ বিপৰীতে যাব। তেনে শিক্ষাৰ জৰিয়তে সমাজ উন্নতিৰ বিপৰীত অভিমুখে যাত্রা কৰিব। এনেক্ষেত্রত আমাৰ মহাবিদ্যালয়ৰ পুথিভৰাঁল চহকী কৰি ছাত্র ছাত্রী আৰু শিক্ষক সকলে তুলনামূলকভাৱে শিক্ষাৰ আধুনিকতা শ্রীবৃদ্ধি কৰি সমাজ উন্নয়নত অৰিহনা যোগাব।

# শিশুৰবিকাশত পৰিৱেশৰ ভূমিকা

আলহাজ সেখ মঃ আবুল হাসেম
অৱসৰ প্ৰাপ্ত অধ্যক্ষ লাংলা উ.মা.বিদ্যা.

সৰ্ব্বশক্তিমান মহান সৃষ্টিকৰ্ত্তাই তেওঁৰ ইচ্ছাতেই এই বিশাল ব্ৰহ্মাণ্ড সৃষ্টি কৰিছে যাৰ মাজত প্ৰৱল শক্তিশালী বতাহ, পানী, জুই আৰু মাটি আছে। এই সৃষ্টিৰ মাজত আমি আকাশলৈ চাই পঠিয়ালে চন্দ্ৰ, সূৰুয, গ্ৰহ, উপ-গ্ৰহ, নক্ষত্ৰ আৰু অসংখ্য তাৰকাৰাজি দেখিবলৈ পাওঁ। আনহাতে ভূ-পৃষ্ঠত বিশালাকাৰৰ পাহাৰ, পৰ্ব্বত, শিল, গছ-গছনি, নদ-নদী ইত্যাদি দেখিবলৈ পাওঁ। জীৱ জন্তুলৈ লক্ষ্য কৰিলে বিৰাট আকাৰৰ শক্তিশালী গড়, হাতী, বাঘ, সিংহ, ভালুক ইত্যাদি আমাৰ দৃষ্টি গোচৰ হয়। ইয়াৰ বাহিৰেও সৃষ্টিকৰ্ত্তাই প্ৰয়োজন বোধে বহু ধৰণৰ গছ-গছনি, ফল-মূল আদিৰে পৰিপূৰ্ণ এই সূ-সজ্জিত বিশাল বিশ্ব ব্ৰহ্মাণ্ড সৃষ্টি কৰি তাৰ মাজত তুলনামূলক ভাবে অতি নগণ্য আকাৰ আৰু সংখ্যাৰ মানব জাতিক সৃষ্টি কৰিছে। কিন্তু মহান আল্লাহই পবিত্ৰ মহাগ্ৰন্থ কোৰাণত ঘোষণা কৰিছে যে, "লাক্বদ্ কাৰ্ৰামনা বানী আদামা" অৰ্থাৎ মোৰ সৃষ্টি জগতত মই মানৱ জাতিক সৰ্ব্বশ্ৰেষ্ঠ কৰি সৃষ্টি কৰিছো। আকৌ তেখেতে পবিত্ৰ কোৰাণত ঘোষণা কৰিছে যে গোটেই সৃষ্টিটোৱেই মানুহৰ মংগলৰ কাৰণেই সৃষ্টি কৰিছো। বাস্তৱিকতে দেখা যায় যে, এই ক্ষুদ্ৰাকায় মানুহক দয়াময় সৃষ্টিকৰ্ত্তাই বুদ্ধিৰ জৰীয়তে শ্ৰেষ্ঠত্ব দান কৰিছে যাৰ ফলত মানুহে আকাশ মাৰ্গত উৰি দিন দিন নতুন নতুন আবিস্কাৰ কৰি আছে বিশাল পাহাৰ পৰ্ব্বত, নদ-নদী, সাগৰ-মহাসাগৰ আদি অতিক্ৰম কৰিব পাৰিছে।

জন্ম আৰু পৰিবেশ ঃ- বংশ গতিয়েই এটা নিষ্পাপ নৱপ্ৰস্ফুটিত শিশুক তাৰ ব্যক্তিত্ব গঢ় নিদিয়ে। জন্ম আৰু পৰিবেশ দুয়োটাৰ সুস্থ পৰিবেশত এজন ব্যক্তিক সুস্থ ব্যক্তিত্বৰ অধিকাৰী আৰু অসুস্থ ব্যক্তিত্বৰ অধিকাৰী কৰি তোলে। কেৱল বংশ গতিৰ প্ৰভাৱ স্বৰূপে এজন ব্যক্তি গঢ়ি নুঠে বৰং ইয়াৰ লগতে পৰিবেশেও প্ৰভাৱ বিস্তাৰ কৰে। গতিকেই অতি সহজে অনুমেয় যে, বংশানুক্ৰম আৰু পৰিবেশ এই দুটা প্ৰক্ৰিয়াই এজন ব্যক্তিৰ ব্যক্তিত্ব গঢ়ি উঠাত অপৰিহাৰ্য্য সম্বল যোগায়। এইটো অনস্বীকাৰ্য্য যে, বংশগতিয়ে বহন কৰে আধা আৰু পৰিবেশে আধা। বংশগতিয়ে কঢ়িয়াই আনে বিকাশৰ শক্তি সম্ভাৱনীয়তা আৰু পৰিবেশে যোগান ধৰে ইয়াৰ আৱশ্যকীয় সা-সুবিধা। ব্যক্তিত্ব গঠনত পৰিবেশে কেনেকুৱা ভূমিকা লয় সেই সম্পৰ্কে আলোচনা কৰা প্ৰয়োজন।

এজন শিশুৰ জন্মগত দেহ আৰু মানসিক শক্তি সমূহৰ ওপৰত তাৰ চাৰিওফালে থকা বস্তু আৰু বিষয়বোৰৰ সামুহিক ভাবে শক্তিৰ প্ৰভাৱকেই মনোবৈজ্ঞানিক দৃষ্টি ভঙ্গিত পৰিবেশৰ প্ৰভাৱ বোলে। বংশগতিৰ পৰিণতি হিচাবে লাভ কৰা বিভিন্ন শক্তি ক্ৰিয়া আদি পৰিবেশৰ যোগেদিহে প্ৰস্ফুটিত হৈ উঠে। গৰ্ভাবস্থাৰ পৰাই এটা শিশুৰ ওপৰত তাৰ বংশৰ প্ৰভাৱ পৰে আৰু লগে লগেই পৰিবেশৰ প্ৰভাৱো যে সুস্পষ্ট তাক মনোবৈজ্ঞানীক সকলে এক বাক্যে স্বীকাৰ কৰে।

শিক্ষাবিদ দাৰ্শনিক লকুৰ মতে, "এটি শিশুৰ মনটো এখন উকা কাগজৰ নিচিনা।" অৰ্থাৎ জন্মতে শিশুৱে এটা শূন্য মনলৈ জন্ম গ্ৰহণ কৰে। বিভিন্ন পৰিবেশৰ পৰা লাভ কৰা শিক্ষাৰ যোগেদিহে তাৰ সেই উকা কাগজ পূৰ্ণহৈ পৰে।



মনোবৈজ্ঞানিক হেলভিয়াচৰ মতে "যদি দুজন ব্যক্তিক বেলেগে ৰখা হয় তেতিয়া তেওঁলোকৰ যোগ্যতাৰ ক্ষেত্ৰও বেলেগ হব। আৰু এই পাৰ্থক্য আনি দিয়ে বিভিন্ন পৰিবেশত লাভ কৰা শিক্ষাই।"

Gandoll নামৰ মনোবৈজ্ঞানিক এজনে "৫৫২ জন বিখ্যাত মানুহৰ বিষয়ে অধ্যয়ন কৰে, এই বিখ্যাত মানুহ কেইজন "Paris academy of science, Royal Society of London আৰু Royal Academy of Barlin" ৰ সদস্য। তেওঁলোকৰ হৈ সুখ্যাতিৰ মূলতে আছিল উপযুক্ত পৰিবেশ।"

শিশু এটিয়ে তাৰ চাৰিও পিনে থকা পৰিবেশ যেনে ঘৰুৱা, স্কুলীয়া, সামাজিক, সাংস্কৃতিক, আধ্যাত্মিক আদিৰ মাজেদিয়েই পূৰ্ণত্ব লাভ কৰে।

ঘৰখনেই হৈছে শিশুৰ শিক্ষাৰ কঠিয়াতলী আৰু মাক হৈছে শিশুৰ কাৰণে শিক্ষয়ত্ৰী। এই ঘৰখনৰ প্ৰতিজন ব্যক্তিৰ প্ৰভাৱ এটি শিশুৰ ওপৰত পৰে। গতিকে ঘৰখনৰ মাক-বাপেক ভাই-ভনী আৰু অন্যান্য ব্যক্তি সকল যদি সুস্থ ব্যক্তিত্বৰ অধিকাৰী হয় তেন্তে তেওঁলোকৰ প্ৰভাৱত পৰি শিশুটিও ভাল হব। প্ৰকৃত পক্ষে শিশু এটি ভাল হোৱাৰ যথেষ্ট প্ৰয়োজন আছে। কাৰণ ইংৰাজীত কয় " Child is the father of the man" অৰ্থাৎ লৰাই মানুহৰ দেউতা" অৰ্থাৎ ক্ৰমাগত ভাৱে বাঢ়ি যাই যাই ল'ৰাই পূৰ্ণ মানুহত পৰিণত হয়। সেয়েহে উপযুক্ত ব্যক্তিত্বপূৰ্ণ মানুহ হলেহে তাৰ বংশানুক্ৰমও ভাল হব।

ঘৰখনৰ সকলোবোৰ ব্যক্তিৰ আচাৰ ব্যৱহাৰ, কথাবাৰ্ত্তা যদি ভাল হয় শিশুটিও ভাল হব। দৃষ্টান্ত স্বৰূপে কুঁহিপাঠৰ সাধু কথাৰ ঘৰৰ ভাটৌ চৰাইটোৰ কথা উল্লেখ কৰিব পাৰি। ই ভাল ঘৰত থাকি ভাল আচৰণ কৰিব পাৰিছিল যেনে মানুহক দেখিলে আহক বহক আদি শিষ্টাচাৰজনক ব্যৱহাৰ কৰিছিল আনহাতে দুষ্ট ঘৰৰ চৰাইটোৱে বেয়া মাত শুনি শুনি বেয়া আচৰণ যেনে-মাৰ ধৰ মাৰ আদি ব্যৱহাৰ কৰিছিল। এনেবোৰ দৃষ্টান্তৰ পৰা অতি সহজেই অনুমান কৰিব পাৰো যে সুস্থ সৰল সুশৃঙ্খল পৰিয়ালে উপযুক্ত ব্যক্তিত্ব গঠনত সহায় কৰে। পৰিয়ালৰ শিক্ষাৰ ওপৰত ব্যক্তিত্ব বিকাশত বহুখিনি নিৰ্ভৰ কৰে। বিশৃঙ্খল যেনে চোৰ, ডকাইত, হিংসুক, মিছলীয়া আদি অবাঞ্ছিত পৰিয়ালৰ ল'ৰা-ছোৱালী সাধাৰণতে তেনেকুৱাই হোৱা দেখা যায় আনহাতে সহজ সৰল ধাৰ্মিক পৰিয়ালৰ ল'ৰা-ছোৱালীও তেনেকুৱা হোৱাও পৰিলক্ষিত হয়। সাধাৰণতে ঘৰুৱা পৰিবেশত পাবলগীয়া প্ৰয়োজনীয় মৰম, স্নেহ আৰু যত্নৰ অভাৱত ল'ৰা ছোৱালী বিপথগামী হয়। এখন সুস্থঘৰে এটি সুস্থ ব্যক্তিত্বৰ সৃষ্টি কৰে আৰু এখন অসুস্থ ঘৰে এটি অসুস্থ ব্যক্তিত্বৰ সৃষ্টি কৰে। ইয়াৰ উপৰিও এখন ঘৰৰ প্ৰতিজন ব্যক্তিৰ পৰা সমান মৰম শ্ৰদ্ধা পোৱা উচিত কিন্তু কোনো কোনো স্থলত ইয়াৰ ব্যতিক্ৰমে আত্ম মৰ্য্যদাত আঘাত হানাতো পৰিয়ালৰ ল'ৰা-ছোৱালী উশৃঙ্খল হয় কাৰণ তেনেকুৱা পৰিবেশে ব্যক্তিৰ দৈহিক আৰু মানসিক বিকাশত যথেষ্ট ক্ষতি সাধন কৰে।

৫-৬ বছৰত সাধাৰণতে ল'ৰা-ছোৱালী স্কুললৈ যায় যেতিয়া সিহঁতে ঘৰৰ নিচিনা মৰম, আদৰ যত্ন আদি পাব বিচাৰে যাৰ অভাৱত শিশুৰ বিকাশত বাধাৰ সৃষ্টি হয়। শিক্ষক হৈছে শিশুৰ কাৰণে বন্ধু, পথ প্ৰদৰ্শক আৰু দাৰ্শনিকৰ দৰে। তেওঁৰ প্ৰভাৱ শিশুৰ ওপৰত পৰে। গতিকে এজন শিক্ষকৰ কিছুমান গুণ থকা দৰকাৰ যিবোৰে ছাত্ৰ-ছাত্ৰীক সুস্থ ব্যক্তিত্বৰ অধিকাৰী কৰি গঢ়ি তুলিব পাৰে। ইয়াৰ অভাৱে ছাত্ৰ-ছাত্ৰীৰ বিকাশত বাধা জন্মাব।

আনহাতে স্কুলীয়া বন্ধু-বান্ধৱী সৎ হব লাগিব যি সকলৰ সহযোগীতা, বন্ধুত্ব, মৰম-স্নেহ আদিৰ জৰিয়তে সিহঁতৰ সৎ আচৰণ আৰু সৎ চৰিত্ৰ গঠিত হব পাৰে আনহাতে বিপথে যোৱাৰ সম্ভাৱনাও অনস্বীকাৰ্য্য। স্কুলীয়া শিক্ষা পদ্ধতি, পাঠদান, পুথি ভঁৰাল, খেলপথাৰ প্ৰয়োজনীয় বিজ্ঞানাগাৰ আদিয়ে শিশুৰ বিকাশত বহল পৰিবেশৰ

সৃষ্টি কৰে। শিক্ষণ ক্ষমতা, বৌদ্ধিক সক্ষমতা, সামাজিক যোগ্যতা, অৰ্থনৈতিক যোগ্যতা আদি এই শিক্ষা পৰিবেশৰ পৰাই ব্যক্তিয়ে আহৰণ কৰিব লাগে। শিক্ষা পৰিবেশৰ উন্নতিয়ে এজন লোকৰ বংশগতিও কিছুমানে উন্নতিৰ পথত পৰিবৰ্দ্ধিত কৰিব পাৰে। স্কুলীয়া পৰিবেশত শিক্ষক ৰূঢ় নহৈ ছাত্ৰক বিভিন্ন বিকাশত সহজ সৰল ভাবে সহায় কৰি আগবঢ়াই লৈ যোৱা নিতান্ত প্ৰয়োজনীয় যাৰ অবিহনে শিশু বিপথে যাব পাৰে।

শিশুৰ ওপৰত সামাজিক, সাংস্কৃতিক, ধৰ্মীয় আদি পৰিবেশৰ প্ৰভাব অনস্বীকাৰ্য্য। কাৰণ সমাজৰ নীতি নিয়ম, আচাৰ ব্যৱহাৰ ধৰ্মীয় চৰ্চা আদিয়ে এজন ব্যক্তিক প্ৰভাবান্বিত কৰে। সেয়েহে সমাজৰ নীতি নিয়ম আদিবোৰ কোনো উপায়ে কঠোৰ আৰু ৰক্ষণশীল নহৈ পৰিবৰ্তনশীল হব লাগে যত সময়ৰ প্ৰয়োজনে এইবোৰ সাল-সলনি কৰিব পৰা যায় যাতে শিশুৰ বিকাশত কোনো ধৰণৰ বাধাৰ সৃষ্টি নহয়। এই সামাজিক পৰিবেশৰ ভিতৰত ওচৰ চুবুৰীয়াৰ আচাৰ ব্যৱহাৰ, মনোভাৱ, মাত কথা, ধৰ্মীয় আচৰণ আদিয়েও এজন ব্যক্তিৰ ব্যক্তিত্ব গঢ়াত প্ৰভাব বিস্তাৰ কৰে। সেয়েহে সামাজিক পৰিবেশবোৰ ভাল হলে এজন ব্যক্তি সুস্থ, সৰল ব্যক্তিত্বপূৰ্ণ ব্যক্তিত পৰিণত হোৱাত প্ৰয়োজনীয় সম্বল লাভ কৰে। আনহাতে উশৃংখলতা যেনে গান-বাজনা, টেপ-ৰেকৰ্ড বজোৱা, সামাজিক মাৰা-মাৰি, কাজিয়া পেচাল এই বিলাক বেয়া প্ৰভাৱ পেলাই সুস্থ ব্যক্তিত্ব গঠনত বাধা জন্মাই বিপথে পৰিচালিত কৰে যিবোৰ কোনো উপায়েই বাঞ্ছনীয় নহয়। ইয়াৰোপৰি সামাজিক বিয়া সবাই, সংঘ-ক্লাব আদিয়েই যাতে শিশুক অন্ধ বিশ্বাসী কৰি গঢ়ি নোতোলে তালৈও চকু ৰাখিব লাগে। কাৰণ আজিৰ শিশু কালি সমাজৰ কৰ্ণধাৰ। গতিকে ভবিষ্যত সমাজখন নিকা হবৰ বাবে বৰ্তমানৰ পুৰুষ সকলে সৎচিন্তা ভাৱনা কৰিব লাগিব তেতিয়াহে আমাৰ সমাজখনো পৃথিবীৰ উন্নত সমাজৰ লগত আগবাঢ়ি যাব পাৰিব। বিভিন্ন পৰিবেশে কেৱল মাত্ৰ ব্যক্তিৰ ব্যক্তিত্ব আগবঢ়াই নিনিয়ে বৰং কেতিয়াবা পৰিবেশৰ প্ৰভাবে বংশগতিও অধিক শক্তিশালী হৈ উঠে।

আকৌ পৰিবেশে এজন ল'ৰা ডাক্তাৰ হব নে ইঞ্জিনীয়াৰ হব বা কি হব তাৰ এটা ৰূপদিয়াত যেনে সহায় কৰে ঠিক তেনেকৈ বংশগতিয়েও ব্যক্তিত্বৰ বিকাশত সৎ-অসৎ-চিন্তা ধাৰাৰ বিকাশতো নিৰ্ভৰ কৰে। সেয়েহে উন্নতমান বিশিষ্ট বংশগতি আৰু পৰিবেশৰ আৱশ্যকীয় সুযোগ সুবিধাৰ অভাৱত ব্যক্তিত্ব গঢ়াত আশানুৰূপ ফল পোৱাৰ সম্ভাৱনা বিৰল।

"যি সকলে সীমা লঙ্ঘন কৰে, পৃথিবীত অশান্তি আৰু বিপৰ্য্যায় সৃষ্টি কৰে আৰু কোনো ধৰণৰ সংশোধনৰ প্ৰচেষ্টাত আত্ম নিয়োগ নকৰে, সিহঁতৰ আনুগত্য স্বীকাৰ নকৰিবা।" আলকোৰ্‌আন্।

"জীয়াই থাকা যিমান দিন পাৰা, পিছত মৰিবই লাগিব। বন্ধু সংগ্ৰহ কৰা যিমান পাৰা; পিছে বিচ্ছেদ হবই হব। যি কাম কৰিবলৈ মন যায় কৰিব পাৰা; কিন্তু তাৰ ফল ভোগ কৰিবই লাগিব।

হজৰত মোহাম্মদ (দঃ)

"আল্লাৰ ওচৰত সেই ব্যক্তিই প্ৰিয় যাৰ স্বভাৱ চৰিত্ৰ ভাল।"

- আল হাদিছ।



# মানুহ হোৱাৰ বাসনা

## (গল্প)

এম, কায়েম তালুকদাৰ

ইকান সিকানকৈ ক্ষন্তেকৰ ভিতৰত বাতৰিটো গোটেই মেচত প্ৰচাৰ হৈ গল। ইমৰানে মনিটৰক উদ্দেশী কলে,- "হেল্লো, বাৰেগাম! ফাৰুকৰ বাতৰিটো গম পালানে?" মেচ মনিটৰ মিজালে মিচিকীয়া হাঁহি মাৰি কলে, - "মই মেচত ভৰি দিয়াৰ লগে লগে বাতৰিটো মোৰ কানত পৰিছে।"

"তুমি দেখোন বজাৰত গৈছিলা।" বিস্ময় সুৰত ইমৰানে কলে। 'এৰা, মই তেনেহলে তোমালোকৰ বাৰেগাম হলে কেনেকৈ।" মনিটৰ মিজানৰ কথাষাৰ হুবহুৱদি ইমৰানে কলে-"ইউ আৰ ৰাইট। তোমাৰ যোগ্যতাক মই অস্বীকাৰ কৰা নাই। কিন্তু তুমি জানিলা কেনেকৈ।" "মই মেচত ভৰি দিয়াৰ লগে লগে সাংবাদিক আৰমান আলিয়ে মোক ঠিক এনেকৈ বাতৰি পৰিবেশন কৰিলে "মিষ্টাৰ মনিটৰ চাহাব, ভয়েচ অফ্ আমেৰিকাৰ সংবাদদাতা মিষ্টাৰ আৰমান আলিৰ তথ্যমতে নিউকামাৰ ফাৰুক আলিৰ আজি টকা আহি পাইছে। ইমানদিন টকাৰ অজুহাত দেখুৱাই এৱাই চলিছিল। এতিয়া, যথা যত "পৰিচয় পৰ্ব" কৰা দৰ্কাৰ।" ইমৰানে হাতচাপৰি চকুযোৰি পকাই কলে,- "বহুত আচ্ছা, কিয়া কামাল কিয়া, তেনেহলে ৰাইনো অপাৰেচন কেতিয়াৰ পৰা আৰম্ভ কৰা হব মনিটৰ চাহাব।" চিন্তা মত কি জিয়ে মেৰে য়াৰ। মই অৰ্ডাৰ ইচো কৰি আছো।" কথাখিনিকৈ মনিটৰ মিজানে কোঠালীৰ ভিতৰত সুমাই গল। তেতিয়া বিয়লি চাৰিটা বাজিছে। পোহৰ বিকিৰণ কৰি বেলিটো তাগৰি পৰিছে। সূৰ্য্যৰ তেজদীপ্ত আভা অনেক কমি গৈছে। বাঁহ জোপাৰ ফাকেদি 'নুৰানী মেচ"ৰ ছাইনবোৰ্ডখনত সূৰ্য্যৰ ৰশ্মি পৰি বগা আখৰ কেইটা অধিক উজ্জ্বল হৈ পৰিছে। "নুৰানী মেচ"। চক বজাৰৰ পৰা নিলগত যদিও অন্য মেচৰ তুলনাত "নুৰালী মেচ" খুইব উন্নত। নৱজ্যোতি কলেজ স্থাপন হোৱাৰ সময়ত দূৰ-দূৰনিৰ পৰা অহা ছাত্ৰ-ছাত্ৰীৰ কাৰণে হোটেলৰ ব্যৱস্থা নথকা হেতুকে কলগাছিয়াৰ মেচ সমূহৰ ভূমিকা প্ৰশংসণীয়। মেচ সমূহে শৈক্ষিক পৰিবেশ সৃষ্টি কৰাৰ অৰিহনাৰ কথা কোনেও নুই কৰিব নোৱাৰে। এই ক্ষেত্ৰত নুৰানী মেচৰ ভূমিকাও তুলনাবিহীন। পৰীক্ষাৰ ফলাফলৰ দিশত নুৰানী মেচৰ নাম এক নম্বৰত। কালচক্ৰত পৰি যোৱা দুই তিনি বছৰ ধৰি কেইজনমান উদণ্ড লৰাই লিখা-পঢ়াৰ ক্ষেত্ৰত কিছু প্ৰতিবন্ধকতাৰ সৃষ্টি কৰিছে। পৰিবেশ সংক্ৰান্তৰ মালিকৰ লগত মাজে সময়ে শীতল দ্বন্দ্বৰ অৱতাৰণা হৈ থাকে। ইমাৰান, মিজান আৰমান আৰু কোবাদে কলেজ খোলাৰ আগতেই ছিট দখল কৰে। মাজে সময়ে গোপনভাৱে এই চাৰিজনে নবাগত লৰাক ৰেগিংঙৰ নামত অপসংস্কৃতিৰ সৃষ্টি কৰে। সিহঁত চাৰিওজন পুৰণি। সিহঁতক কথাৰ হেৰফেৰ হলে কাৰো ৰেহাই নাই। মেচ পৰিচালনা সমিতিৰ নেতা হল- মিজান আলি। সি ধনী ঘৰৰ লৰা। মেচত এটা সম্পূৰ্ণ ৰুম তেওঁৰ দখলত। কোঠালীখনত ৰেডিও, টেপ স্কুটাৰ হিটাৰ, ফিল্টাৰ, ইস্তেৰি আৰু বিধে বিধে কাপোৰ সজাই থোৱা আছে। অচিনাকী কোনোৱা অতিথি সুমালে ভাড়াতীয়া অফিছাৰৰ ৰুম বুলি ভুল কৰিব। মিজানৰ ঘৰৰ উন্নত অৱস্থাই সহযোগী সকলে "অন্ধ সমৰ্থন" দিয়া পৰিলক্ষিত হয়। সহযোগী সকলে তেওঁক "বাৰেগাম" উপাধী দিছে। মিৰি সকলৰ "বাৰেগামৰ"

দৰে মিজানে মেচৰ সৰু-সুৰা কাজিয়া পেচাল সমূহ নিষ্পতি কৰে। অন্য মেচৰ লৰাই মিজানক “দেৱানী” বুলিও মাতে।

৪-৩০ মিনিটত ৰোমমেট মোৰ হাতত এখিলা কাগজ দিলে। কাগজ টুকুৰাত লিখা আছে “মিষ্টাৰ ফাৰুক। চাৰিজনৰ প্ৰথম দশণী ছিনেমাৰ টিকট আৰু চাহপানৰ খৰচৰ টকাৰৈ ইমিডিয়েট প্ৰস্তুত হোৱা।” কাগজ টুকুৰা পঢ়াৰ লগে লগে মোৰ হিয়া দূৰ-দূৰকৈ কপি উঠিল। মোৰ মনত অলেখ প্ৰশ্নৰ উদয় হল। “হায়ৰে ! ঘৰৰ পৰা পঠোৱা টকাখিনি কিমান পৰিশ্ৰমৰ বিনিময়ত যে সংগ্ৰহ হৈছে, ভুক্তভূগীৰ বাহিৰে সিহঁতে কি বুজিব ? ইহতৰ কথা নেমানিলে যে ৰাতিপুৱাই সীমাহীন অজুহাত দেখুৱাই মেচৰ পৰা উলিয়াই দিব। প্ৰকাশ কৰিলেও ভীষণ শাস্তি দিব। বাইচ দিনৰ ভিতৰত বহুতো কথাই বোধগম্য হলো। এতিয়া উপায় কি ? যোৱা বছৰ প্ৰথম বিভাগত পাচ কৰা লৰা এজনক সিহঁতৰ কথা নমনাৰ কাৰণে অনেক কু অভিসন্ধি সজাই মেচৰ পৰা উলিয়াই দিছে। তেনে এটি পৰিস্থিতি যদি মোৰ ক্ষেত্ৰত হয়। তেন্তে কলেজলৈ অহাৰ সময়ত বাবাই অশ্ৰুসিক্ত ভাবে কৈছিল- “বোপা ফাৰুক ! মাটি বন্ধকত দিয়া টকা তোমাক দিলো। তুমি মানুহ হব লাগিব। তুমি মানুহ হলেহে আমাৰ স্বপ্ন দিঠকত পৰিণত হব। সীমিত পইচাৰে হিচাপ কৰি চলিবা। চিন্তা নকৰিবা। সদায় মন দি পঢ়িবা। জীৱনত বহুত কষ্ট কৰিলো। তুমি মানুহ হৈ মোৰ দুখ-বেদনা দূৰ কৰিব লাগিব। অযথা কেতিয়াও পইচা খৰচ নকৰিবা। সকলোৰে লগত মিলি থাকিবা।” দাদাই ফেকুৰি ফেকুৰি কৈছিল - ‘তোক মানুহ কৰোতে মোৰ পিঠিৰ ছাল গলেও যাব। মই অহা কালিয়েই গুৱাহাটীত কাম কৰিবলৈ গুচি যাম। যেনেকৈ হওক মই পইচাৰ যোগান ধৰিম। তই চিন্তা নকৰাকৈ পঢ়ি যাবি। বাজে ধান্দা নকৰিবি। নগৰবেৰাৰ পৰা কলগাছিয়া খুউব দূৰ নহয়। টকাৰ যোগাৰ হলে কেতিয়াবা মই নিজেই ওলামগৈ। মোৰ একমাত্ৰ কামনা তোক মানুহ কৰিম। তই মানুহ হৈ সৰু ভাইটি ভন্টি হঁতক মানুহ কৰিব লাগিব। বিপদত অধৈয্য নহবি।” “অই বেল ! তই দেখোন এতিয়াও ভেবা লাগি কিবা ভাবি আছ। দেৰি হলে ছিনেমাৰ টিকট পোৱা নাযাব।” মই মনিটৰৰ কথা শুনি থতমত খালো। উপায়ান্তৰ হৈ খৰখেদাকৈ কানি কাপোৰ পিন্ধি ওলালো। আমি চাৰিজন ওলাই আহি ৰিক্সা পালো। মনিটৰে কলে, “ফাৰুক! তুমি মোৰ লগত ৰিক্সাত উঠা। দেৰি হলে টিকট পোৱা নাযাব। সিহঁত তিনিজন লাহে লাহে আহি থাকিব।” যন্ত্ৰবদৰে মই মনিটৰৰ লগত ৰিক্সাত উঠি বহিলো। “প্ৰশান্ত ছিনেমা হল।” মনিটৰে ৰিক্সাৱালাক ইঙ্গিত দিলে। “মনিটৰদা কামটো খুউব ভাল নহল।” বাকী তিনিজনে পাচফালৰ পৰা চিঞৰি দিলে। “তোমালোকে আহি থাকা।” ৰিক্সাৰ পিচফালেদি মনিটৰে হাত জোকাৰি সহাঁৰি জনালে। ৰিক্সা তীব্ৰ বেগত চলিল। ৰিক্সাখন পুৰণি। চেনৰ শব্দ বৰ বেয়াকৈ বাজিবলৈ ধৰিলে। ক্ষন্তেক নীৰৱ। নীৰৱতা ভঙ্গ কৰি মনিটৰে কলে, “অই ৰিক্সাৱালা! ৰিক্সাত তেল নিদিয় কিয় ?” কেহাই ফেপাই ৰিক্সাৱালাই উত্তৰ দিলে। “দাদা, কলগাছিয়াত ৰিক্সাৰ সিমান ইনকাম নাই। যোৱা বানপানীত ৰাস্তা-ঘাট খুউব বেয়া হল। চৰকাৰে এই অঞ্চলৰ প্ৰতি খুউব নজৰ নিদিয়ে। ৰাস্তাত খুউব বালি। তেল দিলেও আগৰ অৱস্থা হয়গৈ।” কলগাছিয়া চাৰি আলি পোৱাৰ আগ মূহূৰ্তত পাৰ্ট ওৱানৰ আমজাদে নুৰানী মেচৰ পাৰ্ট টোৰ পৰীক্ষাৰ ৰিজাল্টৰ সম্বন্ধে চিয়ৰি কলে --“মনিটৰদা আমাৰ মেচৰ ৰহিম ফাচ ক্লাচ মাৰিব পৰা নাই।” “মই জানো বেলটো ফাচ্ক্লাচ নাপায়। ছিনেমা চা যদি প্ৰশান্ত হললৈ আগবাঢ়ি আহ।” ৰিক্সাৰ ভিতৰৰ পৰা মিজানে চিঞৰি উত্তৰ দিলে। ৰিক্সা ছিনেমা হলৰ অভিমুখে আগবাঢ়িলে। ছিনেমা হল পোৱাৰ ঠিক আগ মূহূৰ্তত ঘটনাটো ঘটি গল। বলাই পাথাৰৰ পৰা তীব্ৰ বেগত অহা ছাইকেলখন ৰিক্সাৱালাৰ পাৰ্কিঙৰ বেমেজালিত বিকট খুন্দা লাগি গল। মনিটৰ আৰু মই পৰি যোৱাৰ উপক্ৰম হৈছিলো। অনুমান হল মনিটৰে ভৰিত দুখ পাইছে। মনিটৰে অগ্নিশৰ্মাহৈ ৰিক্সাৰ পৰা জপিয়াই নামি চাইকেল চালকজনক দুই ঘোচা



সোধালে। তাৰ পিচত ৰিক্সাৱালাৰ চাৰ্টৰ কলাৰত ধৰি কলে- “তোৰ ৰিক্সাত ব্ৰেক নাই কিয় ?” ভয়ে ভয়ে ৰিক্সাৱালাই কলে, “দাদা আজি দুপৰীয়া ব্ৰেকডাল চিঙি গৈছে। ঘৰত বহুত ডাঙৰ পৰিয়াল। আজি পইচাৰ অভাবত চাউল কিনিব পৰা নাই। সেয়ে ব্ৰেকডাল ঠিক কৰিব পৰা নাই।”

“বেটা ব্ৰেক নোহোৱাকৈ ৰিক্সা চলাবলৈ আহিছ।” কথাষাৰ শেষ কৰিয়েই ৰিক্সাৱালাক ঘূচিয়াই মাটিত বগৰাই দিলে। “আঃ মৰিলো” ৰিক্সাৱালাই নাকত হেচা মাৰি ধৰিলে। ৰিক্সাৱালাৰ নাক আৰু মুখেদি তেজৰ সোঁত বৈ গল। “মনিটৰদা আপুনি এইবোৰ কি কৰিছে ?” অজানিতে মই চিঞৰি মনিটৰৰ কাৰ্য্যক প্ৰতিবাদ জনালো। চুপ ননচেঞ্চ। কথা নকবি। ইহঁতক এনেকৈ ঠিক কৰিব লাগে। ” মিজানৰ চকুদি যেন জুইৰ ফিৰিঙতি জ্বলিছে। মই ৰিক্সাৱালাৰ নাকেদি তেজ নিগৃত দেখি চকু মুদি দিলো। পালকতে মোক মানস পটত দাদাৰ স্মৃতি ভাঁহি উঠিল। দাদাই মোক মানুহ কৰাৰ বাসনাৰে হয়তো কোনোৱা চহৰত ৰিক্সা চলাই থাকোতে কনমান ভুলৰবাবে কোনোবা উদণ্ড ডেকাৰ হাতত এনেকৈ মাৰ খাইছে। মোৰ বেদনা সিক্ত মনটো সেমেকি গল। আবেগত হৃদ স্পন্দন দ্ৰুত হল। মগজুৱে ক্ৰিয়া নকৰা হল। মনে মনে সংকল্প ললো মেচৰ পৰিবেশ সলনি কৰিবই লাগিব। কলেজৰ উদন্ড লৰাক আচল পথলৈ ঘূৰাই আনিবই লাগিব। মই বেগাই মেচৰ পিনে খোজ ললো। দাদাৰ প্ৰতিচ্ছবিৰ স্মৃতিৰ কল্পনাই ৰিক্সাৱালা জনলৈ উভতি চালো। ইতিমধ্যে ঘটনা স্থলিত অগনন জনতাৰ ভিৰ।



# বৃহত্তৰ কলগাছিয়াৰ শিক্ষা আন্দোলন ঃ এটি চমু আলোকপাত

আনোৱাৰ হুছাইন, এম.এ.
প্ৰাক্তন ছাত্ৰ

১৯৭১ চনত নৰজ্যোতি মহাবিদ্যালয় স্থাপন হোৱাৰ আগতে বৃহত্তৰ কলগাছিয়া অঞ্চল শিক্ষাৰ ক্ষেত্ৰত আছিল তেনেই পিছপৰা। পশ্চিমে অভয়াপুৰী আৰু পূবে বৰপেটাৰ বাহিৰে উচ্চ শিক্ষাৰ বাবে এই বৃহৎ এলেকাৰ কোনো ঠাইতে উচ্চশিক্ষাৰ প্ৰতিষ্ঠান নাছিল। মূলতে কৃষিজীবি দৰিদ্ৰ ৰাইজৰ বসতিস্থল কলগাছিয়াত এখন মহাবিদ্যালয় স্থাপনৰ চিন্তা এক উচ্চস্তৰৰ মানসিকতাৰ প্ৰতিফলন বুলি কব পাৰি। কঠোৰ জীৱন জীবিকাৰ সতে যুঁজা ৰাইজে উচ্চ শিক্ষাৰ চিন্তা কৰাৰ উদাহৰণ অৱশ্যই বিৰল আৰু স্মৰণযোগ্য।

আজিৰ পৰা পাঁচিশ বছৰ পূৰ্বে যি সকল মহান ব্যক্তিয়ে নৰজ্যোতিৰ সপোন দেখিছিল তেওঁলোকৰ সপোন কিমানদূৰ বাস্তৱত প্ৰতিফলিত হ'ল তাৰ সঠিক মূল্যায়ন কৰাৰ সময় আহি পৰিছে। অতীতৰ অভিজ্ঞতা আৰু বৰ্তমানৰ ভেঁটিত হে ভৱিষ্যতক গঢ় দিব পৰা যায়। মহাবিদ্যালয়খনে ইয়াৰ ভিত্তিতেই অঞ্চলটোৰ উঠি অহা প্ৰজন্মক সঠিক পথত পৰিচালিত কৰিব লাগিব।

কলগাছিয়া অঞ্চলৰ শিক্ষা আন্দোলনৰ ক্ষেত্ৰত নৰজ্যোতি মহাবিদ্যালয়ৰ ভূমিকা সম্পৰ্কে আলোকপাত কৰিলে দেখা যাব যে জন্মৰ পাছৰে পৰাই বিভিন্ন প্ৰতিকূলতাক নেওচি মহাবিদ্যালয়খনে এই অঞ্চলত শিক্ষিতৰ সংখ্যা বৃদ্ধিকৰাত ভালেখিনি সফল হৈছে। শিক্ষাৰ ক্ষেত্ৰত হোৱা অঞ্চলটোৰ অগ্ৰগতি আৰু মহাবিদ্যালয়খনত শৈক্ষিক পৰিবেশ অঞ্চলটোৰ বাহিৰৰ ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। কলগাছিয়া অঞ্চলৰ বাহিৰৰ ছাত্ৰ-ছাত্ৰী সকলৰ আগমনে এইকথাৰ যথাৰ্থতা দাঙি ধৰে। এই ক্ষেত্ৰত অঞ্চলটোৰ সুস্থ সামাজিক পৰিবেশ আৰু জগৰীয়া অত্যাধুনিকতাই চুব নোৱাৰা অৱস্থাটোও কিছু পৰিমানে হলেও অৰিহনা যোগাইছে বুলি কব পাৰো। নৰজ্যোতিৰ শিক্ষাৰ জ্যোতিয়ে এই অঞ্চলৰ প্ৰায় প্ৰতিটো পৰিয়ালকে চুব পাৰিছে। যাৰ ফলত আজি প্ৰায় প্ৰতিটো পৰিয়ালত এজনকৈ হলেও শিক্ষিতৰ সৃষ্টি হৈছে বুলি কব পাৰি আৰু অঞ্চলটোত তুলনামূলকভাবে এক সুস্থ শৈক্ষিক বাতাবৰণৰ সৃষ্টি হৈ সামাজিক দৃষ্টিভঙ্গীৰ গুণগত পৰিবৰ্তন আনিবলৈ সক্ষম হৈছে বুলি কলেও বঢ়াই কোৱা নহব।

নাৰী শিক্ষাৰ অগ্ৰগতিৰ ক্ষেত্ৰত নৰজ্যোতি মহাবিদ্যালয় খনে এক অভূতপূৰ্ব অৰিহনা যোগাব পাৰিছে। অঞ্চলটোত বসতি কৰা প্ৰায় নিৰানব্বৈ শতাংশ আৰ্থিকভাবে পিছপৰা ইছলাম ধৰ্মত বিশ্বাসী মানুহ বোৰৰ মাজত নাৰী শিক্ষা সম্পৰ্কে কিছুভুল ধাৰণা আছিল যদিও মহাবিদ্যালয়খন স্থাপন হোৱাৰ পিছৰে পৰা ক্ৰমান্বয়ে এই ধাৰণা শিথিল হৈছে আৰু বৰ্ত্তমান মুঠ ছাত্ৰ-ছাত্ৰীৰ প্ৰায় এক চতুৰ্থাংশই ছাত্ৰীয়ে মহাবিদ্যালয়খনত অধ্যয়ন কৰিথকা পৰিলক্ষিত হৈছে। নাৰীশিক্ষাৰ অগ্ৰগতিৰ ক্ষেত্ৰত ই এক সাফল্য। এই ক্ষেত্ৰত মহাবিদ্যালয়খনত অধ্যক্ষই লোৱা কিছুমান উদগনিমূলক কৰ্মসূচী অৱশ্যই প্ৰশংশনীয়। বৃহত্তৰ কলগাছিয়া অঞ্চলৰ শিক্ষাৰ অগ্ৰগতিৰ অন্য এটা দিশ হৈছে স্থানীয় ৰাইজ আৰু শিক্ষিত চামৰ ত্যাগৰ বিনিময়ত প্ৰতিষ্ঠিত হোৱা প্ৰাথমিক মধ্য ইংৰাজী আৰু উচ্চ মাধ্যমিক বিদ্যালয় সমূহ। প্ৰায় প্ৰতিখন গাৱঁত স্থাপিত হোৱা প্ৰাথমিক বিদ্যালয় আৰু প্ৰতিখন অঞ্চলত স্থাপন হোৱা মধ্য ইংৰাজী আৰু উচ্চ/উচ্চতৰ মাধ্যমিক বিদ্যালয় সমূহে শিক্ষাবিস্তাৰৰ ক্ষেত্ৰত অভূতপূৰ্ব অৰিহনা



যোগাই আহিছে। উল্লেখ থাকে বিদ্যালয় সমূহৰ প্ৰায় ভাগ শিক্ষকেই নৰজ্যোতি মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ বা ছাত্ৰী। গতিকে অঞ্চলটোৰ শিক্ষা আন্দোলনৰ কৃতিত্বৰ সিংহভাগ নৰজ্যোতি মহাবিদ্যালয়ৰ বুলি কলে বঢ়াই কোৱা নিশ্চয় নহব।

শিক্ষা আন্দোলনৰ ক্ষেত্ৰত সংশ্লিষ্ট মহা বিদ্যালয়খনে আগবঢ়োৱা উল্লেখযোগ্য বৰঙনি সমূহৰ উপৰিও আন কিছুমান দিশ আমি গুৰুত্ব সহকাৰে আলোকপাত কৰা উচিত হব। সংখ্যাৰ ফালৰ পৰা শিক্ষিত সংখ্যা যথেষ্ট বৃদ্ধি পাইছে যদিও শিক্ষিত সকলৰ গুণগত মানদণ্ড বিচাৰ্য্যৰ বিষয়। মহাবিদ্যালয়ৰ উচ্চ শিক্ষাৰ ডিগ্ৰী লাভ কৰা ছাত্ৰ-ছাত্ৰী সকলৰ অধিকাংশই পৰিবৰ্ত্তিত পৰিস্থিতিৰ লগত নিজকে খাপ খুৱাই আগবঢ়াই লৈ যাব পৰা নাই বুলি কব পৰি। এজন ছাত্ৰৰ পক্ষে কেৱল পৰীক্ষাৰ ভাল ফলাফল বা ডিগ্ৰীৰ প্ৰমাণপত্ৰই যে যথেষ্ট নহয় তাক উপলব্ধি কৰাৰ ক্ষেত্ৰত বিচ্যুতি ঘটিছে বুলি ধাৰণা হয়। পৰীক্ষাৰ ভাল ফলাফলৰ উপৰিও শিক্ষাৰ অন্যান্য গুৰুত্বপূৰ্ণ আনুসাঙ্গিক বিষয় সমূহতো ভাল বুৎপত্তি লাভ কৰাটো যে প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰ কৰ্ত্তব্য তাক হৃদয়ঙ্গম কৰা অতি প্ৰয়োজন কিয়োনো সভ্য পৃথিৱীৰ প্ৰতিযোগীতামূলক বজাৰ খনত নিজকে উপযুক্ত ভাবে প্ৰতিষ্ঠিত কৰিব বিচাৰিলে উক্ত বিষয় সমূহৰ গুৰুত্ব অপৰিসীম। কিন্তু এই বৃহৎ এলেকাটোৰ হোৱা পঁচিশ বছৰীয়া শিক্ষা আন্দোলনৰ ইতিহাসে এই ক্ষেত্ৰত আশানুৰূপ ফলাফল দেখুৱাব পৰা নাই যেন লাগে। আজি পৰ্য্যন্ত অঞ্চলটোৰ পৰা এজনো ৰাষ্ট্ৰীয় বা ৰাজ্যিক পৰ্য্যয়ত খিতাপ অৰ্জন কৰিব পৰা খেলুৱৈ, সংগীত শিল্পী বা সাহিত্যিক সাংবাদিক ওলাই আহিব নোৱাৰাটো এক দুখজনক অৱস্থাৰ স্বৰূপ দাঙি ধৰে। শিক্ষাৰ প্ৰাণকেন্দ্ৰ নৰজ্যোতি মহাবিদ্যালয়খনত প্ৰতিবছৰে বুজন পৰিমানৰ অৰ্থ ব্যয় কৰি কলজে সপ্তাহত অনুষ্ঠিত কৰা প্ৰতিযোগিতা সমূহৰ কৃতকাৰ্য্যতাটোৰ প্ৰতি প্ৰশ্ন আনিদিছে। কলেজ সপ্তাহত আয়োজন কৰা ক্ৰীড়া প্ৰতিযোগিতা বা অন্যান্য স্বেচ্ছাসেৱী সংগঠনৰ উদ্যোগত অনুষ্ঠিত কৰা ক্ৰীড়া প্ৰতিযোগীতা বোৰত যথেষ্ট সংখ্যক প্ৰতিযোগীয়ে যোগদান কৰে যদিও প্ৰতিদ্বন্দীবোৰৰ প্ৰদৰ্শনৰ মানদণ্ড বাহিৰৰ প্ৰতিযোগীতাৰ জগতখনত তিষ্টিব পৰা জোখৰ নহয়। সংগীতৰ ক্ষেত্ৰতো সেই একে কথাই কব পাৰো। কলা সুলভ সংগীত চৰ্চাৰ বিপৰীতে কলেজখনৰ ছাত্ৰছাত্ৰীৰ উপৰিও স্থানীয় শিক্ষিত সংগীত প্ৰেমীসকলে সস্তীয়া বা সাময়িক উত্তেজনা সৃষ্টি কৰা সীতঘাত বোৰৰ প্ৰতি বেছি আগ্ৰহী হোৱা দেখা যায়। এটা অঞ্চলৰ ৰাইজৰ সংগীতৰ প্ৰতি থকা এনে দৃষ্টিভঙ্গী অৱশ্যই প্ৰত্যাশিত নহয়। অঞ্চলটোৰ শিক্ষাজগতৰ বাবে আটাইতকৈ ডাঙৰ প্ৰত্যাহ্বানটো হৈছে শিক্ষিত চামৰ প্ৰচেষ্টাত এক শক্তিশালী বৌদ্ধিক চক্ৰ গঢ় দিব নোৱাৰাটো। প্ৰণালীবদ্ধ প্ৰচেষ্টাৰ যোগেদি নতুন প্ৰজন্মৰ মাজত এটা অধ্যয়নমুখী পৰিবেশ সৃষ্টি কৰিব নোৱাৰাটো শিক্ষিত চামৰ এক চৰম ব্যৰ্থতা বুলি কব পাৰো। যদিও ব্যক্তিগত প্ৰচেষ্টাত দুই এজনে এই ক্ষেত্ৰত চিন্তা চৰ্চা কৰা দেখা যায় কিন্তু তেওঁলোকে বিভিন্ন কাৰণত আশানুৰূপ সফল হব পৰা নাই। ইয়াৰ প্ৰধান কাৰণটো হৈছে শিক্ষিত সকলৰ দলীয় ৰাজনীতিৰ প্ৰতিথকা অত্যাধিক দুৰ্বলতা। দলীয় ৰাজনীতিৰ প্ৰতি বেছি আসক্ত হৈ ৰাইজৰ মাজত বিভ্ৰান্তিৰ সৃষ্টি কৰি আছে যাৰ প্ৰভাৱ দেশৰ ভবিষ্যত নাগৰিক ছাত্ৰ-ছাত্ৰী সকলৰ মাজত নপৰাকৈ থকা নাই। নৰজ্যোতি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনবোৰত ইয়াৰ দৃষ্টান্ত স্পষ্টকৈ দেখা পোৱা যায়। গতিকে এক সুস্থ শৈক্ষিক বাতাবৰণ সৃষ্টি কৰি অঞ্চলটোৰ শিক্ষা আন্দোলনক অধিক শক্তিশালী কৰাৰ বাবে শিক্ষাখণ্ডৰ লগত জড়িত ব্যক্তি সকলে পৰাপক্ষত দলীয় ৰাজনীতি ত্যাগ কৰা উচিত।

নৰজ্যোতি মহাবিদ্যালয়ক উৎকৰ্ষতাৰ কেন্দ্ৰ হিচাপে গঢ়ি তুলিব লাগিব। বৰ্তমানৰ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক শিক্ষয়িত্ৰী সকলৰ উপৰিও স্থানীয় ৰাইজে এই প্ৰক্ৰিয়াত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিব লাগিব। এজন প্ৰাক্তন ছাত্ৰ হিচাপে নৰজ্যোতি মহাবিদ্যালয়ৰ পৰা আমি এই প্ৰত্যাশাই কৰো।

# নৱজ্যোতি মহাবিদ্যালয়ৰ শৈক্ষিক পৰিবেশ

**এম. কে. জামান**
প্ৰবক্তা নৱজ্যোতি মহাবিদ্যালয়

পিছপৰা অনুন্নত বৃহৎ কলগছিয়া, অঞ্চলত শিক্ষাৰ পোহৰ বিস্তাৰৰ উদ্দেশ্য আগতলৈ কেইবাজনো বিদ্যানুৰাগী শিক্ষিত, অৰ্ধশিক্ষিত আৰু অশিক্ষিত মানুহৰ আপ্ৰাণ চেষ্টাৰ ফলতেই ১৯৭১ চনত নৱজ্যোতি মহাবিদ্যালয় স্থাপন হৈছিল। কলগছিয়াক কেন্দ্ৰ কৰি এই বিস্তৃত অঞ্চলৰ লোক সকল আছিল আৰ্থিক ভাৱে একেবাৰে জুৰুলা। অৰ্থনৈতিক ভাৱে পিছপৰা এই অঞ্চলৰ লোক সকলৰ লৰা ছোৱালীয়ে যাতে কম খৰচত উচ্চ শিক্ষা লাভ কৰিব পাৰে তাৰ কাৰণেই প্ৰতিষ্ঠা হৈছিল নৱজ্যোতি মহাবিদ্যালয়। ১৯৭৯ চনত কলেজখনৰ কলা-বিভাগ ঘাটি মঞ্জুৰী লাভ কৰাত সেই মহান ব্যক্তি সকলৰ শ্ৰম সাৰ্থক হ'ল বুলি কব পাৰি। দুভাৰ্গ্য বশতঃ সেই চনৰ পৰাই অসমত বিদেশী বহিষ্কাৰ আন্দোলন তীব্ৰতৰ হয়। এই আন্দোলনৰ কাৰণে অসমৰ বিভিন্ন কলেজত বিজ্ঞান শাখাত অধ্যয়ন কৰা এই অঞ্চলৰ বহুতো ছাত্ৰই পঢ়া-শুনা বাদ দিব লগা পৰিস্থিতিৰ সৃষ্টি হয়। এনেকুৱা দুৰ্ভগীয়া ছাত্ৰ-ছাত্ৰী সকলৰ ভৱিষ্যত চিন্তা কৰি এই বৃহৎ অঞ্চলৰ ৰাইজে ইয়াত এখন বিজ্ঞান শাখা খুলিব লাগে বুলি আকৌ একত্ৰিত হল। কলেজৰ বৰ্ত্তমানৰ অধ্যক্ষ মহোদয়েও এই ক্ষেত্ৰত মূখ্য ভূমিকা গ্ৰহণ কৰি ১৯৮১ চনত ইয়াত বিজ্ঞান শাখাৰ পাতনি মেলিলে। বহুত অভাৱ অভিযোগৰ মাজেৰে আৰম্ভ হয় কলেজৰ বিজ্ঞান শাখাৰ। ছাত্ৰ-ছাত্ৰী সকলেও কমবেছি কষ্ট স্বীকাৰকৰি এইখন কলেজত অধ্যয়ন কৰিবলৈ লয়। ১৯১২ চনত কলেজখনৰ বিজ্ঞান শাখা ঘাটি মঞ্জুৰী লাভ কৰাৰ লগে লগে এই অঞ্চলত ৰাইজৰ সেই আশাও বাস্তৱত পৰিণত হল।

নৱজ্যোতি কলেজ হৈছে একেবাৰে অনুন্নত অঞ্চলৰ গাৱলীয়া কলেজ। ইয়াৰ ১০০% ছাত্ৰ-ছাত্ৰীয়েই গাৱঁৰ পৰা অহা। ছাত্ৰ-ছাত্ৰী সকলৰ কথা-বতৰা স্বভাৱ-চৰিত্ৰ, আচাৰ ব্যৱহাৰ সকলো নিখুঁত গাওলীয়া তাৰোপৰি ছাত্ৰ-ছাত্ৰী সকলৰ অধিকাংশই দৰিদ্ৰসীমাৰেখাৰ তলত থকা পৰিয়ালৰ পৰা অহা। বহুতো ছাত্ৰ-ছাত্ৰীয়ে আনকি নাম ভৰ্ত্তিৰ টকাখিনিও একেলগে দিব নোৱাৰে। এই অঞ্চলৰ আন এটা ডাঙৰ সমস্যা হৈছে ৰাস্তা ঘাটৰ সমস্যা। অনুন্নত বাট-পথ আদিৰ বাবে এই ভিতৰুৱা অঞ্চলত যান-বাহনৰ ব্যৱস্থা একেবাৰে দুৰ্বল। সৰভোগৰ বাহিৰে কলগছিয়াৰ পৰা বিভিন্ন দিশলৈ বাছ চলা-চল নকৰে বুলি কলেও বঢ়াই কোৱা নহয়। গতিকে, অধিকাংশ ছাত্ৰ-ছাত্ৰীয়ে খোজ কাঢ়িয়েই কলেজলৈ আহিব লাগে। ৫/৭ কিলোমিটাৰ খোজ কাঢ়িব লগা হোৱা কাৰণে এইখন কলেজত পুৱা আৰু আবেলি ৩ বজাৰ পিছৰ ক্লাবত ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিৰ সংখ্যা কম হোৱা দেখা যায়। গতিকে দেখা যায় যে ছাত্ৰ-ছাত্ৰী সকলে অশেষ কষ্ট কৰি ৪/৫ বছৰ কোনোমতে অতিবাহিত কৰি চুড়ান্ত পৰীক্ষা সমূহত উত্তীৰ্ণ হৈ চাকৰি বা অইন কোনো কাম পাব বিচাৰে। গতিকে মনোযোগৰে অধ্যয়ন কৰাটো তেওঁলোকৰ কৰ্ত্তব্য বুলি ভাবে। পুৱা আৰু আবেলিৰ ক্লাচত উপস্থিত থাকিব নোৱাৰা ছাত্ৰ-ছাত্ৰী সকলে ভাল ফলা-ফল দেখুৱাবলৈ নিজাববীয়াকৈ অলপ বেছি কষ্ট স্বীকাৰ কৰিব লগা হয়। একানপতীয়া চেষ্টাৰ ফলত যে ছাত্ৰ এজন নিজৰ জীৱনক গঢ় দিব পাৰে তাক এইখন কলেজৰ ছাত্ৰ-ছাত্ৰী সকলে কম বেছি উপলব্ধি কৰিব পাৰিছে।



কলেজ কৰ্ত্তৃপক্ষই মহাবিদ্যালয় খনত সদায় শিক্ষাৰ এটা অনুকুল পৰিবেশ বিৰাজ কৰাটো কামনা কৰে। কলেজৰ অধ্যক্ষ মহোদয়ে প্ৰবক্তা সকলক লৈ কলেজখনৰ শিক্ষাৰ মানদণ্ড যাতে উন্নত ধৰণৰ হয় তাক মাজে সময়ে সভা-সমিতি পাতিও আলোচনা কৰে। তাৰোপৰি ইয়াৰ প্ৰবক্তা সকলও এই পিছপৰা গাৱলীয়া কলেজখন অসমৰ ভিতৰত এখন নামজ্বলা কলেজলৈ যাতে উন্নত হব পাৰে তাৰ কাৰণে আপ্ৰাণ চেষ্টা চলাই আছে। যাৰ কাৰণে এইখন কলেজৰপৰা প্ৰতিবছৰে সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা একেবাৰে কম নহয়। জিলা ভিত্তিত অনুষ্ঠিত আন্ত মহাবিদ্যালয় পৰ্য্যায়ৰ কিছুমান প্ৰতিযোগিতাত কলেজ খনৰ ছাত্ৰ-ছাত্ৰী সকলে সুনাম অৰ্জন কৰিবলৈও সক্ষম হৈছে। পিছপৰা অঞ্চলৰ গাৱলীয়া কলেজখন বৰপেটা জিলাৰ আন আন উন্নত কলেজৰ লগত একেলগে ফেৰ মাৰিব পাৰিছে বুলি আমি গৌৰৱান্বিত।

শিক্ষাৰ উপযুক্ত পৰিবেশ সৃষ্টি হয় শিক্ষানুষ্ঠানত থকা শিক্ষক-শিক্ষয়ত্ৰী আৰু ছাত্ৰ-ছাত্ৰী সকলৰ মাজৰ সম্পৰ্কতৰ পৰা। নৱজ্যোতি কলেজৰ শিক্ষক-শিক্ষয়ত্ৰী আৰু ছাত্ৰ-ছাত্ৰী সকলৰ মাজৰ সম্পৰ্ক মধুৰ বুলি কব পাৰি। ছাত্ৰছাত্ৰী সকল যিকোনো মুহুৰ্ত্তত যিকোনো সমস্যাৰ সন্মূখীন হলে শিক্ষক-শিক্ষয়ত্ৰী সকলে তাক সেই মুহূৰ্ত্ততে সমাধান কৰাৰ চেষ্টা কৰাৰ কাৰণেই কিজানি এই সম্পৰ্ক স্থায়ী হৈ আছে। কিতাপৰ অভাৱত অধ্যয়ন কৰিব নোৱাৰা বহুতো মেধা ছাত্ৰক প্ৰবক্তা সকলে পুথি ভড়ালৰ পৰা নিজৰ নামত কিতাপ লৈ সেই ছাত্ৰ-ছাত্ৰী সকলক যোগন দিয়াই হৈছে এইখন কলেজৰ শিক্ষক শিক্ষয়ত্ৰী সকলৰ এটা অন্যতম বৈশিষ্ট। অকল অধ্যয়নৰ ক্ষেত্ৰতে নহয় আন আন অনুষ্ঠান যেনে আদৰণি সভা, কলেজ সপ্তাহ, ফাতেহা ই-দোৱাজ দহম, মহৰম আদি অনুষ্ঠানতো শিক্ষক-শিক্ষয়ত্ৰী সকলে ছাত্ৰ-ছাত্ৰী সকলক পূৰ্ণ সহযোগিতা আগবঢ়ায়। উল্লেখযোগ্য যে এইখন কলেজৰ প্ৰবক্তা সকলে কম বেছি পৰিমাণ অভিভাৱক সকলৰ লগতো যুগসুত্ৰ ৰক্ষা কৰি চলিব পাৰিছে। এজন কৃতী ছাত্ৰ পঢ়িবলৈ অকল শিক্ষক আৰু অভিভাৱকেই যথেষ্ট নহয়, তাৰোপৰি ছাত্ৰজনৰো কিছুমান বিশেষগুণ থাকিব লাগিব। বিখ্যাত কবি বাইৰনে কৈছিল "To be perfectly original one should think much and read little and this is impassible for one must have read before one has learn to think." আন এজন ভাৰতীয় বৈজ্ঞানিক হোমি ভাৱাই কৈছিল "অসীম ধৈয্য, অপৰিসীম উৎসাহ, আৰু নিজৰ ওপৰত বিশ্বাস এই তিনিটা গুণ যি গৰাকী ব্যক্তিৰ নাই সি বিজ্ঞানৰ কৃতী ছাত্ৰ হব নোৱাৰে।" ছাত্ৰ-ছাত্ৰী সকলে এইবোৰ কথা চিন্তা কৰি অধ্যয়ন কৰিলে এই কলেজৰ শিক্ষাৰ মানদণ্ড আৰু অলপ উন্নত হব বুলি আশা কৰিব পাৰো।

শিক্ষাৰ মধুৰ পৰিবেশ কেৱল শ্ৰেণীসমূহ নিয়মিত ভাৱে অনুষ্ঠিত হলেই নহয় পৰীক্ষা সমূহো ভালদৰে আৰু নিকাকৈ সম্পাদন হোৱাটো তাৰ পৰিচায়ক। পৰীক্ষাত নকল কৰা বা অসৎ উপায় অৱলম্বন কৰা আদিয়েই শিক্ষাৰ পৰিৱেশ বেয়া কৰিব পাৰে। কলেজৰ পৰীক্ষা নিয়ন্ত্ৰণ কৰ্ত্তপক্ষৰ পৰ্য্যায়মানে এইবোৰ আসোৱাহ দূৰ কৰি সুকলমে পৰীক্ষা চলাবলৈ সক্ষম হৈছে। অৱশ্যে এই ক্ষেত্ৰত দুই এটা অপ্ৰীতিকৰ ঘটনা নঘটা নহয়। তথাপি নৱজ্যোতি কলেজৰ পৰীক্ষা যে আসোৱাহ মুক্ত তাক সকলোৱে স্বীকাৰ কৰিবই লাগিব।

অভাৱৰ অন্ত নাই। সমস্যাবহুল এইখন কলেজতো এতিয়াও বহুত কৰিব লগীয়া আছে। ছাত্ৰ-ছাত্ৰী সকলৰ কাৰণে পৰ্য্যাপ্ত শ্ৰেণী কোঠা, উন্নত পুথিভড়াল, অধ্যয়ন কক্ষ আদিৰ অভাৱ। অধ্যয়ন কক্ষত ছাত্ৰ-ছাত্ৰী সকলে পয্যাপ্ত বাতৰি কাকত, আলোচনী আদি অধ্যয়ন কৰিব পৰা নাই। জ্ঞান বিকাশৰ ক্ষেত্ৰত এই বাতৰি কাকত আৰু আলোচনী আদিয়ে মুখ্য ভূমিকা গ্ৰহণ কৰি আহিছে। নিয়মিত বাতৰি কাকত বা আলোচনী অধ্যয়নে নিজকে যে

এখোপ আগবঢ়াই নিব পাৰে তাক যেন এতিয়াও এইখন কলেজৰ ছাত্ৰ-ছাত্ৰী সকলে উপলব্ধি কৰিব পৰা নাই। তথাপি কলেজ কৰ্ত্তৃপক্ষৰ পৰা যোগান ধৰা নিম্নতম সুবিধা খিনি গ্ৰহণ কৰিলে ছাত্ৰ-ছাত্ৰী সকলে উপকৃত হব পাৰিব । দুৰ্ভাগ্য বশতঃ পুথি ভড়ালত থকা অধ্যয়ন কক্ষত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা একেবাৰে কম দেখা যায় । তাৰোপৰি ছাত্ৰ-ছাত্ৰী সকলে পুথিভড়ালৰ পৰা কেৱল পাঠ্যপুথিৰ কিতাপ লোৱাতহে ব্যস্ত । বাহিৰা জ্ঞানৰ কিতাপ ছাত্ৰ-ছাত্ৰী সকলে খুব কমেই লোৱা দেখা যায় ।

কলেজখনত শিক্ষাৰ এটা সম্পূৰ্ণ সুস্থ্য আৰু সুন্দৰ পৰিবেশ গঢ়ি উঠাৰ বাবে কলেজ কৰ্ত্তৃপক্ষৰো কৰিব লগীয়া বহুত আছে। যথেষ্ট সংখ্যক শ্ৰেণীকোঠা, আচবাব, পুথিভড়াল অধ্যয়ন কক্ষ আৰু খেলা ধূলাৰ সামগ্ৰী যোগানে ছাত্ৰ-ছাত্ৰী সকলৰ মাজত শৈক্ষিক পৰিৱেশ গঢ়ি তোলাত যথেষ্ট সহায় কৰিব পাৰে। আমাৰ কলেজখনত আগতে খেলপথাৰ পৰ্য্যন্ত নাছিল। কলেজ কৰ্ত্তৃপক্ষই বহুত চেষ্টাৰ পিছত সুদীৰ্ঘ ১৯/২০ বছৰ পিছত এই অভাৱ দূৰ কৰিবলৈ সক্ষম হেছে। কিন্তু তথাপি এখন পুৰ্নাংগ খেলপথাৰ এতিয়াও গঢ়ি উঠা নাই । টেনিছৰ খেলপথাৰ এতিয়াও গঢ়ি উঠা নাই । অৱশ্যে কৰ্ত্তৃপক্ষৰ পৰা যিখিনি সামগ্ৰী যোগান কৰা হেছে সেই খিনিও ছাত্ৰ-ছাত্ৰী সকলে সৎব্যৱহাৰ কৰা দেখা নেযায় । যাৰ কাৰণে এইখন কলেজৰ খেলা-ধূলাৰ মানদণ্ড উন্নত হোৱানাই ।

অন্তহীন অভাৱ অভিযোগৰ মাজেদি আগবাঢ়ি গৈছে এই নৱজ্যোতি মহাবিদ্যালয়। কোনো এটা বিভাগতেই পৰ্য্যাপ্ত সুবিধা দিব নোৱাৰা এই কলেজখনে অতি কষ্টৰ মাজেৰে হলেও উচ্চ শিক্ষাৰ ক্ষেত্ৰত এটা সুস্থ আৰু শান্ত পৰিৱেশ গঢ়ি তুলিবলৈ সক্ষম হৈছে । যাৰ ফলশ্ৰুতিতেই কলেজখনে ঘাত-প্ৰতিঘাতৰ মাজেৰেও সুনাম অৰ্জন কৰিবলৈ সক্ষম হৈছে। বৰ্ত্তমান বিভিন্ন অনুষ্ঠানৰ পৰা-অহা শিক্ষাবিদ সকলেও নৱজ্যোতি মহাবিদ্যালয়খনক অসমৰ আন আন কলেজৰ তুলনাত একেবাৰে পিছপৰি থকা নাই বুলি মন্তব্য কৰে ।

অসম আন্দোলনৰ সময়ত অসমৰ প্ৰায়বোৰ কলেজৰ-শিক্ষাৰ পৰিবেশ বিনষ্ট হেছিল বুলি কব পাৰি । কিন্তু সৌভাগ্য বশত আন্দোলনৰ প্ৰভাৱ নপৰা এইখন কলেজৰ শৈক্ষিক পৰিবেশ বিনষ্ট হোৱা নাছিল । এইখন কলেজৰ ছাত্ৰ-ছাত্ৰী সকলে সেই সময়তো নিয়মিত অধ্যয়ন কৰাৰ বাবে আৰু কৰ্ত্তৃপক্ষৰ চোকা দৃষ্টিৰ বাবেই দূনীৰ্তিৰ আশ্ৰয় লব পৰা নাছিল। কলেজ এখনৰ শৈক্ষিক পৰিবেশ এবাৰ বিনষ্ট হলে তাক ভালৰ ফাললৈ ঘূৰাই অনা টান। তেনেকুৱা বেয়া পৰিৱেশ এটাৰ সৃষ্টি নোহোৱাৰ কাৰণেই হয়তো এইখন কলেজৰ শৈক্ষিক পৰিবেশ ভাল বুলি কব পাৰি । নৱজ্যোতি কলেজৰ বিগত ২৫ বছৰতো শিক্ষাৰ পৰিৱেশ ভাল থকাৰ কাৰণে আমি সকলোয়ে গৌৰৱান্বিত। ভৱিষ্যতেও যাতে এইখন কলেজৰ শৈক্ষিক পৰিবেশ আৰু উন্নত আৰু সুস্থ হয় তাকেই পৰম কৰুণাময়ৰ ওপৰত আশা ৰাখি লিখনিৰ যৱনিকা টানিছো ।

“নিতৌ বাতিপুৱা এটা ভাল কবিতা পঢ়িবা,
এটা ভালগান শুনিবা, এখন ভাল ছবি চাবা।”
জাৰ্মান কবি গোটে।



# ৰূপালী জয়ন্তীৰ সোনালী স্মৃতি ঃ-
# প্ৰসঙ্গ নৱজ্যোতি মহাবিদ্যালয়

অধ্যাপক মোঃ ছোৰমান আলী, প্ৰৱক্তা
প্ৰৱক্তা, বুৰঞ্জী বিভাগ

১৮২৬ চনৰ ইয়াণ্ডাবু সন্ধিৰ পিছৰ পৰাই ক্ৰমান্বয়ে গোটেই অসমতে ইংৰাজ সকলৰ আধিপত্য বিস্তাৰ হয় আৰু শাসনৰ সুবিধাৰ্থে ১৮৩৪ চনত ৰৰ্বাটশ্বন চাহাবে নতুন নতুন জিলা সৃষ্টিৰ প্ৰক্ৰিয়া আৰম্ভ কৰে। সেই একে বছৰতে পুৰনি কামৰূপ জিলাখনৰ সৃষ্টি হৈছিল। ১৯৮৪ চনত পুৰণি কামৰূপ জিলাকে বৰপেটা আৰু নলবাৰী জিলালৈ ভাগ কৰা হয়। কলগাছিয়া গাওঁখন জিলা সদৰ বৰপেটা চহৰৰ পৰা ৰাষ্ট্ৰীয় ঘাই পথেৰে ৫৩ কিঃ মিঃ দূৰত অৱস্থিত । বৰপেটাৰ পশ্চিম ফালে অৱস্থিত জনীয়া সত্ৰয়েদি বেকী নদী পাৰ হৈ ইয়াৰ দূৰত্ব মাত্ৰ ১৬ কিঃমিঃ ।

কলগাছিয়া মূলত সংখ্যালঘু অধ্যুষিত এখনি সৰু গাওঁহে। ইয়াৰ বৰ্ত্তমানৰ জনসংখ্যা (১৯৯১ চনৰ লোক পিয়লমতে) ৩৪২৩ জন । শিক্ষিতৰ হাৰ ক্ৰমে পুৰুষ ৬৩৫ জন আৰু মহিলা ৩৬৭ জন । গাওঁখনৰ নামৰ উৎপত্তি সম্পৰ্কে ঐতিহাসক কোনো উৎস নাই যদিও অতীতত ইয়াত কলগছৰ প্ৰাচুৰ্য্যতাই এই নামৰ উৎপত্তি বুলি জনা যায় ।

১৯৭১ চনটো আৰ্ন্তজাতিক ভাবে এটা ঘটনা বহুল বৰ্ষ । এই বছৰৰে কোনোবা এটা পবিত্ৰ মুহূৰ্ত্তত কল গাছিয়া অঞ্চলৰ ৰাইজেও অসমৰ শিক্ষাজগতত এক অঘটন ঘটালে । অঘটন এই বুলিয়েই কব লাগিব যে এনেকুৱা এখন ভিতৰুৱা অঞ্চলত কলেজস্থাপন কৰিবলৈ মানুহৰ মাজত যিটো উৎসাহ উদ্দীপনা আৰু প্ৰচেষ্টা দেখা গৈছিল তাক আৰ্ন্তজাতিক অথবা জাতীয় পৰ্য্যায়ৰ কোনো ঐতিহাসিক ঘটনাতকৈ কম গুৰুত্বপূৰ্ণ বুলি কব নোৱাৰি । ঠাইখন সেই সময়ত জিলা সদৰ বা ওচৰৰ নগৰ চহৰৰ পৰা সম্পূৰ্ণ বিছিন্ন আছিল। ৰাস্তা বুলিব লৈ ১৯৫৭ চনতে নিৰ্ম্মাণ কৰা সৰভোগৰ পৰা বালাগাওঁ লাংলা লৈ এটা জৰাজীৰ্ণ গড়কাপ্তানী বিভাগৰ পথ । চিকিৎসাৰ সা-সুবিধা বুলিলে আঞ্চলিক ভাৱে ১৯৬৪ চনতে স্থাপিত হোৱা নামমাত্ৰ ৰাজ্যিক চিকিৎসালয় (১৯৭২ চনত প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰলৈ উন্নত কৰা হয়) শিক্ষাৰ মাতৃকেন্দ্ৰিক ১৯৩৪ চনত স্থাপন হোৱা কলগাছিয়া নিম্ন প্ৰাইমাৰী বিদ্যালয়, ১৯৬৪ চনত স্থাপন হোৱা মজলীয়া বিদ্যালয় আছিল একমাত্ৰ অনুষ্ঠান । চৰকাৰী কাৰ্য্যালয় বুলিলে মুখ্যত ১৯৬৪-৬৫ চনত স্থাপন হোৱা ৰূপসী আঞ্চলিক উন্নয়ন খণ্ডখনেই প্ৰধান্যযোগ্য। মজাৰ কথা ১৯৬৮ চনৰ আগলৈকে ইয়ালৈ কোনো বাছ চলাচলৰ ব্যৱস্থা নাছিল । আধুনিক সা-সুবিধা আৰু সুচল যাতায়ত ব্যৱস্থাৰ পৰা বঞ্চিত এই অঞ্চলৰ জন সাধাৰণে হয়তো এখন হাইস্কুলৰ সপোন দেখাহে সম্ভৱ আছিল (হাইস্কুল ১৯৭৫ চনতে স্থাপন হয় ) কিন্তু স্থাপন কৰিলে ‘নৱজ্যোতি কলেজ’ । এই অঞ্চলৰ আঞ্চলিক কলেজ অসমৰ সংখ্যালঘুৰ শিক্ষাৰ ক্ষেত্ৰত বাটকটীয়া এক পৱিত্ৰ অনুষ্ঠান ।

১৯৯৬ চনত নৱজ্যোতি মহাবিদ্যালয়ে ২৫ বছৰত ভৰি দিলেহি। বিগত পচিশ বছৰে ইয়াৰ পৰশে এই অঞ্চলৰ জন সাধাৰনে ইয়াৰ পৰা কি পালে নাইবা কলেজখনৰ লগত তেওঁলোকৰ হৃদয়ত কিমান গভীৰ তাক একেষাৰে কোৱাৰ সাহস আমাৰ নাই। তাৰ বাবে নিশ্চয়কৈ প্ৰয়োজন হব সময়ভীৰ্ত্তিক কিছু গৱেষণাৰ।

নৱজ্যোতি কলেজৰ ৰজত জয়ন্তীৰ এই পৱিত্ৰ মুহূৰ্ত্তত স্মৃতিৰ কুঁৱলি ফালি আজি বহুত স্মৃতিয়েই ভিৰ কৰিছে। আমাৰ লৰালিৰ সেই সোণালী দিনবোৰৰ অলেখ স্বপ্ন বিভোৰ মুহুৰ্তবোৰৰ লগত জড়িত হৈ আছে কলেজৰ কিছু সজীৱস্মৃতি। ১৯৭০-৭১ চনত আমি তেতিয়া মধ্য ইংৰাজী বিদ্যালয়ৰ ছাত্ৰ। কলগাছিয়া অঞ্চলত হঠাতে এক নৱজাগৰণৰ প্ৰত্যক্ষ কৰিছিলো। হাটে বজাৰে মানুহবোৰে এখন কলেজ স্থাপনৰ কথাটো বৰ গুৰুত্বসহকাৰে আলোচনা কৰা মিটিং কৰা এটা নৈমেৰ্ত্তিক ঘটনা হৈ পৰিছিল। কলেজৰ বু-বা বুজিব নোৱাৰা লৰালিৰ সেই মুহুৰ্ত্তবোৰ আছিল আমাৰ কাৰণে ৰোমাঞ্চকৰ মুহুৰ্ত্ত। ধুনীয়া পোচাক পাতি পৰিহিত কিছুমান ডেকা লৰাই মাইকৰ সন্মুখত থিয়হৈ প্ৰস্তাৱিত কলেজখনলৈ তেওঁলোকে সকলো প্ৰকাৰৰ সহায়ৰ প্ৰতিশ্ৰুতি দিছিল। আমি ৰ' লাগি চাই আছিলো কাৰণ সেই বোৰ আছিল এম.এ. পাচ ব্যাক্তি।

তাৰ পিচৰ ঘটনাবোৰ আছিল তেনেই গতানুগতিক। কিছুদিন পিচত লক্ষ্য কৰিছিলো কলগাছিয়াৰ কিছু বয়সিয়াল লোকেও হাতত দুখন মান কিতাপ লৈ ছাত্ৰৰ বেশত শ্ৰেণীত উপস্থিত হৈছিল। প্ৰয়াত আঃ গফুৰ তালুকদাৰ মহম্মদ আলী মাষ্টাৰ ইদ্ৰিছ আলী গ্ৰাম সেৱক আদিয়েও শ্ৰেণীত বহি থকা দৃশ্য আজিও মনত আছো কলেজখন স্থাপন কৰা হৈছিল এখন আচহুৱা ঠাইত। আমি সৰুতে ঠাই খনলৈ যাবলৈ ভয় কৰিছিলো কাৰণ বাহনি আৰু নানা গছ গছনিৰে ভৰা ঠাইখন আছিল যেন এক ডাঠ হাবিহে। কলগাছিয়াত এখন হাইস্কুল নথকাত আমি ইয়াৰ স্থানীয় ছাত্ৰই শিক্ষাৰ্থে বাহিৰলৈ যাবলগীয়া হৈছিল। সেয়ে ১৯৭২ চনৰ পৰা ১৯৭৫ চনলৈ কলেজৰ ক্ৰম বিকাশৰ সেই দিনবোৰৰ লগত আমি জড়িত নাছিলো। ইতিমধ্যে এই অঞ্চলৰ শিক্ষাব্ৰতী ছাত্ৰ সকলৰ প্ৰেৰণাৰ কেন্দ্ৰহৈ পৰিছিল নতুনকৈ গঢ়ি উঠা কলেজখন ইয়াৰ অধ্যক্ষ আৰু উপাধ্যক্ষ মহোদয় বৃন্দ। অকল শিক্ষা বিষয়তেই নহয় সমাজৰ বিভিন্ন দিশৰ উন্নতিৰ কল্পে তেওঁলোক আৰু তেওঁলোকৰ সহযোগী সকল হৈ পৰিছিল এটা অনাষ্ঠানিক কেন্দ্ৰ। ১৯৭৫ চনত আমাৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল ওলোৱাৰ পিচ দিনাই নম্বৰৰ তালিকা খন হাততলৈ উপস্থিত হৈছিলো কলেজৰ অধ্যক্ষ ছাৰৰ কাষত। কিযে ৰোমাঞ্চ আৰু শিহৰণকাৰী আছিল সেই মুহুৰ্ত্তবোৰ ! ছাৰে সহৃদয়তাৰে আমাক সম্ভাষণ জনাই নম্বৰৰ তালিকাখনত চকু ফুৰাই কলা বিষয় বোৰত পোৱা নম্বৰ সমূহৰ বাবে প্ৰশংসা কৰা এতিয়াও মনত আছে। তেওঁ মোক সিদিনাই কলেজত নামভিৰ্ত্তিৰ পৰামৰ্শ দিয়ে আৰু এনেকৈয়ে এদিন মই নৱজ্যোতি কলেজত শিক্ষালাভ কৰাৰ কাৰণে ভৰ্ত্তি হও। তেতিয়া কলেজে মাত্ৰ ৫ টা বছৰহে অতিক্ৰম কৰিছে।

ছাত্ৰ হিচাবে প্ৰথম পৰ্য্যায়ত মই এটা শিক্ষাবৰ্ষহে ইয়াত পঢ়াৰ সুযোগ পাইছিলো। সেই ক্ষন্তেকীয়া সময়ৰ স্মৃতিবোৰ আজিও সজীৱ হৈ আছে। কলেজীয়া জীৱনৰ যি ৰঙীন স্বপ্নই বহুত দিনৰ পৰা মনত বাঁহলৈ আছিল তাৰ প্ৰত্যেক টোয়েই যে ইয়াত বাস্তাৱিত হৈছিল সেইটো নহয় কিন্তু শিক্ষক সকলৰ আন্তৰিকতা আৰু কঠোৰ পৰিশ্ৰমৰ সেই দৃষ্টান্ত গোটেই জীৱনৰ কাৰণে যে প্ৰেৰণাৰ সম্বল হৈ থাকিল তাত কোনো সন্দেহ নাই।

আঞ্চলিক ভাবে হোৱা নৱজাগৰণে ইয়াত নতুনকৈ অহা শিক্ষক সকলোকো নিশ্চয় আপ্লুত কৰিছিল। মই আজিও শ্ৰদ্ধাৰে সুঁৱৰো তেওঁলোকৰ আন্তৰিকতা আৰু ছাত্ৰ-ছাত্ৰীৰ প্ৰতি থকা দায়বদ্ধতাৰ কথা। আজি পঁচিশ বছৰ পিচতো তেওঁলোকে লোৱা ক্লাচ সমূহৰ বিশেষ পাঠৰ কথা এতিয়াও মনত আছে।



কলেজখনলৈ নতুনত্ব অনাৰ বাবে আৰু নিয়মাবৰ্ত্তিতা বজাই ৰাখিবলৈ কতৃপক্ষ বিশেষ সচেষ্ট আছিল। আমাৰ শিক্ষা বৰ্ষতে নৱজ্যোতি কলেজত প্ৰথম আৰু শেষ বাৰৰ কাৰণে Uniform পোছাকৰ নিৰ্দ্দেশ দিয়া হৈছিল। ছমাহৰ পিছতো আধাখিনি লৰাই বগা লংপেন্ট আৰু বগা ছাৰ্টৰ যোগাৰ কৰিব নোৱাৰিছিল। সেই সময়তো বহুতো ছাত্ৰই পায়জামা ছাৰ্ট পিন্ধিহে ক্লাছ কৰিছিল। আজি কবলৈ মই একো দ্বিধাবোধ কৰা নাই- কলেজ খনৰ এজন সাধাৰণ সম্পাদক হিচাবে পোছাকবোৰ যোগাৰ কৰোতে মোৰো বহুত কষ্ট হৈছিল। বেছি ভাগ অভিভাৱকৰে সেই সময়ত আৰ্থিক অৱস্থা ভাল নাছিল।

১৯৮৩-৮৪ চনত কলেজ খনে বহু দূৰ আগবাঢ়ি আহি কিছু ক্ষেত্ৰত পূৰ্ণতা লাভ কৰিছিল যদিও কলেজ কতৃপক্ষ তথা ইয়াৰ স্থানীয় ৰাইজে আকৌ এক নতুন যুদ্ধ ক্ষেত্ৰত জপিয়াই পৰিছিল। এই অঞ্চলৰ মেধা ছাত্ৰ সকলোৰ বাবে বিজ্ঞান শিক্ষাৰ সুযোগ সুবিধাৰ বাবে কলেজত বিজ্ঞান শাখাখোলাৰ দিহা কৰা হৈছিল। সেই সময়ত চলি থকা অসম আন্দোলনৰ পৰিপ্ৰেক্ষিতত এই অঞ্চলৰ কিছু ছাত্ৰ বাহিৰা কলেজ বোৰত পোৱা তিক্ত অভিজ্ঞতাই হয়তো কতৃপক্ষক এই কামৰ বাবে প্ৰেৰণা যোগাইছিল। ফলত আকৌ আৰম্ভ হৈছিল মেল মিটিং চান্দা তোলাৰ নতুন নতুন কাৰ্য্যসূচী। এনেকুৱা এখন ভিতৰুৱা আৰু দুখীয়া অঞ্চলত বিজ্ঞান শাখা খোলাৰ প্ৰচেষ্টা কিমান কষ্টকৰ তাক নিজ চকুৰে নাইবা লগত থাকি কাম নকৰিলে বুজিবৰ উপায় নাই। কলেজৰ অধ্যক্ষ ছাৰ, উপাধ্যক্ষ আৰু শিক্ষক সকলৰ দলগত প্ৰচেষ্টা আৰু স্থানীয় ৰাইজৰ সহায়ে আছিল ইয়াৰ সম্বল। বহুত কষ্ট, অবাঞ্চিত ঘটনাৰ মুখামুখী হব লগা হৈছিল কলেজৰ স্বাৰ্থতেই।

আজি পঁচিশ বছৰে কলেজখনে বহুত দিলে, বহুত পালে। অসমৰ বিভিন্ন ঠাইৰ কলেজ সমূহে লাভ কৰা চৰকাৰী স্নেহ সমূহৰ পৰা তুলনামূলক ভাৱে ই বঞ্চিত। আঞ্চলিক ৰাইজৰ সহায় সাৰথিই ইয়াৰ মূল প্ৰেৰণা।

এজন প্ৰাক্তন ছাত্ৰ হিচাৰে, প্ৰাক্তন সাধাৰণ সম্পাদক হিচাবে আৰু বৰ্ত্তমান কলেজখনৰ এজন শিক্ষক হিচাবে মইু নৱজ্যোতি কলেজকলৈ গৌৰব অনুভৱ কৰো। পৰম প্ৰফুল্লচিত্ত হও যেতিয়া কলেজখনৰ ছাত্ৰ ছাত্ৰীয়ে পৰীক্ষাত কৃতকাৰ্য্য লাভ কৰে। কিন্তু যেতিয়াই কিছু অশুভ শক্তিয়ে সাময়িক ভাৱে ইতিমধ্যে কলেজখনে কৰি অহা সুনামৰ ওপৰত আঘাত কৰিব বিচাৰে অন্তৰত আঘাত পাও। মানস পটত ভাহি উঠে কলেজৰ আৰম্ভনীৰ পৰাই জড়িত সেই মহান ব্যক্তি সকলৰ মুখবোৰ, যি সকলৰ বেছি ভাগেই এতিয়া আমাৰ মাজত নাই। নিজকে নিজে প্ৰশ্ন কৰিবৰ মন যায়। আমি উত্তৰ পুৰুষ সকলে তেওঁলোকৰ স্বাৰ্থক কিমান দূৰ বাস্তবত পৰিণত কৰিব পাৰিছো ??

জয়তু নৱজ্যোতি মহাবিদ্যালয়।

# এখন মহাবিদ্যালয়, এটা অঞ্চল আৰু এটা জনগোষ্ঠী

আব্দুল খালেক

কলগাছিয়া এক বৃহৎ সংখ্যালঘু অধ্যুষিত এলেকা। এই এলেকাৰ সৰহভাগ মানুহ এসময়ত অবিভক্ত ভাৰতবৰ্ষৰ অন্তৰ্গত পূৰ্ববঙ্গৰ পৰা প্ৰবজন কৰি আহি এই ঠাইসমূহত থিতাপি লৈছিল। উনবিংশ শতাব্দীৰ শেষাৰ্দ্ধত এই, অঞ্চল সমূহলৈ প্ৰবজনৰ প্ৰক্ৰিয়া আৰম্ভ হৈ দেশবিভাজনৰ সময়লৈ এই প্ৰক্ৰিয়া চলে। কলগাছিয়া, গুনিয়ালগুৰি, মইনবৰী, ৰঙাপানী আদি কেইখনমান নিৰ্দিষ্ট ঠাইতহে মানুহৰ বসতি আছিল। নানা আৰ্থ-সামাজিক আৰু প্ৰাকৃতিক কাৰণত এই ঠাইসমূহত বসবাস কৰা খিলঞ্জীয়া অসমীয়াভাষী লোক সকল পৰৱৰ্তী কালত অন্য ঠাইলৈ গৈ থিতাপি লৈছে। আৰ্থিক ভাবে অত্যন্ত দুৰ্বল দুই এটা পৰিয়াল আজিও কলগাছিয়া বা মইনবৰী এৰি গুচি যোৱা নাই। ৰঙাপানীত অৱশ্যে এতিয়াও এখন অসমীয়াভাষী গাওঁ বৰ্তি আছে।

আজিৰ কলগাছিয়া অঞ্চল মূলতঃ পূৰ্ববঙ্গীয় বংশোদ্ভৱ মুছলমান জনগোষ্ঠীৰ আবাস। এই অঞ্চলৰ বাংলাভাষী হিন্দুসকলো পূৰ্ববঙ্গীয় বংশোদ্ভৱ। এওঁলোকৰ পূৰ্বপুৰুষ সকলে মূলতঃ পেটৰ ভাত মুঠিৰ সন্ধানত আপোন ঠাই এৰি এই ঠাইলৈ আহিছিল। পাৰিবাৰিক কাজিয়াৰ বাবেও দুই চাৰিজনে অকলে ইয়ালৈ গুচি আহিল। সেইসময়ত এই ঠাইসমূহৰ সৰহভাগেই অটব্য অৰণ্য আছিল। এই অৰণ্যবোৰ কাটি ইয়াৰ দ মাটিবোৰক পূৰ্ববঙ্গৰ পৰা অহা কৃষকসকলে বাসোপযোগী আৰু কৃষি উপযোগী কৰি তুলিছে। ইয়াত বসবাস কৰা অসমীয়াভাষী লোকসকলেও তেওঁলোকক সহযোগিতাৰ হাত আগবঢ়াইছিল। বাংলাভাষী হিন্দুসকল মূলতঃ দেশবিভাজনৰ সময়ত সাম্প্ৰদায়িক সংঘৰ্ষৰ ভয়ত পূৰ্ববঙ্গৰ মাটি বাৰী এৰি একে ভাষি অথচ ভিন্ন ধৰ্মাৱলম্বীয়ে বাস কৰা এই অঞ্চলসমূহলৈ আহি তেওঁলোকৰ ঘৰ-দুৱাৰৰ লগত নিজৰ পূৰ্ববঙ্গৰ স্থিত ঘৰ দুৱাৰ সালসলনি কৰিছিল। মুছলমান জনগোষ্ঠীৰ মানুহবোৰে সংঘৰ্ষৰ আশংকাত দলে দলে অতদিনে প্ৰাণৰ পৰশেৰে গঢ়ি তোলা ঘৰ-মাটি এৰি নৱগঠিত পাকিস্তানলৈ যাত্ৰ কৰিছিল। সেইসময়ত এওঁলোকৰ কাণত পৰিছিল নেহৰু লিয়াকত চুক্তিৰ কথা। এই চুক্তিৰ কথা শুনি আদবাটঁতে উভতি আহিল বহুতো। তাত থিতাপি লোৱাসকলবো কিছুমানে আহিল, ইয়াৰ মাটিক সেউজ কৰাৰ সংকল্প লৈ।

পূৰ্ববঙ্গীয় বংশোদ্ভৱ এই কৃষক সকলৰ অক্লান্ত পৰিশ্ৰমৰ ফলত ইয়াৰ পতিত মাটি শস্য শ্যামলা হৈ পৰিল। অটব্য অৰণ্যত পৰিলক্ষিত হ'ল সোণালী ধাননি পথাৰ।

পেটৰ ভাত মুঠিৰ ব্যৱস্থা হোৱাৰ লগে লগে এওঁলোকে শিক্ষাৰ প্ৰয়োজনীয়তাৰ কথা চিন্তা কৰাৰ অৱকাশ পালে। ১৯০৩ চনতে নগাওঁ জিলাৰ আলিটাঙ্গীত এই জনগোষ্ঠীৰ লোকসকলৰ উদ্যোগত প্ৰথমখন বিদ্যালয় (তাকো অসমীয়া মাধ্যমৰ) স্থাপিত হৈছিল। কলগাছিয়া অঞ্চলত অৱশ্যে শিক্ষাৰ প্ৰয়োজনীয়তা কিছু পলমকৈ উপলব্ধি হৈছিল। ১৯৩১ চনত চাকলাত এই জনগোষ্ঠীৰ লোকসকলৰ উদ্যোগত প্ৰথমখন প্ৰাথমিক বিদ্যালয় অনুষ্ঠিত হৈছিল। অৱশ্যে তাৰো আগতে ৰঙাপানীত স্থানীয় অসমীয়াভাষী সকলৰ উদ্যোগত ১৯১৩ চনত এখন



প্ৰাথমিক বিদ্যালয় অনুষ্ঠিত হৈছিল। এই বিদ্যালয়ত মুছলমান জনগোষ্ঠীৰ লোকসকলেও পঢ়া-শুনা কৰিছিল। ত্ৰিছৰ দশকত এই নিবন্ধ লিখকৰ পিতৃও এই বিদ্যালয়ৰ ছাত্ৰ আছিল।

বৃটিছ চৰকাৰৰ প্ৰৱৰ্তিত লাইন প্ৰথাই খিলঞ্জীয়া কৃষক আৰু নকৈ অহা কৃষক সকলৰ মাজত মেৰু বিভাজন আনি দিছিল। মৌলানা আব্দুল হামিদ খান ভাসানীৰ নেতৃত্বৰ পূৰ্ববঙ্গীয় বংশোদ্ভৱ কৃষকসকলে এই প্ৰথাৰ বিৰুদ্ধে জেহাদ ঘোষণা কৰিছিল। সমগ্ৰ অসমৰ পূৰ্ববঙ্গীয় বেল্টত মৌলানা ভাসানীয়ে ইয়াৰ প্ৰতিবাদত খলকনিৰ সৃষ্টি কৰিছিল। এই অঞ্চলৰ কৃষক ৰাইজেও ভাসানীৰ আন্দোলনৰ সহযাত্ৰী হৈছিল। দুৰ্ভাগ্যবশতঃ ভাসানীৰ পাকিস্তান দাবীয়ে এই আন্দোলনক দুৰ্বল কৰি পেলাইছিল।

পূৰ্ববঙ্গীয় বংশোদ্ভৱ মুছলমান জনগোষ্ঠীৰ লোকসকলৰ কিছুমানে ১৯৪১ চনৰ লোকপিয়লত নিজকে অসমীয়াভাষী বুলি ঘোষণা কৰিছিল। তাৰ প্ৰভাৱ এই অঞ্চলতো পৰিছিল। স্বাধীনতাৰ পিছত এই প্ৰৱণতা আৰু বৃদ্ধি হৈছিল। স্বাধীনতাৰ পিছত এই প্ৰৱণতা আৰু বৃদ্ধি হৈছিল। ১৯৫১,১৯৬১ আৰু ১৯৭১ ৰ লোকপিয়লত ব্যাপক হাৰত এই লোকসকলে নিজক অসমীয়া বুলি ঘোষণা কৰিছিল। অসমৰ অন্যান্য ঠাইৰ দৰে এই অঞ্চলৰ ৰাইজেও ১৯৬০ৰ ভাষা আন্দোলন আৰু ১৯৭২ৰ মধ্যম আন্দোলনত অসমীয়া ভাষাৰ সপক্ষে ৰাজপথলৈ ওলাই আহিছিল।

'৫১-৭১' - এই দুটা দাশকত এই অঞ্চলত ভালেমান প্ৰাথমিক বিদ্যালয়, মজলীয়া বিদ্যালয়ৰ উপৰিও কেবাখনো উচ্চ বিদ্যালয় স্থাপিত হৈছিল। ১৯৭০ চনত এই অঞ্চলৰ ৰাইজে সমূহীয়াভাৱে এখন মহাবিদ্যালয় স্থাপনৰ প্ৰয়োজনীয়তা অনুভৱ কৰিলে। মহাবিদ্যালয় নহয় যেন এক আন্দোলনহে আৰম্ভ হ'ল। স্বতস্ফূৰ্ত ভাৱে ৰাইজে মহাবিদ্যালয় প্ৰতিষ্ঠা অভিযানত অংশ গ্ৰহণ কৰিলে। টকা-পইচাৰ উপৰিও ধান-সৰিয়হ, হাঁহ-কুকুৰা, শাক-পাচলি একোৰে দিবলৈ ৰাইজে বাকী নাৰাখিলে। ১৯৭১ চনত ৰাইজৰ সপোন-মহাবিদ্যালয়খনে এখন হাইস্কুলৰ চৌহদৰ পৰা ইয়াৰ কাম-কাজ আৰম্ভ কৰে।

ৰাইজৰ সপোনৰ এই নৱজ্যোতি মহাবিদ্যালয়য়ে ২৫ বছৰ পাৰ কৰি আজি ৰূপালী জয়ন্তী মহোৎসৱ পালন কৰাৰ যো-জা চলাইছে। এইখন মহাবিদ্যালয় এখন পূৰ্ণাংগ মহাবিদ্যালয়ত পৰিণত হৈছে। আজিৰ তাৰিখত এই বৃহত্তৰ এলেকাত আৰু ৬ খন মহাবিদ্যালয় স্থাপিত হৈছে। নাৰী শিক্ষাৰ ক্ষেত্ৰতো মহাবিদ্যালয়খনৰ ভূমিকাক অস্বীকাৰ কৰিব নোৱাৰি। দুখন ছোৱালী হাইস্কুলৰ উপৰিও নৱপ্ৰতিষ্ঠিত ফজলুৰ ৰহমান ছোৱালী মহাবিদ্যালয়ে নাৰী শিক্ষাৰ ক্ষেত্ৰত সমাগত দিনত প্ৰভাৱ পেলাব বুলি আশা কৰিব পাৰি।

এই নিবন্ধ লিখকৰ জন্ম কলগাছিয়া অঞ্চলৰ এখন ভিতৰুৱা গাওত। ছাত্ৰ জীৱন আৰু কৰ্মজীৱন এলেকাৰ বাহিৰত অতিবাহিত কৰা বাবে মহাবিদ্যালয়খন আৰু অঞ্চলটোৰ সৈতে নিকটাত্মীয়তা গঢ়ি তুলিব পৰা নাই। কিন্তু মহাবিদ্যালয়খনে এই অঞ্চলটোক যেনেকৈ জোকাৰি গৈছে তাক কেতিয়াও অস্বীকাৰ কৰিব নোৱাৰি।

অসমৰ যিকোনো পূৰ্ববঙ্গীয় বংশোদ্ভৱ জনগোষ্ঠী অধ্যুষিত এলেকাৰ তুলনাত এই অঞ্চলত শিক্ষাৰ হাৰ বেছি বুলি এই অঞ্চলে দাবী কৰিব পাৰে। শিক্ষাৰ ক্ষেত্ৰত নৱজ্যোতি মহাবিদ্যালয়ে অঞ্চলৰ সমগ্ৰ অসমৰ সংখ্যালঘু অধ্যুষিত এলকাত এক নৱজাগৰণৰ সৃষ্টি কৰিছে। বিদেশী বহিস্কাৰ আন্দোলনৰ সময়ছোৱাত এইখন মহাবিদ্যালয় সংখ্যালঘু ছাত্ৰ আন্দোলনৰ পৃষ্ঠভূমিত পৰিণত হৈছিল। কলগাছিয়াক অসমৰ ৰাজনৈতিক ইতিহাসত এক আলোড়নৰ সৃষ্টি কৰা সংখ্যালঘু আন্দোলনৰ ঘাটি হিচাপে এতিয়াও অসমৰ ৰাইজে জানে।

কিন্তু সংখ্যালঘুৰ পৰিবৰ্ত্তনকামী আৰু প্ৰগতিশীল চিন্তা-চৰ্চাৰ ক্ষেত্ৰত এই মহাবিদ্যালয়খনে যি আলোড়নৰ সৃষ্টি কৰিব লাগিছিল, সেই কাৰ্যত আশানুৰূপভাৱে আগবাঢ়িব পৰা নাই যেন আমাৰ অনুভৱ হয়। অৱশ্যে অঞ্চলটোৰ শিক্ষিত লোকসকলক শিক্ষিত ৰূপে জন্ম দিয়াৰ কৃতিত্ব মহাবিদ্যালয় খনে দাবী কৰিব পাৰে। কলগাছিয়াত আজি সাহিত্য সংস্কৃতি চৰ্চাৰ এক অনুকূল পৰিবেশ পৰিলক্ষিত হৈছে। এই ক্ষেত্ৰতো তাৰ কৃতিত্ব মহাবিদ্যালয়খনৰ প্ৰাপ্য। অসমৰ সংখ্যালঘু অধ্যুষিত এলেকাৰ কম ঠাইতে এনেদৰে সংগঠিতভাৱে সাহিত্য চৰ্চা হৈছে।

